www.epaper.asombarta.in
অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক
শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক
# অসম বাৰ্তা
PRGI REGD. NO. (Title) : ASSASS01389

‘কোনোৱে তোমাক সহায় কৰিব নোৱাৰে। নিজেই নিজৰ সহায় লোৱা।’
— বুদ্ধদেৱ —

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন ‘অসম বাৰ্তা’ কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- ‘অসম বাৰ্তা’ গোষ্ঠী -

❐ ষষ্ঠ বছৰ ❐ সংখ্যা - ১৫৯ ❐ বৃহস্পতিবাৰ ❐ ২৪ জুলাই, ২০২৫ চন ❐ ৭ শাওন, ১৯৪৭ শক ❐ VOL - 6 ❐ NO.- 159 ❐ Thursday ❐ 24th July, 2025 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৮

## অভিযন্তা যোশিতা দাসৰ মৃত্যুৰ তদন্ত ঘোষণা

# জ্যেষ্ঠ অভিযন্তাসহ উপ-বিভাগীয় বিষয়াক আটক






### লোক নিৰ্মাণ বিভাগৰ কৰ্মপদ্ধতি আৰু স্বচ্ছতা বিষয়ক গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন

**অসম বাৰ্তা, ডিব্ৰুগড়, ২৩ জুলাই ঃ** অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ৰ চৰকাৰী সচিবালয়ত অনুষ্ঠিত ৰাজ্যিক কেবিনেট বৈঠকৰ পিছত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত গুৰুত্বপূৰ্ণ আৰু বিতৰ্কিত বিষয়ৰ ওপৰত নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। উল্লেখ্য যে ▸▸৬ পৃষ্ঠাত

# পাগ্‌লাদিয়াৰ পাৰ উকা কৰি গ'লগৈ সাহিত্যাচাৰ্য ড° বসন্ত কুমাৰ ভট্টাচাৰ্য

### ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন অন্ত্যেষ্টিক্ৰিয়া



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৩ জুলাই ঃ** নলবাৰীৰ সাহিত্য জগতৰ পুৰোধা, সাহিত্যাচাৰ্য তথা নলবাৰী ৰত্ন খ্যাত বিশিষ্ট শিক্ষাবিদ আৰু সাহিত্যিক ড° বসন্ত কুমাৰ ভট্টাচাৰ্যৰ বিয়োগত গভীৰ শোকৰ ছাঁ পৰিছে অসমীয়া ভাষা-সাহিত্যৰ মাজত। বুধবাৰে পুৱা নলবাৰী চহৰৰ বিদ্যাপুৰস্থিত নিজ বাসগৃহত ৮৩ বছৰ বয়সত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। পুৱা ৪.৪৫ বজাত এইগৰাকী প্ৰখ্যাত সাহিত্যিকৰ দেহাৱসানে নলবাৰীৰ সাহিত্য সমাজত এক অপূৰণীয় ক্ষতিৰ সৃষ্টি কৰিছে। তেওঁৰ মৃত্যুৰ খবৰে নলবাৰীবাসীক হেৰুৱাইছে এগৰাকী প্ৰকৃত অভিভাৱকৰ দৰে ব্যক্তিত্বক। ১৯৪২ চনৰ ১ ফেব্ৰুৱাৰীত জন্মগ্ৰহণ কৰা ড° ভট্টাচাৰ্যৰ শিক্ষাজীৱন আৰম্ভ হৈছিল ১৯৪৭ চনত বালিজাৰ প্ৰাথমিক বিদ্যালয়ত। পৰৱৰ্তী সময়ত ১৯৫২-৫৫ চনৰ ভিতৰত বৰক্ষেত্ৰী বানেকুছি এম ই স্কুলত মাধ্যমিক শিক্ষা গ্ৰহণ কৰি তেওঁ ▸▸৬ পৃষ্ঠাত

## ▪ ডিব্ৰুগড়ৰ অসম চৰকাৰৰ কেবিনেট বৈঠক ▪ ১২ আগষ্টত ৰাজ্যত নতুন দহখন সমজিলাৰ উদ্বোধন

# ৰাজ্যৰ শিক্ষাখণ্ডৰ বাবে ২,৭৫০ কোটি টকাৰ ঋণ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৩ জুলাই ঃ** মঙলবাৰে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উজনি অসমৰ বিভিন্ন জিলাৰ উন্নয়নৰ খতিয়ান ল'বলৈ চাৰিদিনীয়া ভ্ৰমণসূচীৰে ডিব্ৰুগড়ত উপস্থিত হয়। তেওঁ ডিব্ৰুগড়ৰ মাইজানস্থিত মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ পৰা ৰাজ্য চৰকাৰৰ সকলো কাৰ্যকলাপ তদাৰক কৰিছে। এই ভ্ৰমণৰ সময়ত মুখ্যমন্ত্ৰীয়ে তিনিচুকীয়া জিলাত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ কৰে আৰু চৰাইদেউ জিলাৰ সোণাৰি বিধানসভা সমষ্টিৰ উন্নয়নৰ ▸▸৬ পৃষ্ঠাত



### আজিৰ কলম

## বিদ্যালয়ৰ গ্ৰীষ্ম বন্ধত ব্যস্ততাৰ প্ৰতিযোগিতা



শৰৎ চন্দ্ৰ চিৰিং ফুকন

এতিয়া শিক্ষানুষ্ঠানসমূহৰ গৰম বন্ধ। সম্পূৰ্ণ এটা মাহ ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়লৈ যাব নালাগে। এইখিনি পৰত ছাত্ৰ সমাজৰ মাজত শিক্ষা প্ৰতিযোগিতাৰ দৌৰ অধিক তীব্ৰতৰ হয়। স্কুলসমূহ খোলা থকাৰ পৰতো ▸▸৬ পৃষ্ঠাত

## এফ এম আৰ বাতিল আৰু সীমান্তৰ বেৰা নিৰ্মাণ বন্ধৰ দাবী কেন্দ্ৰীয় চৰকাৰলৈ ২০ দিনৰ সময়সীমাৰে সকীয়নি

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৩ জুলাই ঃ** ইউনাইটেড নাগা কাউন্সিল (ইউ এন চি), অল নাগা ষ্টুডেণ্টছ এছ'চিয়েচন, মণিপুৰ (এ এন এছ এ এম), নাগা উইমেন'ছ ইউনিয়ন (এন ডব্লিউ ইউ) ▸▸৬ পৃষ্ঠাত

## ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত পাকিস্তানক তীব্ৰ সমালোচনা ভাৰতৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৩ জুলাই ঃ** ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদ (UNSC)ত পাকিস্তানৰ বৈদেশিক মন্ত্ৰী ইছাক দাৰে দিয়া মন্তব্যৰ উপযুক্ত প্ৰত্যুত্তৰ দিছে ভাৰতে। ৰাষ্ট্ৰসংঘত ভাৰতৰ স্থায়ী প্ৰতিনিধি পি হৰিশে কয় যে, এফালে ভাৰত আছে, যিখন এখন পৰিপক্ক গণতন্ত্ৰ, উদীয়মান অৰ্থনীতি, বহুত্ববাদী আৰু সৰ্বাংগীণ সমাজ। আনহাতে আনফালে আছে পাকিস্তান, যিখন ধৰ্মান্ধতা আৰু সন্ত্ৰাসবাদত ডুব গৈছে আৰু আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা ▸▸৬ পৃষ্ঠাত

## কেন্দ্ৰীয় চৰকাৰৰ পৰা এইচ আৰ এ লাভ কৰাৰ পিছতো হোষ্টেলৰ বাবে দুগুণ মাচুলৰ বোজা

# মাচুল বৃদ্ধিৰ প্ৰতিবাদত উত্তপ্ত আইআইটি গুৱাহাটী



**অসম বাৰ্তা, গুৱাহাটী, ২৩ জুলাই ঃ** আই আই টি গুৱাহাটীত হঠাৎ মাচুল বৃদ্ধিৰ সিদ্ধান্তৰ বিৰোধিতা কৰি প্ৰতিষ্ঠানখনৰ শিক্ষাৰ্থীসকলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বি টেক, এম টেক আৰু পি এইচ ডিৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি ছেমিষ্টাৰৰ মাচুল ৯, ১০০ টকাকৈ বৃদ্ধি কৰা হৈছে, যাৰ ফলত পূৰ্বৰ ৩৬, ৬০০ টকাৰ পৰা মাচুল ৪৫, ৭০০ টকালৈ বৃদ্ধি পাইছে। এই অভাৱনীয় সিদ্ধান্তৰ ফলত ▸▸৬ পৃষ্ঠাত

### অৱসৰপ্ৰাপ্ত শিক্ষক নিযুক্তিক লৈ মুখ্যমন্ত্ৰীৰ প্ৰতিক্ৰিয়া; মোক প্ৰেছাৰ দি লাভ নাই

## এখন অনুষ্ঠান অভিজ্ঞ ব্যক্তি নহ'লে নচলে, এই নীতি ১০১ শতাংশ বাহাল থাকিব ঃ মুখ্যমন্ত্ৰী



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৩ জুলাইঃ** ৰাজ্যৰ আদৰ্শ মহাবিদ্যালয়ত অৱসৰপ্ৰাপ্ত অধ্যাপকক মাহে এক লাখ টকা দৰমহাৰে নিযুক্তি দিয়াৰ সিদ্ধান্তই বিতৰ্কৰ সৃষ্টি কৰিছে। এই নিযুক্তিক লৈ চলি থকা বিতৰ্ক আৰু প্ৰতিবাদৰ মাজতে মুখ্যমন্ত্ৰীয়ে এই সিদ্ধান্তৰ প্ৰতি দৃঢ় সমৰ্থন ব্যক্ত কৰি সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তেওঁ স্পষ্টভাৱে কয় যে, তেওঁ এই সিদ্ধান্তক “১০১ শতাংশ” সমৰ্থন কৰে। তেওঁৰ মতে, যিকোনো প্ৰতিষ্ঠানৰ সফল পৰিচালনাৰ বাবে ▸▸৬ পৃষ্ঠাত

## চামগুৰিত উচ্ছেদস্থলীৰ পৰা সামগ্ৰী কঢ়িওৱা বাহন দুৰ্ঘটনাগ্ৰস্ত

**অসম বাৰ্তা, পুৰণিগুদাম, ২৩ জুলাই ঃ** ৰাজ্য চৰকাৰে চৰকাৰী ভূমি বেদখলমুক্ত কৰিবলৈ চেষ্টা অব্যাহত ৰখাৰ সময়তে আজি উৰিয়ামঘাটৰ উচ্ছেদ হ'বলগা উচ্ছেদস্থলীৰ পৰা বেদখলকাৰীৰ সামগ্ৰী কঢ়িয়াই অনা এখন টাটা মোবাইল গাড়ী দুৰ্ঘটনাত পতিত ▸▸৬ পৃষ্ঠাত

## বিজেপি নেতাসহ চাৰিজনক গ্ৰেপ্তাৰ


### নলবাৰীত ভুৱা নিযুক্তি পত্ৰ কেলেংকাৰী

**অসম বাৰ্তা, নলবাৰী, ২৩ জুলাই ঃ** বড়োলেণ্ড টেৰিটৰিয়েল ৰিজন (বি টি আৰ)ৰ বন বিভাগত চাকৰিৰ নামত ভুৱা নিযুক্তি পত্ৰ বিতৰণৰ এক ঘটনাই এতিয়া চাঞ্চল্যৰ সৃষ্টি কৰিছে। এই কেলেংকাৰীৰ সৈতে ▸▸৬ পৃষ্ঠাত



Amul Milk.
Always Fresh.
Amul GOLD
HOMOGENISED STANDARDISED MILK
180 days shelf life
No need to boil
Anytime, anywhere


## অগপৰ তৃণমূল কৰ্মী শৃংখলাবদ্ধ, গণ্ডগোলৰ পৰা দূৰত থাকে ঃ বৰা



**অসম বাৰ্তা, গুৱাহাটী, ২৩ জুলাই ঃ** অসম গণ পৰিষদৰ (অগপ) সভাপতি তথা মন্ত্ৰী অতুল বৰাই দৃঢ়তাৰে কৈছে যে দলৰ তৃণমূল কৰ্মীসকল শৃংখলাবদ্ধ আৰু কোনো গণ্ডগোলৰ পৰা দূৰত থাকে, যদিও ▸▸৬ পৃষ্ঠাত

### ২৯ হাজাৰ বিঘা মাটি দখলদাৰীৰ হাতৰ পৰা মুক্ত

# এতিয়াও বেদখলৰ কবলত অসমৰ ২৯ লাখ বিঘা ভূমি



**অসম বাৰ্তা, তিনিচুকীয়া, ২৩ জুলাই ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ অবৈধ দখলদাৰীৰ হাতৰ পৰা মাটি মুক্ত কৰাৰ লক্ষ্যৰে উচ্ছেদ অভিযান অব্যাহত ৰাখিবলৈ দৃঢ় প্ৰতিশ্ৰুতি ▸▸৬ পৃষ্ঠাত

## জাল নোটৰ ৰেকেট চলোৱা ৪ আল-কায়েদাক গ্ৰেপ্তাৰ



**ইণ্টাৰনেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৩ জুলাই ঃ** ভুৱা মুদ্ৰাৰ বা জাল নোটৰ ৰেকেট চলোৱা আৰু বিশ্ব সন্ত্ৰাসবাদী সংগঠনৰ মতাদৰ্শ প্ৰচাৰ কৰা আল কায়দাৰ সৈতে জড়িত চাৰিটা সন্ত্ৰাসবাদীক গুজৰাটৰ সন্ত্ৰাসবাদ বিৰোধী দলে (এণ্টি টেৰৰিষ্ট স্কোৱাড) গ্ৰেপ্তাৰ কৰিছে। ইয়াৰে এজনক অন্য ৰাজ্যৰ পৰা গ্ৰেপ্তাৰ কৰা হৈছে বুলি এ টি এছে জানিবলৈ দিয়ে। সূত্ৰই জনোৱা মতে, সন্ত্ৰাসবাদী অভিযুক্ত মহম্মদ ফৈক, মহম্মদ ফাৰ্দিন, ▸▸৬ পৃষ্ঠাত

## মৃত ব্যক্তিৰ নামত ভুৱা নথিপত্ৰৰে পাছপোৰ্ট প্ৰস্তুত কৰি গ্ৰেপ্তাৰ দুজন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ২৩ জুলাই ঃ** শ্ৰীভূমিৰ পাথাৰকান্দি অঞ্চলত আৰক্ষীয়ে এক জটিল জালিয়াতি কাণ্ডৰ উন্মোচন কৰিছে। মৃত ব্যক্তিৰ নামত ভুৱা নথিপত্ৰ তৈয়াৰ কৰি এজন বাংলাদেশী ব্যক্তিক ভাৰতীয় নাগৰিক হিচাপে ▸▸৬ পৃষ্ঠাত



## নগাঁৱৰ বেঙেনাআটিত ৰাইজে কৰিলে পথ মেৰামতিৰ আৰু নামকৰণ

অসম বাৰ্তা, বড়মপুৰ, ২০ জুলাইঃ নগাঁও-বটদ্ৰৱা সমষ্টিৰ অন্তৰ্গত বেঙেনাআটিত গাঁও পঞ্চায়তৰ এটি জৰাজীৰ্ণ পথ দেওবাৰে যুৱক ৰাইজে মেৰামতি কৰাৰ লগতে পথটি নামকৰণ কৰে। বেঙেনাআটি ৭ নং ৱাৰ্ডৰ মূল পথটি সংশি-ষ্ট বিভাগে দীৰ্ঘদিনৰে মেৰামতি নকৰাৰ ফলত প্ৰকাণ্ড-প্ৰকাণ্ড গাতৰ সৃষ্টি হোৱাৰ লগতে জৰাজীৰ্ণ ৰূপলৈ পৰিনত হৈছিল। যাৰ ফলত পথটিৰে স্কুলীয়া ছাত্ৰ-ছাত্ৰী, ৰোগী, পথাচাৰী সকল যাত্ৰায়তৰ সমস্যাৰ সন্মুখীন হোৱাৰ লগতে জৰুৰীকালীন এম্বুলেঞ্চ আৰু অগ্নি নিৰ্বাপক বাহিনীৰ গাড়ী অঞ্চলটোত উপস্থিত হ'ব পৰা নাছিল। দীৰ্ঘদিনে এনেবোৰ সমস্যা সন্মুখীন হৈ বেঙেনাআটি যুৱ সমাজে নিজাববীয়া প্ৰচেষ্টাত আজি পথটো মেৰামতি কৰাৰ লগতে সেউজ পথ নামেৰে নামকৰণ কৰে। পথটো ফিতাকাটি উদ্বোধন কৰে ৰাজ্য চৰকাৰৰ সাংস্কৃতিপ্ৰাপ্ত আদৰ্শ কৃষক আনোৱাৰ হুচেইনে। উদ্বোধনী অনুষ্ঠানত সমাজ সেৱক জয়ন্ত শইকীয়া, ছিদ্দিক হুছেইৰৰ লগতে ৱাৰ্ড সদস্য তথা বেঙেনাআটি গাঁও পঞ্চায়তৰ উপ সভাপতি জাকিৰ হুছেইন উপস্থিত থাকি পথটি পকীকৰণ কৰিবলৈ নগাঁও - বটদ্ৰৱা বিধানসভা সমষ্টি বিধায়ক ৰূপক শৰ্মাক আহ্বান জনায়।

### মেৰাপানী ২ নং নেঘেৰিবিলত উচ্ছেদ নিশ্চিত

# গোলাঘাট জিলা প্ৰশাসন আৰু বন বিভাগৰ জৰীপ

অসম বাৰ্তা, মেৰাপানী, ২২ জুলাই ঃ অসম-নাগালেণ্ড সীমান্তৰ গোলাঘাট জিলাৰ মেৰাপানীৰ দুই নং নেঘেৰিবিল গাঁৱৰ সন্দেহযুক্ত নাগৰিকৰ অবাধ প্ৰব্ৰজনৰ ফলত সৃষ্টি হোৱা ভাবুকিৰ পৰিপ্ৰেক্ষিতত অসম চৰকাৰৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উৰিয়াম ঘাট সীমান্তৰ পিছতেই সীমান্তৱৰ্তী নেঘেৰিবিলতো উচ্ছেদ চলোৱা হব বুলি ঘোষণা কৰাৰ লগে লগে গোলাঘাট জিলা প্ৰশাসন সষ্টম হৈ পৰা পৰিলক্ষিত হৈছে। আজি পুৱাৰ পৰাই জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসন, চি আৰ পি এফ আৰু বন বিভাগে গাওঁখনৰ প্ৰত্যকৰ ঘৰে-ঘৰে জৰীপ চলোৱা দেখিবলৈ পোৱা গৈছে। অসম চৰকাৰৰ উচ্ছেদৰ এই কায্যক স্থানীয় বহু দল সংগঠনে সমৰ্থন আগবঢ়োৱাৰ বিপৰীতে এচাম সুবিধাবাদী লোকে আকৌ নেঘেৰিবিল গাঁওখন উচ্ছেদ কৰা পৰিপন্থি নহয়। আনহাতে উক্ত গাঁওখনত আজিৰ পৰা আৰম্ভ কৰা জৰীপ কায্যৰ পিছত গাওঁখনত এক উত্তেজনা বিৰাজ কৰাৰ লগতে গাওঁবাসী আতংকিত হৈ পৰা দেখিবলৈ পোৱা গৈছে। আজি এই প্ৰতিবেদকে নেঘেৰি বিল গাঁওখনৰ খিলঞ্জীয়া মিছিং জনসাধাৰণৰ পৰা সন্দেহ যুক্ত নাগৰিকৰ অবাধ প্ৰব্ৰজনৰ সন্দৰ্ভত জানিব বিচৰাত তেওঁলোকে কয় যে উক্ত লোক সকল বসবাস কৰা ঠাইত পুৰ্বতে মিছিং, আদিবাসী লোকে বসতি কৰিছিল। এই স্থানত খিলঞ্জীয়াৰ এক আধ্যাত্মিকতাৰ সেৱাৰ ঠান আছিল আৰু অসম বেটেলিয়নৰ শিৱিৰ আছিল। কালক্ৰমত খিলঞ্জীয়া লোকসকলে মাতি এৰি অন্য স্থানলৈ গুছি গ'ল আৰু আৰক্ষীৰ শিৱিৰো উঠি গ'ল। অৱশেষত উক্ত সন্দেহ যুক্ত লোক সকল আহি ইয়াত বসতি কৰিবলৈ লয়। লাহে লাহে আশী দশকৰ পিছত মৰিগাঁও, নগাঁও, ধিং, তেজপুৰ আদি বিভিন্ন ঠাইৰ পৰা অহা এই লোক সকলৰ প্ৰব্ৰজনৰ ফলত বৰ্তমান এক জনবিস্ফোৰণ ঘটি খিলঞ্জীয়াৰ প্ৰতি ভাবুকি সৃষ্টি কৰিছে। সেয়েহে চৰকাৰে উচ্ছেদ কৰিবলৈ লোৱা কায্যত সমৰ্থন আগবঢ়োৱা বুলি জানিবলৈ দিয়ে। শেহতীয়াকৈ নেঘেৰিবিলৰ পাহাৰৰ নামনিত বনভোজ স্থলী হিচাপে গঢ়ি উঠাত বিভিন্ন ঠাইৰ পৰা বনভোজ খাবলৈ অহা বনভোজ কাৰীৰ লগতো উক্ত গাঁওখনৰ একাংশ মিঞা লোকৰ সংঘৰ্ষ হোৱাৰ উদাহৰণ আছে। আনহাতে গাওঁখনৰ একাংশ সন্দেহযুক্ত লোকে ড্ৰাগছ, বিদেশী চিগাৰেট, চোৰাং চুপাৰী ব্যৱসায় আদি বিভিন্ন অপৰাধ জনিত কায্য সংঘটিত কৰা কায্যত জড়িত থকাৰ অভিযোগ আছে।

## জলসিঞ্চন বিভাগৰ ব্যৰ্থতাৰ অভিযোগত ছাত্ৰ সন্থাৰ বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২২ জুলাই ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাই শনিবাৰে তিনিচুকীয়া জিলা সদৰত থকা জলসিঞ্চন বিভাগৰ কাৰ্য্যালয়ৰ সন্মুখত “খেতি পথাৰত উপযুক্ত জলসিঞ্চনৰ ব্যৱস্থা কৰাৰ দাবীত আৰু জলসিঞ্চন বিভাগৰ ব্যৰ্থতাৰ প্ৰতিবাদত” বিক্ষোভ প্ৰদৰ্শন কৰে আৰু খেতিপথাৰত পৰ্যাপ্ত পানী যোগানৰ দাবীৰে জিলা উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে। এই বিক্ষোভ কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক সমৰ গোহাঁই, কাৰ্যনিৰ্বাহ সদস্য জিতেন্দ্ৰ চুতীয়া, সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা ৰাজা বলিমৰা আৰু জিলা ছাত্ৰ সন্থা - আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া আৰু সদস্যাসকলে অংশগ্ৰহণ কৰে। তিনিচুকীয়া জিলাৰ জলসিঞ্চন বিভাগে জিলাখনৰ কৃষক ৰাইজক কোনো ধৰণৰ গুৰুত্ব দিয়া দেখা নাযায়। যাৰ ফলশ্ৰুতিতে জিলাখনত খেতি পথাৰত কৰিব লগীয়া কামৰ কেৱল মাত্ৰ প্ৰায় ৩০ শতাংশ কাম হে বৰ্তমানলৈ কৰা পৰিলক্ষিত হৈছে। যাৰ ফল ভুগিব লগা হৈছে জিলাখনৰ কৃষক ৰাইজে। বিভাগটোৰ এনে অৰ্কমন্যতাক তিনিচুকীয়া জিলা ছাত্ৰ সন্থাই ধিক্কাৰ জনায়। অনাগত দিনবোৰত যদি বিভাগটোৱে কৃষক সকলৰ সুবিধাৰ্থে নিজৰ দায়িত্ব সমূহ পালন নকৰে তেন্তে জিলাখনৰ সকলো কৃষকক লগত লৈ ৰাইজৰ সহযোগত আৰু অধিক শক্তিশালী আন্দোলনৰ সূচনা কৰা হ'ব বুলি সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰতীম নেওগ আৰু সাধাৰণ সম্পাদক কনচেং গগৈয়ে স্পষ্ট কৰি দিছে।

## এৰা দৰ্গেৰ পৰা কলিগাঁও সংযোগী পথত ৭০ লাখ টকীয়া কালভাৰ্ট নিৰ্মাণ সম্পন্ন

**অসম বাৰ্তা বিশেষ, লখিমপুৰ, ২২ জুলাই ঃ** লখিমপুৰ জিলাৰ এৰা দৰ্গে আৰু কলিগাঁৱৰ ৰাইজে যাতায়ত ব্যৱস্থাৰ ক্ষেত্ৰত নতুন পোহৰ দেখিবলৈ সক্ষম হৈছে। লখিমপুৰ জিলাৰ ঢকুৱাখনা বিধানসভা সমষ্টিৰ অন্তৰ্গত এৰা দৰ্গেৰ পৰা কলিগাঁও সংযোগী পথত ৭০ লাখতকৈও অধিক ধন খৰচ কৰি এটা শক্তিশালী আৰ চি চি কালভাৰ্ট নিৰ্মাণ কৰি যুগ যুগ ধৰি ৰাইজে ভুগি অহা সমস্যা সমাধান কৰাৰ বাবে কালভাৰ্টৰ অভাৱৰ বাবে যাতনা ভুগি অহা ৰাইজে ভূয়সী প্ৰশংসা কৰিছে স্থানীয় বিধায়ক নৱ কুমাৰ দলেক। কালভাৰ্টতোৰ অভাৱৰ বাবে যুগ যুগ ধৰি ভগ্ন বাঁহৰ দলঙেৰে সংকটজনকভাৱে যাতায়ত কৰিবলগীয়া হৈছিল ৰাইজে। কিন্তু বিধায়ক নৱ কুমাৰ দলেৰ তৎপৰতাত তথা এছ ডি এম এফৰ ২০২৩-২৪ বৰ্ষৰ অধীনত ৭০ লাখ



২১ হাজাৰ টকা আৰ চি চি কালভাৰ্ট নিৰ্মাণৰ বাবে আৱণ্টিত হৈছিল। লোকনিৰ্মাণ বিভাগৰ ঢকুৱাখনা ক্ষেত্ৰীয় সংমণ্ডল, ঘিলামৰা আৰু ঢকুৱাখনা ক্ষেত্ৰীয় পথ উপ-সংমণ্ডল (দুই), ঘিলামৰাৰ বিভাগীয় বিষয়া-কৰ্মচাৰী আৰু নিয়োজিত ঠিকাদাৰৰ ক্ষিপ্ৰ তৎপৰতাত আঁচনিটোৰ কাম সুন্দৰকৈ সম্পন্ন হোৱাত স্থানীয় ৰাইজে সন্তোষ প্ৰকাশ কৰিছে তথা ৰাইজে যাতায়তৰ ক্ষেত্ৰত নতুন দিগন্তৰ সন্ধান পালে বুলি মন্তব্য কৰিছে।

## বড়ো সকল গোটেই অসমতে য'তে-ত'তে থাকিব পৰা এটা জাতি ঃ বিধায়ক ৰবিৰাম নাৰ্জাৰী

**অসম বাৰ্তা, গোসাঁইগাঁও, ২২ জুলাই ঃ** ৰাজ্যজুৰি চলি থকা উচ্ছেদ অভিযানক লৈ ৰাজনৈতিক মহলত উত্তেজনা বৃদ্ধি পাইছে। বিটিচি অঞ্চলৰ ৰাইজৰ মাজতো আতংক আৰু অনিশ্চয়তাৰ সৃষ্টি হৈছে। তেনে ক্ষেত্ৰত সমাগত বিটিচি নিৰ্বাচন, নিৰ্বাচনক লৈ বিটিচিত প্ৰতিটো ৰাজনৈতিক দলে নিজৰ দলৰ ভেটি শক্তিশালী কৰাৰ বাবে গাঁৱে ভুৰে, দিনে ৰাতি চলাইছে যোগদান কাৰ্য্যসূচী লগতে চলাইছে মত-বিনিময় সভা। বিটিচিৰ নিৰ্বাচনক লৈ পিছ পৰি থকা নাই বিৰোধি দল বিপিএফও। বিটিচিৰ অন্তৰ্গত বিন্নাখাতা কচুগাঁও ব্লক কমিটিৰ প্ৰাই মাৰীৰ উদ্যোগত বিপিএফৰ এক বৃহৎ সাধাৰণ সভা অনুষ্ঠিত হয়। সাধাৰণ সভাত বিপিএফৰ বিধায়ক ৰবিৰাম নাৰ্জাৰীৰ উপস্থিতিত সাধাৰণ সভাখন সম্পন্ন হয়। বিধায়ক ৰবিৰাম নাৰ্জাৰীয়ে সংবাদ মাধ্যমৰ আগত কয় বড়ো সকল গোটেই অসমতে যতে ততে থাকিব পৰা এটা জাতি। বড়ো সকল অসমত সকলোতকৈ আগত অহা এটা ভূমি-পুত্ৰ জাতি, বড়ো সকল খিলঞ্জীয়া মানুহ, ট্ৰাইবেল জনগোষ্ঠীৰ মানুহ, অকল অসমতেই নহয় ভাৰতৰ যতে ততে থাকিব পৰা এটা জাতি হয়। বড়ো সকল ট্ৰাইবেল আদিম মানুহ, আমাৰ এই অঞ্চলৰ থলুৱা ভূমিপুত্ৰ জনগোষ্ঠীৰ হোৱাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ফালৰপৰা যিটো নিয়ম বনাইছে যে বড়ো সকলে জংঘলতো থাকিব পাৰে। বড়ো সকল আজিৰ মাত্ৰ নহয় বড়ো সকলে পূৰ্ব পুৰুষৰ পৰা জংঘলত হাতি, বাঘ, গছ-গছনি পৰা থাকি অহা মানুহ। গতিকে বড়ো সকলক উচ্ছেদ কৰাটো কেতিয়াও গ্ৰহণ যোগ্য নহয়, সমৰ্থন যোগ্য নহয়, কেতিয়াও মানি লোৱা নহয়, যত যত বড়ো সকলক উচ্ছেদ কৰাৰ কাৰণে চৰকাৰে এটা ব্যৱস্থা কৰিছে সেইবিলাক অতি সোনকালেই বন্ধ কৰিব লাগে বুলি মন্তব্য কৰে।



## আমগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠান

**অসম বাৰ্তা, আমগুৰি, ২২ জুলাইঃ** আমগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আজি এক অনুষ্ঠানত উচ্চতৰ মাধ্যমিক আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা প্ৰায় ২৫০ গৰাকী শিক্ষাৰ্থীক বিশেষ অভিনন্দন জানোৱা হয়। আমগুৰি ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত এই অনুষ্ঠানত শিক্ষাৰ্থীসকলৰ ঐকান্তিক পৰিশ্ৰম আৰু সফলতাৰ বাবে আৰু আগন্তুক শিক্ষাজীৱনত অধিক উৎকৰ্ষ সাধন কৰিবলৈ উৎসাহিত কৰা হয়। অনুষ্ঠানৰ সভাপতিত্ব কৰে সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক আৰু আমগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা ৰাজদ্বীপ কাকতিয়ে। নিজৰ বক্তৃতাত তেওঁ শিক্ষাৰ্থীসকলৰ অধ্যৱসায় আৰু নিষ্ঠাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কৈছিল যে, এই যুৱসমাজ আমাৰ সমাজৰ গৌৰৱ আৰু ভৱিষ্যতৰ আশাৰ মূল আধাৰ। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক আগন্তুক দিনবোৰত উৎসাহেৰে আগবাঢ়ি যাবলৈ উদ্বুদ্ধ কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ শইকীয়াই শিক্ষাৰ্থীসকলক শিক্ষাৰ গুৰুত্ব মাথোঁ পৰীক্ষাৰ ফলাফলতেই সীমাবদ্ধ নকৰিবলৈ পৰামৰ্শ আগবঢ়ায়। তেখেতে কয় “শিক্ষা হৈছে মানবতা, নৈতিকতা আৰু দায়িত্ববোধৰ বিকাশৰ মাধ্যম।” অনুষ্ঠানত আমগুৰি মহাবিদ্যালয়ৰ প্ৰাক্তন প্ৰৱক্তা অনিল হাজৰিকা, আঃহেঃদেঃ উঃমাঃ বিদ্যালয়ৰ অধ্যক্ষ ইন্দ্ৰকমল ফুকন, নৰ্থইষ্ট চেণ্ট্ৰেল ইংলিছ স্কুলৰ সঞ্চালক সুৰেণ বৰা, কৃপাল ভূঞা, কৃষ্ণকান্ত ভূঞা, পুতুল প্ৰাণ শৰ্মা, মামু দুৱৰা, পল্লৱ জ্যোতি গগৈ আদি বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণকৰে। উল্লেখ্য যে অনুষ্ঠানত সফলতাৰে উত্তীৰ্ণ প্ৰতিজন শিক্ষাৰ্থীক অভিনন্দন পত্ৰ আৰু পুষ্পগুচ্ছ প্ৰদানেৰে সন্মান জনোৱা হয়। আমগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ এনে ধৰণৰ উদ্যোগে আগন্তুক দিনত শিক্ষাৰ্থীসকলৰ মাজত শিক্ষাৰ প্ৰতি অধিক আকৃষ্ট কৰিব বুলি আশা কৰা হৈছে।

## শিৱসাগৰ চামগুৰিত শিশু নাট কৰ্মশালাৰ সামৰণি অনুষ্ঠান

**অসম বাৰ্তা, নামতি, ২২ জুলাই ঃ** বৰাহীবাৰী সাংস্কৃতিক প্ৰকল্পৰ উদ্যোগত চামগুৰি উচ্চ মাধ্যমিক বিদ্যালয়, চামগুৰি শাখা সাহিত্য সভা, বিহু সুৰক্ষা সমিতি, অসমৰ চামগুৰি আঞ্চলিক সমিতি, লালিমছীগা সংগীত বিদ্যালয় আৰু স্থানীয় বিদ্যালয় সমূহৰ সহযোগত চামগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ত ৬ জুলাইৰ পৰা অনুষ্ঠিত হোৱা পোন্ধৰ দিনীয়া শিশু নাট কৰ্মশালাৰ দেওবাৰে সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি নিমন্ত্ৰিত অতিথি সকলক সম্বৰ্ধনা, লোকগীত, বিয়ানাম, সৃষ্টিশীল নৃত্য, ঘোৰ তাল নৃত্য প্ৰদৰ্শন কৰা হয়। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি কণ কণ শিশু সকলৰ দ্বাৰা অভিনীত বগলী বগা ফুট দি যা” নামৰ এখনি শিশু নাট প্ৰদৰ্শন কৰা হয়। নাট কৰ্মশালাত অভিনেতা তথা নাট পৰিচালক তৰুণ তীৰ্থ শইকীয়া আৰু ৰঞ্জিত কলিতাই প্ৰশিক্ষণ প্ৰদান কৰে। শিশু নাট খনিৰ উদ্বোধক হিচাপে উপস্থিত থাকে বিশিষ্ট সমাজকৰ্মী হৰি প্ৰসন্ন হাজৰিকাই। বিশিষ্ট অতিথি হিচাপে বিহু সুৰক্ষা সমিতিৰ সহকাৰী সম্পাদক লাচিত ফুকন, জিলা পৰিষদৰ সদস্য জিনটি চাহু বিশিষ্ট লেখক তথা লোক সংস্কৃতিৰ গৱেষক ভৱেন হাজৰিকাৰ লগতে বহু কেইজন গণ্যমান্য ব্যক্তি। অনুষ্ঠানটোৰ আঁত ধৰে শিশু নাট কৰ্মশালাৰ পৰিচালনা সমিতিৰ মুখ্য ব্যৱস্থাপক প্ৰণৱ গগৈয়ে।

## সৰুপথাৰত বিধানসভা সমষ্টিভিত্তিত আয়োজিত গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণি

**অসম বাৰ্তা, ধনশিৰি, ২২ জুলাই ঃ** সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু সৰুপথাৰ সমজিলা প্ৰশাসনৰ সহযোগত বিধান সভা সমষ্টি ভিত্তিত সৰুপথাৰ সমষ্টিত বিগত ৭জুলাই তাৰিখৰ পৰা পোন্ধৰদিনীয়াকৈ আয়োজিত গ্ৰীষ্মকালীন কৰ্মশালাৰ আজি সফল সামৰণি পৰে। সৰুপথাৰ সমজিলাৰ দক্ষিণ খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত উক্ত কৰ্মশালাৰ সামৰণি অনুষ্ঠানভাগিৰ আঁত ধৰে ছাত্ৰী অশ্লেষা শৰ্মাই। অনুষ্ঠানভাগিৰ বন্তি প্ৰজ্বলন কৰে সৰুপথাৰ সমিজলাৰ আয়ুক্ত চৈয়দ ৰাছবীৰ সুভানীয়ে। গ্ৰীষ্মকালীন কৰ্মশালাভাগ সৰুপথাৰ সমষ্টিৰ সৰুপথাৰত আধুনিক গীত আৰু বৰপথাৰত যোগাসনৰ কৰ্মশালা হয়। কৰ্মশালাত আধুনিক গীতৰ প্ৰশিক্ষক হিচাপে দেৰগাঁৱৰ সঙ্গীত বিশাৰদ ৰ'জ বৰবৰা আৰু সৰুপথাৰ অঞ্চলৰ বিশিষ্ট সঙ্গীত শিল্পী তৰুণ শৰ্মা উপস্থিত থাকে। আনহাতে বৰপথাৰত অনুষ্ঠিত যোগাসনৰ কৰ্মশালাত প্ৰশিক্ষক হিচাপে শাৰীৰিক প্ৰশিক্ষক ৰঞ্জন ঠেঙ্গাল আৰু শিল্পীকা ঠেঙ্গাল উপস্থিত থাকি প্ৰশিক্ষণ আগবঢ়াই। আজি সামৰণি অনুষ্ঠানৰ লগত সঙ্গতি ৰাখি আটাইকেইগৰাকী প্ৰশিক্ষকক সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু সৰুপথাৰ সমজিলা প্ৰশাসনে বিশেষভাৱে সম্বৰ্ধনা জনাই। অনুষ্ঠানৰ শেষত উল্লিখিত কৰ্মশালাভাগত আধুনীক গীতৰ প্ৰশিক্ষণ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰী সকলে এখনি সুন্দৰ সঙ্গীতালেখ্য পৰিবেশন কৰে আৰু বৰপথাৰত যোগাসনৰ প্ৰশিক্ষণ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰী সকলে যোগাসন প্ৰদৰ্শন কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। সৰুপথাৰ সমজিলাৰ সাংস্কৃতিক উন্নয়ন বিষয়া টুহিনা শইকীয়াই অনুষ্ঠানৰ শেষত কয় আধুনিক গীত আৰু যোগাসনৰ পৰিসৰ যথেষ্ট ডাঙৰ। গতিকে মাত্ৰ পোন্ধৰটা দিনত সকলোখিনি শিকোৱাটো সহজ নহয় যদিও ছাত্ৰ-ছাত্ৰী সকলে যিখিনি শিকিছে সেইখিনিয়ে অনাগত দিনসমূহত তেওঁলোকক আগুৱাই যোৱাত যথেষ্ট পৰিমাণে সহায় কৰিব। বিধান সভা সমষ্টি ভিত্তিত আয়োজিত এই গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণি অনুষ্ঠানত সৰুপথাৰ সমজিলা আয়ুক্ত চৈয়দ ৰাচবীৰ সুভানী, সীমান্ত দণ্ডাধীশ প্ৰিয়মজ্যোতি ফুকন, সহকাৰী আয়ুক্ত সুতৃষ্ণা বৰদলৈ, সাংস্কৃতিক উন্নয়ন বিষয়া টুহিনা শইকীয়া, সাংস্কৃতিক বিভাগৰ প্ৰাক্তন উপ সঞ্চালক ধৰ্মেশ্বৰ দুৱৰা, লোক সংস্কৃতিৰ গৱেষক নয়নমণি ৰাজখোৱা, বিশিষ্ট শিক্ষাবিদ নৰেন চুতীয়া আৰু জেষ্ঠ সাংবাদিক দ্বীপেন কুমাৰ বৰা উপস্থিত থাকে।



## গোলকগঞ্জত মহিলা স্বাৱলম্বী কৰাৰ উদ্দেশ্যে শতাধিক আত্মসহায়ক গোটক চেক বিতৰণ

**অসম বাৰ্তা, আগমনি, ২৩জুলাই ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জৰ বিছনদৈত কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ সাধাৰণ সদস্য উত্তম কুমাৰ প্ৰধানীয়ে আজি নিজ পুঁজিৰ অধীনত শতাধিক মহিলা আত্মসহায়ক গোটক ২০ হেজাৰ টকাকৈ এক কালীন আৰ্থিক সাহায্য প্ৰদান কৰে। বিশিষ্ট সমাজ সেৱক গৌৰাঙ্গ চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী পৰিষদ জীৱেশ ৰায়, কামতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মন, সাধাৰণ সদস্য ক্ৰমে উত্তম কুমাৰ প্ৰধানী, ৰঘুৰঞ্জন বেপাৰী, বিশ্বজিৎ ৰায়, মনোজ ৰায়, মায়া দাস, আৰু বিছনদৈ গাঁও পঞ্চায়তৰ সভানেত্ৰী জ্যোতি প্ৰভা ৰায়কে ধৰি বিভিন্ন নেতৃবৰ্গ উপস্থিত থাকে। সভাত গোলকগঞ্জ সমষ্টিৰ দহটা গাওঁ পঞ্চায়তৰ শতাধিক মহিলা আত্মসহায়ক গোটক ২০ হেজাৰ টকাকৈ সাধাৰণ সদস্য উত্তম কুমাৰ প্ৰধানীৰ নিজ পুঁজিৰ ২০২৩-২৪ বৰ্ষৰ অধীনত এক কালীন আৰ্থিক সাহায্যৰ চেক বিতৰণ কৰা হয়। সভাত মুখ্য অতিথী হিচাপে উপস্থিত থকা মুখ্য কাৰ্যবাহী পৰিষদ জীৱেশ ৰায় নিজৰ ভাষণত কয় কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ এলেকাৰ মহিলা সকলোক স্বাৱলম্বিত কৰাৰ লক্ষ্যৰে প্ৰতিটো মহিলা আত্মসহায়ক গোট সমূহক কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ পৰা এক কালীন আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব। কামতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ জি এম উত্তম কুমাৰ প্ৰধানীৰ ব্যক্তিগত পুঁজিৰ পৰাই আত্ম সহায়ক গোট সমূহক প্ৰদান কৰা ধন খিনিয়েই মহিলা সকলে আত্ম নিৰ্ভৰশীল হব বুলি ভাষণত কয় প্ৰধানীয়ে। আনহাতে যুৱ সমাজৰ বাবে অতিশীঘ্ৰে কমতাপুৰ ফুটৱল দল গঠন কৰা হ'ব। অহা এক আগষ্টত গোলকগঞ্জৰ নব নিৰ্মিত ষ্টেডিয়ামত প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হ'ব। আনহাতে এ পি এছ ছি পৰীক্ষাৰ বাবে ২০ গৰাকী ছাত্ৰ ছাত্ৰীক বিনামূলীয়াকৈ প্ৰশিক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও মুখ্য কাৰ্যবাহী বিষয়া গৰাকী মন্তব্য কৰে।

### অবৈধ সম্পত্তিৰ সন্ধানত মোজাম্মিলৰ প্ৰসাদসম অট্টালিকাত মৰিগাঁও আৰক্ষীৰ বৃহৎ অভিযান

# ২৮ লাখ টকা আত্মসাৎ কৰি গ্ৰেপ্তাৰ বুৰালগুৰীৰ ৰাজমন্ত্ৰী ৰূপী চাইবাৰ অপৰাধী মোজাম্মিল হুছেইন

### চাইবাৰ অপৰাধীৰ অবৈধ সম্পত্তি বাজেয়াপ্ত কৰাৰ আইনী প্ৰক্ৰিয়া চলি আছে মৰিগাঁৱত - সমীৰণ বৈশ্য

অসম বাৰ্তা ভূৰাগাঁও ২০ জুলাই: চাইবাৰ অপৰাধৰ হট স্পটত পৰিণত মৰিগাঁও জিলাৰ বুৰালগুৰীৰ এটা দুধৰ্ষ চাইবাৰ অপৰাধীৰ সম্পত্তিৰ সন্ধানত মৰিগাঁও আৰক্ষীৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যৰ নেতৃত্বত বৃহৎ আৰক্ষী বাহিনীয়ে আজি তালাচি চলাই অপৰাধী টোৰ প্ৰসাদসম অট্টালিকাত। উল্লেখ্য যে, যোৱা নিশা মৰিগাঁও জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যৰ নেতৃত্বত চলা এটি অভিযানত গ্ৰেপ্তাৰ হৈছিল বুৰালগুৰিৰ দুধৰ্ষ পলাতক চাইবাৰ অপৰাধী মোজাম্মিল হুছেইন। আজি আবেলি মোজাম্মিল হুছেইনক লগত লৈ মোজাম্মিলৰ বোৰালগুৰি স্থিত বাসগৃহত অন কেমেৰা অভিযান চলায় আৰক্ষীৰ দলে। কুখ্যাত চাইবাৰ অপৰাধী মোজাম্মিল হুছেইন পেছাত এজন ৰাজমিস্ত্ৰী আছিল। আদিত্য বিৰলা ফাইনেন্স কোম্পানীৰ এটি অভিযোগৰ তদন্তত মোজাম্মিলৰ কু-কৃত্তি ফাদিল হয়। মোজাম্মিল নামতহে এজন ৰাজমিস্ত্ৰী আছিল। প্ৰকৃততে মোজাম্মিলে আনৰ ফেন কাৰ্ড আধাৰ কাৰ্ডৰ তথ্য জমা দি অনলাইন ঋণৰ জৰিয়তে লুণ্ঠন কৰিছিল লাখ লাখ টকা। অৱশেষত যোৱা নিশা গ্ৰেপ্তাৰৰ পাছতহে পোহৰলৈ আহে মোজাম্মিলৰ বিশাল ব্যয়বহুল সম্পত্তিৰ তালিকা। মোজাম্মিলে এটা বছৰতে ভঙা জুপুৰিৰ ঠাইত বুৰালগুৰিৰ নিৰ্মাণ কৰিছিল বৃহৎ বিলাসী বাসগৃহ। আজি ধৃত ৰাজমিস্ত্ৰী ৰূপী চাইবাৰ অপৰাধী মোজাম্মিল হুছেইনৰ বিলাসী বাসগৃহত আৰক্ষীয়ে অভিযান চলাই। চাইবাৰ অপৰাধীটোৱে আৰক্ষীক দিয়া স্বীকাৰোক্তি মতে এঁছি বেংক আৰু আদিত্য বিৰলাৰ পৰা ভুৱা নথি পত্ৰ ব্যৱহাৰ কৰি বৃহৎ পৰিমাণৰ ঋণ লৈ এটা বছৰতে গঢ়িবলৈ সক্ষম হৈছিল অপাৰ সম্পত্তি। তদন্তকাৰী বিষয়া সমীৰণ বৈশ্যই জানিব দিয়া মতে আৰক্ষীৰ প্ৰাৰম্ভিক তদন্ততে চাইবাৰ অপৰাধী মোজাম্মিলে আদিত্য বিৰলা ফাইনেন্স কোম্পানীৰ পৰা ২৮ লাখ টকা আত্মসাৎ কৰাৰ তথ্য লাভ কৰিছে মৰিগাঁও আৰক্ষীয়ে। এই বৃহৎ পৰিমাণৰ ধন আত্মসাৎ কৰি বিলাসী জীৱন যাপন কৰি আহিছে মোজাম্মিলে। অভিযান কালত মোজাম্মিলৰ পৰা আৰক্ষীয়ে এখন বিলাসী বাহন জব্দ কৰিবলৈ সক্ষম হৈছে। এই চাইবাৰ অপৰাধীটোক কৰায়ত্ব কৰিবলৈ ইয়াৰ পূৰ্বে আৰক্ষীয়ে কেবাবাৰো অভিযান চলাইছিল যদিও বৃহৎ জলাসয়েৰে ভৰা অঞ্চলটোত আৰক্ষীৰ বেষ্টনি ফালি নিশাৰ অন্ধকাৰত পলায়ন কৰিছিল। ইফালে মোজাম্মিলৰ অন্যতম সহযোগী পলাতক শ্বৰিফুল হককো আৰক্ষীয়ে বৰ্তমানলৈ কৰায়ত্ব কৰিব পৰা নাই। অৱশ্যে মৰিগাঁও আৰক্ষীৰ আবেদন মৰ্মে কিছু দিনৰ আগত পলাতক শ্বৰিফুল হকৰ মৰিগাঁও সদৰ স্থিত কোটি টকীয়া মাটি সম্পত্তি জব্দ কৰিবৰ বাবে মৰিগাঁও আদালতে দিয়া ঐতিহাসিক ৰায়ৰ ভিত্তিত ইতিপূৰ্বে পলাতক শ্বৰিফুলৰ মাটি সম্পত্তি জব্দ কৰিছে মৰিগাঁও আৰক্ষীয়ে। ইফালে আজি মোজাম্মিলৰ স্বীকাৰোক্তিৰ ভিত্তিত ইতিপূৰ্বে আৰক্ষীয়ে কোটি টকীয়া ভূমি সম্পত্তি জব্দ কৰা বুৰালগুৰিৰ পলাতক শ্বৰিফুলৰ বাসগৃহতো অভিযান চলায়। অভিযানৰ অন্তত মৰিগাঁও জিলা আৰক্ষীৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যই সংবাদ মাধ্যমত প্ৰতিক্ৰীয়া প্ৰকাশ কৰি কয় যে - চাইবাৰ অপৰাধী হঁতৰ অবৈধ সা - সম্পত্তি জব্দৰ বাবে ভাৰতীয় ন্যায় সংহিতাৰ নতুন ধাৰাত গোছৰ পঞ্জিয়ন কৰি সম্পত্তি সমূহ জব্দ কৰাৰ প্ৰচেষ্টা চলি আছে আৰু বহু চাইবাৰ অপৰাধীৰ সা-সম্পত্তিৰ তথ্য পৰীক্ষা কৰি থকা হৈছে।



## সম্পাদকীয়

# অৱসৰপ্ৰাপ্ত শিক্ষক নিযুক্তি; যুক্তিহীন নীতি নে মেধাৰ অপচয় ?

অসম চৰকাৰৰ দ্বাৰা আদৰ্শ মহাবিদ্যালয়সমূহত অৱসৰপ্ৰাপ্ত শিক্ষক নিযুক্তিৰ সিদ্ধান্তই ৰাজ্যৰ উচ্চ শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকলৰ মাজত তীব্ৰ হতাশাৰ সৃষ্টি কৰিছে। যেতিয়া হাজাৰ হাজাৰ NET/SET উত্তীৰ্ণ আৰু PhD ধাৰী যুৱকে চাকৰিৰ বাবে হাহাকাৰ কৰি আছে, তেনে সময়ত মাহে ১ লাখ টকাৰ পাৰিতোষিকৰ বিনিময়ত অৱসৰপ্ৰাপ্ত শিক্ষকক পুনৰ নিযুক্তি দিয়াৰ সিদ্ধান্ত কিমান যুক্তিকৰ। এই নীতিয়ে স্পষ্টভাবে প্ৰমাণ কৰিছে যে চৰকাৰে ৰাজ্যৰ মেধাবী যুৱক-যুৱতীসকলৰ প্ৰতি কোনো দায়বদ্ধতা অনুভৱ নকৰে। যিসকল যুৱকে বছৰৰ পিছত বছৰ পৰিশ্ৰম কৰি উচ্চ শিক্ষা গ্ৰহণ কৰিছে, তেওঁলোকক উপেক্ষা কৰি পেন্সন ভোগ কৰি থকা ব্যক্তিক পুনৰ নিযুক্তি দিয়া মেধাৰ সৈতে এক প্ৰকাৰৰ ল'ৰা-ধেমালি। চৰকাৰে যুক্তি দিব পাৰে যে অভিজ্ঞতাৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। কিন্তু প্ৰশ্ন উঠে - যেতিয়া একেখিনি বিষয়ত সমানভাবে যোগ্য, তৰুণ মেধা উপলব্ধ, তেতিয়া ডাঙৰ দৰমহা দি অৱসৰপ্ৰাপ্তক নিযুক্তি দিয়াৰ অৰ্থনৈতিক যুক্তি কি? ই ৰাজ্যৰ ভঁৰালৰ সম্পদৰ এক প্ৰকাৰৰ অপচয়হে। চৰকাৰে যদি প্ৰকৃততে শিক্ষাৰ মান উন্নয়ন বিচাৰিছে, তেন্তে: শূন্য পদসমূহ দ্ৰুতভাবে পূৰণ কৰা, নিয়মীয়া নিযুক্তি প্ৰক্ৰিয়া ত্বৰান্বিত কৰা, স্থায়ী ভিত্তিত যোগ্য যুৱকক নিযুক্তি দিয়ক তথা শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী শক্তিশালী কৰা আদি উপায় অৱলম্বন কৰিব পাৰে। কিন্তু, এই সিদ্ধান্তে চৰকাৰৰ যুৱ নীতিৰ এক গুৰুতৰ ত্ৰুটি প্ৰকাশ কৰিছে। ৰাজ্য চৰকাৰে যুৱকসকলৰ মেধা আৰু প্ৰতিভাক সন্মান জনোৱা উচিত, উপেক্ষা কৰা নহয়। অসমৰ ভৱিষ্যত গঢ় দিয়াৰ দায়িত্ব যুৱ প্ৰজন্মৰ হাতত, সেয়েহে তেওঁলোকক সুযোগ দিয়াটো চৰকাৰৰ প্ৰথম কৰ্তব্য হ'ব লাগে।

"উত্তৰ আধুনিকতাবাদৰ আন এটা উপাদান অণু-সমাজবাদৰ প্ৰভাৱ সাধাৰণ মানুহৰ জীৱনত বাৰুকৈয়ে পৰিছে। অণু-সমাজবাদে জ্ঞান, ভাষা, সংস্কৃতি আদিক সামাজিক শ্ৰমৰ সৃষ্টি বুলি গণ্য নকৰে। ব্যক্তি আৰু পৰিয়ালৰ অভিজ্ঞতা আৰু দৃষ্টিভংগীয়েহে এইবোৰ সৃষ্টি কৰে বুলি যুক্তি দাঙি ধৰে। অণু-সমাজবাদে সমাজৰ পৰিৱৰ্তন সাধিবলৈ কোনো বৃহৎ দলবদ্ধ প্ৰচেষ্টাৰ প্ৰয়োজনক স্বীকাৰ নকৰে, বৰঞ্চ ব্যক্তিগত বা স্থানীয় পৰ্যায়ত নিজৰ নিজৰ সমস্যাসমূহ সমাধান কৰিব পাৰি বুলি জনসাধাৰণক প্ৰত্যয় নিয়াব খোজে।"

# বিদ্যালয় পৰ্যায়ত নীতিশিক্ষা

**আব্দুৰ ৰছিদ চৌধুৰী**

অসম মাধ্যমিক শিক্ষা পৰিষদ (SEBA)ৰ অধীনত ১৯৯৬ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত বহা ছাত্ৰ-ছাত্ৰীসকল হৈছে চৰিত্ৰ-পাঠ নপঢ়া প্ৰথম ছাত্ৰ-ছাত্ৰী। এই কিতাপখন নাইকিয়া হোৱাৰ পিছৰে পৰা এচাম লোকে পাঠ্যক্ৰমত নীতিশিক্ষা নথকা বিষয়টোকলৈ আলোচনা কৰি অহা দেখা গৈছে। কিন্তু বৰ্তমান সময়ত বিদ্যালয় পৰ্যায়ত যি পাঠ্যক্ৰম প্ৰচলিত আছে সেই পাঠ্যক্ৰমত সঁচাকৈ নীতিশিক্ষা নাইনে। এই বিষয়ে আলোচনা কৰাৰ পূৰ্বে পাঠ্যক্ৰম সম্পৰ্কে দুটা সৰু কথা জনা উচিত। প্ৰথম কথা হ'ল পাঠ্যপুথি হৈছে পাঠ্যক্ৰমৰ এটা অংশ। দ্বিতীয় কথা হ'ল বিদ্যালয় কেন্দ্ৰীক বিভিন্ন কাৰ্যকলাপ হৈছে পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত। তৃতীয় কথা হ'ল এতিয়া সমন্বিত (Integrated) পাঠ্যক্ৰমৰ যুগ। এতিয়া ভাষাৰ মাধ্যমত নীতিশিক্ষা, গণিতৰ মাধ্যমত নীতিশিক্ষা প্ৰদান কৰা হয়। ইয়াৰ বাবে পৃথক পাঠ্যপুথিৰ প্ৰয়োজন নাই। আমি আমাৰ অসমৰ চৰকাৰী বিদ্যালয়সমূহৰ প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ প্ৰচলিত ভাষা বিষয়ৰ (অসমীয়া আৰু ইংৰাজী) কেইটামান পাঠৰ উদাহৰণ দাঙি ধৰিব বিচাৰিছোঁ।

ষষ্ঠ শ্ৰেণীৰ অসমীয়া ভাষাৰ পাঠ্যপুথি 'অংকুৰন'ৰ পঞ্চম পাঠ গুৰুদক্ষিণা সম্পৰ্কে উল্লেখ কৰিব বিচাৰিছোঁ। পাঠটোৰ মূল কাহিনীটো এনে ধৰণৰ, বেদকণ্ঠ নামৰ এজন গুৰু আছিল। তেওঁৰ টোলত কুৰিজনমান ছাত্ৰ আছিল। ছাত্ৰসকলে বছেৰেকত এবাৰ গাঁৱলৈগৈ ধনী মানুহৰ পৰা ভিক্ষা মাগি গুৰুক দক্ষিণা দিয়াৰ নিয়ম। এদিন গুৰুৱে সকলো ছাত্ৰক মাতি গুৰুদক্ষিণা বিচাৰি কলে, 'আজিকালি মানুহে দান-দক্ষিণা দিব নিবিচাৰে। গতিকে তোমালোকে গছৰ আঁৰত লুকাই থাকি কোনো সাউদ গ'লে কোনেও নেদেখাকৈ তেওঁৰ পৰা ধন কাঢ়ি আনিবা'। গুৰুৰ কথা শুনি সত্যব্ৰত নামৰ ছাত্ৰজনৰ বাহিৰে সকলো ছাত্ৰ গ'ল। সত্যব্ৰত নোযোৱা দেখি গুৰুৱে ইয়াৰ কাৰণ জানিব বিচাৰিলে। তেতিয়া সত্যব্ৰতে কলে, 'আপোনাৰ পৰাই জানিব পাৰিছোঁ, গুৰুদেৱ পৃথিৱীত এনে ঠাই নাই, য'ত ঈশ্বৰ নাই, আমি এনে একো কাম কৰিব নোৱাৰো, যি কাম ঈশ্বৰে দেখা নোপোৱাকৈ থাকে'। তাৰ পিছত ছাত্ৰজনে গুৰুক প্ৰশ্ন কৰিলে, 'কোনোৰে নেদেখা ঠাই মই কিদৰে বিচাৰি উলিয়াম'? সত্যব্ৰতৰ কথা শুনি বেদকণ্ঠ আপ্লুত হ'ল আৰু বাকী ছাত্ৰসকলক ওভতাই আনিবলৈ দিলে। যিকোনো অৱস্থাতে অন্যায় অনীতিৰ আশ্ৰয় ল'ব নালাগে, এই কথা ছাত্ৰ-ছাত্ৰীসকলক শিকিৱাটো হ'ল এই পাঠটোৰ মূল উদ্দেশ্য।

পঞ্চম শ্ৰেণীৰ অসমীয়া ভাষাৰ পাঠ্যপুথি 'অংকুৰণ'ৰ দশম পাঠ 'তিনিটা মাছৰ কাহিনী'টো নীতশিক্ষা প্ৰদান কৰিব বিচৰা হৈছে। কাহিনী মতে এখন বিলত অনাগতবিধাতা, প্ৰত্যুৎপন্নমতি আৰু যদভৱিষ্য নামৰ তিনিটা মাছে বাস কৰিছিল। এদিনাখন কেইজনমান মাছমৰীয়া বিললৈ আহি পৰৱৰ্তী দিনা মাছ ধৰাৰ কথা আলোচনা কৰিলে। এই কথা শুনি অনাগতবিধাতাই প্ৰত্যুৎপন্নমতি আৰু যদভৱিষ্যৰ লগত আলোচনা কৰিলে আন ঠাইলৈ যোৱাৰ কথা ক'লে। অনাগতবিধাতাৰ কথাত প্ৰত্যুৎপন্নমতিয়ে হয়ভৰ দিলে কিন্তু যদভৱিষ্য অমান্তি হ'ল। বহু আলোচনাৰ অন্তত যদভৱিষ্যক



এৰি বাকী দুটা মাছ আন ঠাইলৈ গুচি গ'ল। পৰৱৰ্তী দিনা যদভৱিষ্য মাছমৰীয়াৰ জালত পৰিল। ইয়াৰ পৰা ছাত্ৰ-ছাত্ৰীসকলে যি শিক্ষা লাভ কৰিব সেয়া নীতিশিক্ষাৰ বাহিৰে আন একো নহয়।

সপ্তম শ্ৰেণীৰ অসমীয়া ভাষাৰ পাঠ্যপুথি 'অংকুৰন'ত 'নোকোৱাৰ পৰিণাম' নামৰ এখন সৰু নাটিকা আছে। পাঠ ষষ্ঠ। কণ্যা কালত দেখা দিয়া সমস্যাকলৈ নাটকখন ৰচনা কৰা হৈছে। এই সমস্যাসমূহ উপযুক্ত চিকিৎসকৰ লগত আলোচনা নকৰি লুকাই থলে যে বিপদ অনিবাৰ্য সেই কথা নাটকখনত বুজাব বিচৰা হৈছে।

ইয়াৰ উপৰিও ইংৰাজী বিষয়তো এনে বহু পাঠ আছে তাৰে কেইটামান তলত উল্লেখ কৰা হ'লঃ

চতুৰ্থ শ্ৰেণীৰ Beginners' English-IVৰ The Hidden Treasure পাঠটোত এজন খেতিয়কৰ দুজন এলেহুৱা ল'ৰাৰ বিষয়ে আছে। এদিনাখন দেউতাকে তেওঁলোকক পথাৰলৈ নি তাত গুপ্ত ধন আছে বুলি ক'লে। দেউতাকৰ কথা শুনি ল'ৰা দুজনে পথাৰখন খান্দিলে। তাত কোনো গুপ্ত ধন নাপায় তেওঁলোকে ধান সিঁচে। পথাৰত তেতিয়া ধান পকে, পকা ধানলৈ দেখুৱাই দেউতাকে সেয়াই গুপ্ত ধন বুলি কোৱাত, ল'ৰা দুজনে কষ্ট নকৰিলে ফল পোৱা নাযায় বুলি বুজি পালে। এই মে কৰ্ম বিমুখ ল'ৰাদুজনে কষ্ট নকৰিলে একো পোৱা নাযায় বুলি অনুধাৱন কৰিলে ইয়াকতৈ ডাঙৰ নীতিশিক্ষা আৰু কি হ'ব পাৰে।

পঞ্চম শ্ৰেণীৰ Beginners' English-Vৰ The Joy of Helping পাঠত ভূমিকম্পত ক্ষতিগ্ৰস্ত লোকক সহায় কৰাৰ বাবে প্ৰধান শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক উদ্ধুদ্ধ কৰা আৰু অষ্টম শ্ৰেণীৰ Sunbeam English Reader-IIIৰ The Prince of Panidihing নামৰ পাঠটোত বানপীড়িত ৰাইজক খগেন আৰু তেওঁৰ বন্ধুবৰ্গই উদ্ধাৰ কৰাৰ কাহিনী আছে। ইয়াৰ জৰিয়তে বিপদগ্ৰস্ত লোকক সহাযৰ বাবে ছাত্ৰ-ছাত্ৰসকলক উৎসাহ যোগাব বিচৰা হৈছে। যি নিশ্চিতভাৱে নীতশিক্ষা।

ওপৰত উল্লেখ কৰা পাঠ কেইটা হ'ল কেইটামান উদাহৰণ। ইয়াৰ উপৰিও আৰু বহুতো পাঠ আছে য'ত নীতিশিক্ষা প্ৰদান কৰা হৈছে। এই ক্ষেত্ৰত আমি এটাও কবিতা উল্লেখ কৰা নাই। পাঠ্যপুথত থকা কবিতাসমূহৰ বেছিভাগতে দেশপ্ৰেম আৰু প্ৰকৃতি প্ৰেমৰ ভাব প্ৰকাশ পোৱা যায়। দেশপ্ৰেম আৰু প্ৰকৃতি প্ৰেমৰ জৰিয়তে এক প্ৰকাৰ নীতিশিক্ষাই প্ৰকাশ কৰা হৈছে এই কবিতাসমূহত।

আমি আগতে উল্লেখ কৰিছোঁ যে পাঠ্যপুথিসমূহ পাঠ্যক্ৰমৰ এটা অংশহে। ইয়াৰ উপৰিও বিভিন্ন 'বিদ্যালয় কেন্দ্ৰিক ক্ৰিয়াকলাপ' পাঠ্যক্ৰমৰ এটি অবিচ্ছেদ্য অংগ। এই ক্ৰিয়াকলাপৰ ভিতৰত প্ৰাত-সভা, বিভিন্ন উৎসৱ উদযাপন আৰু খেল-ধেমালি আদি অন্তৰ্ভুক্ত। নীতিশিক্ষা প্ৰদানৰ ক্ষেত্ৰত প্ৰাত-সভাই বিশেষ ভূমিকা পালন কৰা দেখা যায়। প্ৰাত-সভাৰ এটা গুৰুত্বপূৰ্ণ অংশ হৈছে প্ৰাৰ্থনা। প্ৰাৰ্থনাৰ কথাটো আমি এৰাই চলিলেও এই সভাত ছাত্ৰ-ছাত্ৰীসকলে গান্ধীজীৰ একাদশ ব্ৰত, অহিংসা, সত্য, আস্তেয়, ব্ৰহ্মচৰ্য, অসংগ্ৰহ, শৰীৰ শ্ৰম, অস্বাদ, সৰ্বত্ৰ ভয় বৰ্জন, সৰ্ব ধৰ্ম সমানত্য, স্বদেশী, স্পৰ্শ ভাৱনা গ্ৰহণ কৰা দেখা যায়। ইয়াৰ উপৰিও 'এইখন আমাৰ বিদ্যালয়, বিদ্যালয়খন আমাৰ আপোন, আমি সদায় বিদ্যালয়লৈ আহিম, বিদ্যালয়, ঘৰ-দুৱাৰ পৰিষ্কাৰকৈ ৰাখিম, পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়িত্ৰী আৰু জ্যেষ্ঠসকলক শ্ৰদ্ধা জনাম, আমি ছাত্ৰ-ছাত্ৰীসকল দেশৰ ভৱিষ্যৎ নাগৰিক, আমি দেশৰ সন্মান অটুট ৰাখিবলৈ চেষ্টা পথত অগ্ৰসৰ হ'ম', সংকল্প গ্ৰহণ কৰে। ইয়াৰ লগতে প্ৰাত-সভাত ছাত্ৰ-ছাত্ৰীসকলে মহৎ লোকৰ বাণী শুনাই। যিবোৰৰ পৰা বহু নৈতিক জ্ঞান আহৰণ কৰিব পাৰি। তাৰ পিছতো যদি কোনো ব্যক্তিয়ে এতিয়া বিদ্যালয় পাঠ্যক্ৰমত নীতিশিক্ষা নাই বুলি কয় সেই কথা মানি ল'ব পৰা যায়নে? সেই বিচাৰৰ ভাৰ পাঠকসকলৰ।

আমাৰ বিদ্যালয়সমূহত বৰ্তমান যি পাঠ্যক্ৰম প্ৰচলিত আছে সেই পাঠ্যক্ৰম National Curriculum Framework (NCF) 2005 অনুসৰি প্ৰস্তুত কৰা। এনে চি এফ ২০০৫ ত মানৱ অধিকাৰ, ন্যায়, সহিষ্ণুতা, সহযোগিতা, সামাজিক দ্বয়িত্ববোধ, অহিংসা, সাংস্কৃতিক বৈচিত্ৰ্যৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা আদি মূল্যবোধৰ শিক্ষা প্ৰদান কৰাত গুৰুত্ব আৰোপ কৰিছে। আমাৰ পাঠ্যক্ৰমসমূহত এই বিষয় বোৰ অন্তৰ্ভুক্ত হৈছে। ইফালে ২০২০ চনৰ নতুন শিক্ষা নীতিতো সেৱা, স্বচ্ছতা, সত্য, শান্তি, ত্যাগ, সহিষ্ণুতা, বৈচিত্ৰ্য, বহুত্ববাদ আদি বিষয়সমূহ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ কথা কৈছে। ওপৰত উল্লেখ কৰা পাঠসমূহৰ লগতে প্ৰাতঃ-সভাৰ জৰিয়তে এই বিষয়ে শিক্ষা প্ৰদান কৰা হৈছে। গতিকে আমাৰ পাঠ্যক্ৰমত নীতিশিক্ষা নাই বোলা কথাটো আমাৰ ধৰণাহে। চৰিত্ৰ-পাঠ নামৰ পুথিখন উঠাই দিয়াৰ পৰা এই ধাৰণা সৃষ্টি হৈছে। বাস্তৱিকতে এই ধাৰণা সঁচা নহয়। কিয়নো আমাৰ প্ৰচলিত পাঠ্যক্ৰমত নীতিশিক্ষামূলক বহু পাঠ আৰু ক্ৰিয়াকলাপ অন্তৰ্ভুক্ত হৈ আছে।

# ডিজিটেল যুগত পুথিপাঠ

## সাঁচিপাতৰ পৃষ্ঠাৰ পৰা স্ক্ৰীণলৈ

**ললিত নাথ**

অসমীয়া সমাজত পুথিপাঠৰ পৰম্পৰা মধ্যযুগৰ পৰাই এক গুৰুত্বপূৰ্ণ সাংস্কৃতিক আৰু সামাজিক অনুষ্ঠান হিচাপে চলি আহিছে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ কীৰ্ত্তন ঘোষা, গুণমালা, দশম, ভাগৱত, ৰামায়ণ, কাব্য, ভক্তিতত্ত্ব প্ৰকাশক গ্ৰন্থ আৰু মহাপুৰুষ মাধৱদেৱৰ নাম-ঘোষা, ভক্তি-ৰত্নাৱলী, নাম-মালিকা, আদিকাণ্ড ৰামায়ণ আদিৰ পঠনৰ জৰিয়তে সাধাৰণ লোকৰ মাজত ধৰ্মীয় মূল্যবোধ আৰু নৈতিক শিক্ষাৰ প্ৰসাৰ ঘটিছে। এই পুথিসমূহে লোকসকলক ধৰ্মীয় আৰু সামাজিক বিষয়ৰ ওপৰত শিক্ষা দিয়াৰ লগতে জীৱনৰ আদৰ্শ গঢ় দিছে। অসমীয়া ভাষাৰ বিকাশত পুথিপাঠৰ ভূমিকা অপৰিহাৰ্য। এই পৰম্পৰাই অসমীয়া ভাষাক জনপ্ৰিয় কৰি সাংস্কৃতিক গুৰুত্ব বৃদ্ধি কৰিছে।

পুথিপাঠে সমাজৰ বিভিন্ন অঞ্চলৰ লোকৰ মাজত ঐক্য স্থাপনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। নামঘৰ বা গৃহত পুথিপাঠৰ আয়োজনত বিভিন্ন শ্ৰেণীৰ লোক একত্ৰিত হয়, যাৰ ফলত সামাজিক সংহতি আৰু পাৰস্পৰিক বুজাপৰা বৃদ্ধি পায়। ইয়াৰ উপৰি, পুথিপাঠৰ জৰিয়তে অসমীয়া সংস্কৃতিৰ সংৰক্ষণ সম্ভৱ হৈছে। পুথিসমূহত সন্নিৱিষ্ট কাহিনী, লোকবিশ্বাস আৰু সাংস্কৃতিক মূল্যবোধে অসমীয়া সমাজৰ ঐতিহ্যক জীয়াই ৰাখিছে। লোকনৃত্য, লোকগীত আৰু ভাওনাৰ দৰে অন্যান্য সাংস্কৃতিক উপাদানৰ সৈতে পুথিপাঠে অসমীয়া সমাজৰ সাংস্কৃতিক পৰিচয়ক শক্তিশালী কৰি প্ৰজন্মৰ পৰা প্ৰজন্মলৈ ঐতিহ্যৰ সংৰক্ষণত সহায় কৰিছে।

১৯শ শতিকাৰ প্ৰথম ভাগত অসমত মুদ্ৰণযন্ত্ৰৰ আগমনৰ ফলত পুথিপাঠৰ জগতত এক নতুন যুগৰ সূচনা হৈছিল। মিছনেৰীসকলৰ প্ৰচেষ্টাত শিৱসাগৰত প্ৰতিষ্ঠিত ছপাশালৰ জৰিয়তে অসমীয়া ভাষাত গ্ৰন্থ মুদ্ৰণৰ কাম আৰম্ভ হৈছিল। ১৮৪৬ খৃষ্টাব্দত নাথান ব্ৰাউনৰ অৰুণোদই আলোচনীৰ প্ৰকাশৰ পৰা অসমীয়া সাহিত্যৰ মুদ্ৰিত ৰূপৰ যাত্ৰা আৰম্ভ হৈছিল। এই যুগত কীৰ্ত্তন ঘোষা, নাম-ঘোষা আৰু ভাগৱতৰ দৰে পুথিৰ মুদ্ৰিত সংস্কৰণ প্ৰকাশ হৈছিল, যাৰ ফলত এই পুথিসমূহ গ্ৰাম্য অঞ্চলৰ সাধাৰণ জনতাৰ বাবে সহজলভ্য হৈ পৰিছিল। উদাহৰণস্বৰূপে, ১৮৫০ৰ দশকত কীৰ্ত্তন ঘোষাৰ মুদ্ৰিত সংস্কৰণৰ জনপ্ৰিয়তাই নামঘৰৰ পুথিপাঠৰ পৰিসৰ বৃদ্ধি কৰিছিল। মুদ্ৰণযন্ত্ৰই পুথিৰ মাধ্যমেৰে জ্ঞানৰ বিস্তাৰত বিপ্লৱ আনিছিল। মুদ্ৰণযুগে পুথিপাঠক ধৰ্মীয় ক্ষেত্ৰৰ পৰা শৈক্ষিক আৰু সাহিত্যিক ক্ষেত্ৰলৈ প্ৰসাৰিত কৰিছিল। অসমীয়া সাহিত্যৰ নতুন ধাৰা, যেনে উপন্যাস, কবিতা আৰু প্ৰবন্ধৰ জন্ম হৈছিল। তথাপিও, পৰম্পৰাগত পুথিপাঠৰ সামাজিক আৰু আধ্যাত্মিক গুৰুত্ব অক্ষুণ্ণ আছিল। মুদ্ৰিত পুথিৰ সহজলভ্যতাই নামঘৰত পঠনৰ সময়ত অধিক লোকৰ অংশগ্ৰহণ সম্ভৱ কৰিছিল, যাৰ ফলত সাংস্কৃতিক আৰু ধৰ্মীয় জ্ঞানৰ বিস্তাৰ ঘটিছিল।

কিন্তু, এই সুবিধাৰ মাজতো সাঁচিপতীয়া পুথিৰ হাতেৰে লিখা শিল্পকলা আৰু অনন্য সৌন্দৰ্য কিছু হেৰাই গ'ল, যিটো মুদ্ৰণ প্ৰযুক্তিয়ে পূৰণ কৰিব নোৱাৰিলে।

ডিজিটেল যুগৰ আগমনে পুথিপাঠৰ পৰম্পৰা আৰু নামঘৰৰ সাংস্কৃতিক ঐতিহ্যৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছে। ইণ্টাৰনেট, স্মাৰ্টফোন আৰু ই-বুকৰ দ্ৰুত প্ৰচাৰে তথ্যৰ সহজলভ্যতা বৃদ্ধি কৰিছে। কিন্তু, পৰম্পৰাগত পুথিপাঠৰ পৃষ্ঠাৰ স্পৰ্শ আৰু ভক্তিময় পৰিৱেশৰ আধ্যাত্মিক গুৰুত্ব ডিজিটেল স্ক্ৰীণত প্ৰতিফলিত হোৱাটো কঠিন। নামঘৰত পুথিপাঠৰ সময়ত পালন কৰা লোকাচাৰ, যেনে ব্ৰত পালন কৰি চাকি-বন্তি জ্বলাই, ধূপ-ধুনাৰ সুগন্ধি পৰিৱেশত নৈৱেদ্য আগবঢ়াই কৰা সমূহীয়া পুথি পাঠে এক স্বকীয় সাংস্কৃতিক তথা ধৰ্মীয় মূল্যবোধৰ প্ৰকাশ ঘটায়। কিন্তু ডিজিটেল যুগত নতুন প্ৰজন্মই এই পৰম্পৰা কেনেকৈ অক্ষুণ্ণ ৰাখিব, সেয়া এক গুৰুত্বপূৰ্ণ প্ৰশ্ন। তথাপি, ডিজিটেল যুগে পুথিপঢ়াৰ পৰম্পৰা নিঃশেষ কৰিব নোৱাৰে। বৰং, ই পৃষ্ঠাৰ পৰা স্ক্ৰীণলৈ যাত্ৰাত নতুন সম্ভাৱনাৰ দুৱাৰহে মুকলি কৰিছে। অসমত কীৰ্ত্তন ঘোষা, নাম-ঘোষাৰ দৰে পুথিৰ ডিজিটেল সংস্কৰণ 'ডিজিটেল লাইব্ৰেৰী অৱ ইণ্ডিয়া', ৱেবছাইট তথা মোবাইল এপত উপলব্ধ হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰে শৈক্ষিক কেন্দ্ৰৰ প্ৰচেষ্টাত পুথিসমূহৰ ডিজিটেল আৰ্কাইভ তৈয়াৰ হৈছে, যাৰ ফলত নতুন প্ৰজন্মৰ মাজত এই ঐতিহ্যৰ প্ৰতি আগ্ৰহ জন্মিছে। সামাজিক মাধ্যমত পুথিপাঠৰ ভিডিঅ' আৰু অডিঅ' শ্বেয়াৰ কৰি জনপ্ৰিয় কৰাৰ প্ৰচেষ্টা চলি আছে। উদাহৰণস্বৰূপে, ইউটিউবত নাম-ঘোষাৰ পঠনৰ ভিডিঅ'ই তৰুণ প্ৰজন্মৰ মাজত জনপ্ৰিয়তা লাভ কৰিছে।




ডিজিটেল স্ক্ৰীণে ভাষাৰ সীমা অতিক্ৰম কৰি অসমীয়া পুথিসমূহক বিশ্বৰ পাঠকৰ মাজলৈ লৈ যোৱাৰ সুযোগ প্ৰদান কৰিছে। কীৰ্ত্তন ঘোষাৰ ইংৰাজী অনুবাদৰ দৰে উদ্যোগৰ জৰিয়তে অসমীয়া সংস্কৃতিৰ বিশ্বায়ন সম্ভৱ হৈছে। কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে পুথিৰ পাঠৰ স্বয়ংক্ৰিয় অনুবাদ আৰু ভাৰ্চুৱেল ৰিয়েলিটিৰ মাধ্যমত নামঘৰৰ পৰিৱেশৰ ডিজিটেল পুনৰ্নিৰ্মাণৰ দৰে নতুন প্ৰযুক্তিয়ে এই ঐতিহ্যক আৰু সমৃদ্ধ কৰিব। মুদ্ৰণ যুগৰ দৰেই, ডিজিটেল যুগেও পুথিৰ প্ৰচাৰৰ নতুন মাত্ৰা যোগ কৰিছে।

ডিজিটেল যুগৰ সুবিধাৰ লগতে কিছু প্ৰত্যাহ্বানো আছে। গ্ৰাম্য অঞ্চলত ইণ্টাৰনেটৰ সুবিধা সীমিত আৰু নতুন প্ৰজন্মৰ মাজত পৰম্পৰাগত পুথিৰ পৃষ্ঠাৰ প্ৰতি আগ্ৰহ কম। আধুনিক জীৱনশৈলীৰ দ্ৰুত গতি, পাশ্চাত্য সংস্কৃতিৰ প্ৰভাৱ আৰু শিক্ষা ব্যৱস্থাত অসমীয়া সাহিত্যৰ প্ৰতি অৱহেলাই এই আগ্ৰহ হ্ৰাসৰ অন্যতম কাৰণ। ইয়াৰ উপৰি, ডিজিটেল আৰ্কাইভত পুথিৰ মূল পাঠৰ সঠিকতা বজাই ৰখা আৰু ভুল তথ্যৰ প্ৰচাৰ ৰোধ কৰাও এক প্ৰত্যাহ্বান। শিক্ষা ব্যৱস্থাত পঢ়াশুনাৰ বাবে পুথিৰ গুৰুত্ব বহুত। ডিজিটেল প্লেটফৰ্মত পুথিসমূহক আকৰ্ষণীয় কৰি উপস্থাপন কৰিলে এই সমস্যাৰ সমাধান সম্ভৱ।

নামঘৰত পুথিপাঠৰ সময়ত ডিজিটেল প্ৰজে”ৰৰ জৰিয়তে পাঠৰ ব্যাখ্যা প্ৰদৰ্শন কৰিলে পৰম্পৰা আৰু আধুনিকতাৰ সংযোগ স্থাপন হ'ব।

সাঁচিপতীয়া পুথিৰ পৃষ্ঠাৰ পৰা আৰম্ভ হোৱা পুথিপাঠৰ যাত্ৰা মুদ্ৰণ যুগ পাৰ হৈ আজি ডিজিটেল স্ক্ৰীণত আহি উপস্থিত হৈছে। এই যাত্ৰা কেৱল মাধ্যমৰ পৰিৱৰ্তন নহয়, ই অসমীয়া সমাজৰ ধৰ্ম, সাহিত্য, সংস্কৃতি আৰু সামাজিক সংহতিক গঢ়ি তুলিবলৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

ডিজিটেল যুগে পুথিপাঠৰ পৰম্পৰাক নতুন ৰূপত বিশ্বজনীন কৰি তুলিছে। সামাজিক সহযোগিতা আৰু প্ৰযুক্তিসন্মত চিন্তাধাৰাৰ জৰিয়তে অসমীয়া সমাজে পুথিপাঠৰ পৰম্পৰাক জীৱন্ত কৰি ৰাখি নিজৰ সাংস্কৃতিক ঐতিহ্যক ভৱিষ্যৎ প্ৰজন্মৰ হাতত সফলতাৰে তুলি দিব লাগিব।

# মূল্যবৃদ্ধি গ্ৰাহক সমাজৰ জ্বলন্ত সমস্যা

**চিন্ময় অনুৰাগ নাথ**

বৰ্তমানৰ সমাজ ব্যৱস্থাত মূল্য বৃদ্ধি হৈছে এক গভীৰ আৰু জ্বলন্ত সমস্যা। নিত্যপ্ৰয়োজনীয় সামগ্ৰীৰ মূল্য দিনক দিনে বৃদ্ধি পোৱা পৰিস্থিতিয়ে সাধাৰণ গ্ৰাহক সমাজক বিপদত পেলাইছে। চাউল, দালিৰ পৰা আৰম্ভ কৰি ঔষধ, শিক্ষা সামগ্ৰী আদিসকলোৰে মূল্য বা দাম যি গতিত বৃদ্ধি পাইছে, সেইটো মধ্যবিত্ত আৰু নিম্নবিত্ত পৰিয়ালৰ বাবে প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে। এই মূল্য বৃদ্ধিয়ে কেৱল বজাৰ ব্যৱস্থাৰ সমস্যা নহয়, ই সমাজৰ আৰ্থ-সামাজিক গঠনকো গভীৰভাৱে প্ৰভাৱিত কৰিছে।

মূল্যবৃদ্ধিৰ কাৰণ কেইবাটাও আছে। প্ৰথমতে, চাহিদা আৰু যোগানৰ অমিল। কোনো এটা সামগ্ৰীৰ প্ৰতি চাহিদা অধিক হ'লেও যদি যোগান সঠিকভাৱে নোহোৱা হয়, তেতিয়া সেই সামগ্ৰীৰ মূল্য স্বাভাৱিকতে বৃদ্ধি পায়। দ্বিতীয়তে, ইন্ধনৰ মূল্য বৃদ্ধি। পেট্ৰল, ডিজেল, এল.পি.জি. আদি ইন্ধনৰ দাম যেতিয়া বৃদ্ধি পায়, তেতিয়া সকলো ধৰণৰ পৰিবহণ খৰচ বাঢ়ে, আৰু তাৰ ফলত সকলো সামগ্ৰীৰ খুচৰাৰ মূল্য বৃদ্ধি পায়। তৃতীয়তে, মধ্যসত্বভোগী আৰু অসাধু ব্যৱসায়ীৰ কাৰ্যকলাপ। বহু সময়ত কিছু অসাধু ব্যৱসায়ীয়ে অধিক লাভৰ আশাত সামগ্ৰী মজুত কৰি কৃত্ৰিম সংকট সৃষ্টি কৰে, যাৰ ফলত দাম অস্বাভাৱিকভাৱে বৃদ্ধি পায়। চতুৰ্থতে, আন্তঃৰাষ্ট্ৰীয় পৰিস্থিতি। বৈদেশিক বজাৰত হোৱা উঠা-নমা, যুদ্ধ-সংঘাত, কেঁচামালৰ অভাৱ আদি ঘটনাই দেশীয় বজাৰতো ব্যাপক প্ৰভাৱ পেলায়। পঞ্চমতে, বজাৰত মুদ্ৰাৰ পৰিমাণ বৃদ্ধি পোৱা। যাৰ ফলত মুদ্ৰাৰ মূল্য হ্ৰাস পায় আৰু সামগ্ৰীৰ মূল্য বৃদ্ধি পায়।

মূল্যবৃদ্ধিৰ প্ৰভাৱ গ্ৰাহক সমাজত বহুমুখীভাৱে পৰে; ফলত সাধাৰণ মানুহৰ জীৱন যাত্ৰা কঠিন হৈ পৰে। আগৰ দিনত যি টকাৰে এটা পৰিয়ালৰ সৰল জীৱন চলিছিল, আজিৰ দিনত সেই খৰচে জীয়াই থাকিবই টান। শিক্ষাৰ ক্ষেত্ৰত ব্যয় বাঢ়ি যোৱাৰ ফলত বহু দৰিদ্ৰ পৰিয়ালৰ শিশুসকলে বিদ্যালয় এৰি দিবলৈ বাধ্য হয়। স্বাস্থ্যখণ্ডতো প্ৰভাৱ পৰে— ঔষধ আৰু চিকিৎসাৰ ব্যয় বৃদ্ধিৰ ফলত ৰোগীসকলে সময়মতে চিকিৎসা গ্ৰহণ কৰিব নোৱাৰে। ফলস্বৰূপে, বহু সময়ত মৃত্যু বোধক লৈ আহে। অৱসৰত থকা বৃদ্ধ-বৃদ্ধা, যাৰ আয় সীমিত, তেওঁলোকৰ বাবে এই মূল্য বৃদ্ধি প্ৰাণঘাতী হৈ পৰে। কিছুমানক্ষেত্ৰত মূল্য বৃদ্ধিয়ে সমাজত অপৰাধ বৃদ্ধিৰো কাৰণ হয়। চাকৰি বিচাৰি ব্যৰ্থ হোৱা, জীৱনযাত্ৰা বজাই ৰখাত অক্ষম ব্যক্তিয়ে অসৎ পথ গ্ৰহণ কৰে। এই সমস্যাৰ সমাধানৰ বাবে সকলোৱে একত্ৰিত হৈ কাম কৰাৰ প্ৰয়োজন। চৰকাৰে খাদ্য, ইন্ধন, গেছ আদি অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য নিৰীক্ষণ আৰু নিয়ন্ত্ৰণ কৰিব লাগিব। অসাধু ব্যৱসায়ীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা উচিত। লগতে, প্ৰতিটো দিনৰ মূল্য তালিকা নিয়মিতভাৱে প্ৰকাশ কৰাৰ ব্যৱস্থা থাকিলে গ্ৰাহকে সঠিক মূল্য জানিব পাৰিব। বিকল্পভাৱে, স্থানীয় উৎপাদন আৰু খেতিপথাৰৰ সামগ্ৰীৰ বজাৰ বিস্তাৰ কৰিলে বাহ্যিক ওপৰত নিৰ্ভৰতা হ্ৰাস পাব। ইয়াৰ উপৰিও, গ্ৰাহক সমাজেও সচেতন হ'ব লাগিব। নকল সামগ্ৰী, অধিক মূল্য দিয়া, লাভালাভ চাব নোখোজা স্বভাৱ পৰিত্যাগ কৰি, দামৰ তুলনা কৰি খৰচ কৰাৰ অভ্যাস গঢ়িব লাগিব। অনলাইন বিক্ৰয় আৰু ডিজিটেল পেমেণ্ট ব্যৱস্থা ব্যৱহাৰৰ জৰিয়তে অধিক স্বচ্ছতা আনি গ্ৰাহকে উপকৃত হব পাৰে।

মূল্যবৃদ্ধি যেন এক নিঃশব্দ সংকট, যিয়ে সমাজৰ ভিতৰত নীতি-নৈতিকতা, মানবতা আৰু ভৱিষ্যৎ নিৰ্মাণৰ পথত বাধা সৃষ্টি কৰি আছে। এই সংকটৰ সমাধানৰ বাবে কেৱল চৰকাৰ নহয়, সমগ্ৰ সমাজ, বিশেষকৈ গ্ৰাহক সমাজে সচেতনতা, দায়িত্বশীলতা আৰু সক্ৰিয় ভূমিকা পালন কৰাটো অত্যন্ত প্ৰয়োজন।

মাণিকপুৰ, বঙাইগাঁও

# ৰাষ্ট্ৰীয় ৰেডিঅ' সম্প্ৰচাৰ দিৱস

**ৰাহুল দেৱ বৰদলৈ**

২৩ জুলাইত সমগ্ৰ দেশতে ৰাষ্ট্ৰীয় ৰেডিঅ' সম্প্ৰচাৰ দিৱস পালন কৰা হয়। ৰাষ্ট্ৰীয় সম্প্ৰচাৰ দিৱস উদযাপনৰ মূল উদ্দেশ্য হ'ল এই দিৱস ভাৰতত প্ৰথম ৰেডিঅ সম্প্ৰচাৰৰ আৰম্ভণিৰ স্মৰণ কৰা আৰু ৰেডিঅ'ৰ জনপ্ৰীয়তা বৃদ্ধিত অৰিহনা যোগোৱা। ৰেডিঅ' হ'ল শিক্ষা, স্বাস্থ্যকে ধৰি বিভিন্ন দেশ বিদেশৰ সঠিক তথ্য যোগান আৰু মনোৰঞ্জনৰ অন্যতম প্ৰচাৰ মাধ্যম । এটা সময় আছিল তথ্য প্ৰচাৰ আৰু বা-বাতৰি যোগানৰ একমাত্ৰ নিৰ্ভৰযোগ্য মাধ্যম আছিল ৰেডিঅ' । আমাৰ ভাৰতত যাক অল ইণ্ডিয়া ৰেডিঅ হিচাপে জনা যায় এই ৰেডিঅ'ৰ প্ৰথম সম্প্ৰচাৰ দিনটো আছিল ২৩ জুলাই। ইয়াৰ উপৰিও প্ৰতি বছৰে ১৩ ফেব্ৰুৱাৰী দিনটো বিশ্ব ৰেডিঅ দিৱস হিচাপে পালন কৰা হয়, যিটো ৰেডিঅ'ৰ গুৰুত্ব আৰু প্ৰভাৱৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে পালন কৰা হয়।

ৰেডিঅ' সম্প্ৰচাৰ দিৱসৰ ইতিহাস অনুসৰি ১৯২৭ চনৰ ২৩ জুলাইত ভাৰতত প্ৰথমবাৰৰ বাবে ৰেডিঅ' সম্প্ৰচাৰ আৰম্ভ হৈছিল, সেয়েহে এই দিনটো ৰাষ্ট্ৰীয় সম্প্ৰচাৰ দিৱস হিচাপে পালন কৰা হয়। এই দিৱসৰ জৰিয়তে ৰেডিঅৰ গুৰুত্ব আৰু ইয়াৰ জনপ্ৰিয়তাৰ বিষয়ে জনসাধাৰণক সজাগ কৰা হয়। এই কথাটো স্বীকাৰ কৰো যে বৰ্তমান আধুনীক প্ৰযুক্তিৰ দ্ৰুত উত্তৰণৰ সময়ত মানুহৰ চিন্তা-চৰ্চাৰো উন্নতি ঘটাৰ সমান্তৰাল ভাৱে বিভিন্ন প্ৰযুক্তিৰ উন্নতি যেনে দূৰদৰ্শন, টেলিফ'ন, মবাইল, লেপটপ, ইণ্টাৰনেট আৰু বৰ্তমান সময়ত ইলে”নিক প্ৰচাৰ মাধ্যমে সমগ্ৰ বিশ্ব ব্ৰহ্মাণ্ডখন তেনেই ক্ষুদ্ৰ অৱস্থালৈ আনিছে যদিও, ছবিহীন ৰেডিঅ'ৰ জনপ্ৰিয়তা কিন্তু কমা নাই বুলি আমাৰ বিশ্বাস। আন এটা কথা বিশ্বাযোগ্যতাৰে কব পাৰো যে বিভিন্ন আধুনিকেই হওক কিম্বা অত্যাধুনিকেই হওক আটাইবোৰ প্ৰচাৰ মাধ্যমৰ তুলনাত ৰেডিঅ'ক নিৰ্ভৰযোগ্য বাৰ্তা বাহক




বুলিব পাৰি। ৰেডিঅ'ই শিশুৰ পৰা ছাত্ৰ-ছাত্ৰী সকলৰ নিৰ্ভৰযোগ্য শৈক্ষিক তথ্য, দেশ বিদেশৰ বা-বাতৰি, আঞ্চলিক সমস্যা-ঘটনা-পৰিঘটনা, স্বাস্থ্য বাৰ্তা, গীত-নাট-সাহিত্য আদি মনোৰঞ্জনৰ অনুষ্ঠান সম্প্ৰচাৰ কৰি একেবাৰে ইণ্টাৰনেটে ঢুকি নোপোৱা দুৰ্গম ঠাইলৈ বাৰ্তা কঢ়িয়াই নিয়ে। সঁচা অৰ্থত কণ কণ শিশু, ডেকা-ডেকেৰী, বয়োজেষ্ঠ, বুঢ়া-মেঠা সকলোৱে সমভাৱে ৰেডিঅ'ৰ সকলো অনুষ্ঠান উপভোগ কৰিব পাৰে। আজি কালি প্ৰযুক্তিৰ উত্তৰণৰ লগে লগে ৰেডিঅ'ৰ কেন্দ্ৰ সমূহো প্ৰযুক্তিগত উত্তৰণ ঘটাই এফ এম কেন্দ্ৰ সমূহৰ জৰিয়তে আৰু ম'বাইল এফৰ জৰিয়তে বিশ্বৰ সকলো ঠাইতে সকলোৱে একে সময়তে অনুষ্ঠান উপভোগ কৰিব পৰা ব্যৱস্থাই তাহানিৰ ৰেডিঅ'ক অধিক জনমুখি কৰি তুলিছে।

এই লেখাত এই কথাখিনিও জনোৱা ভাল হব যে ১৯২৭ চনৰ ২৩ জুলাই দিনটোতে ভাৰতীয় সম্প্ৰচাৰ কোম্পেনীয়ে বোম্বাই কেন্দ্ৰৰ পৰা প্ৰথম সৰ্বভাৰতীয় অনাঁতাৰ সম্প্ৰচাৰ আৰম্ভ কৰিছিল। সেই সময়ত বোম্বাই অনাঁতাৰ কেন্দ্ৰক "ইণ্ডিয়ান ব্ৰডকাষ্টিং কোম্পানী লিমিটেড" বুলি জনা গৈছিল। ১৯৩০ চনলৈকে ই ব্যক্তিগত প্ৰতিষ্ঠান হিচাপে সেৱা আগবঢ়াই গৈছিল । ১৯৩০ চনত এই কোম্পানীটো চৰকাৰে অধিগ্ৰহণ কৰে আৰু নাম সলনি কৰি "ইণ্ডিয়ান ষ্টেট ব্ৰডকাষ্টিং চাৰ্ভিচ" নামাকৰণ কৰে। পিছলৈ ইয়াৰ নামেই "অল ইণ্ডিয়া ৰেডিঅ" (AIR)হয় আৰু এতিয়া "আকাশবাণী" নামেৰে পৰিচিত। বৰ্তমান সময়ত আকাশবানী মানুহৰ অন্তৰে অন্তৰে হৃদয়ৰ ভাষা হৈ উঠিছে। অকাশবাণীক আৰু অধিক জনতাৰ মাজলৈ লৈ যোৱাৰ প্ৰয়োজনত ৰাষ্ট্ৰীয় ৰেডিঅ' সম্প্ৰচাৰ দিৱস ২৩ জুলাই দিনটো উদযাপন কৰা হয়।

এক কথাত কবলৈ গ'লে ৰেডিঅ'ই মানুহক একত্ৰিত কৰাত এক শক্তিশালী মাধ্যম হিচাপে কাম কৰে বুলিও ভাবিব পাৰো।

# প্ৰতিভাসম্পন্ন নৱাগত নাট্যকৰ্মী, অভিনেতা, পৰিচালক নিণ্টু ৰায়

সৃষ্টিৰ পথাৰত কৃষ্টিৰ বীজ ৰোপণ কৰা প্ৰতিভাসম্পন্ন নৱাগত নাট্যকৰ্মী, অভিনেতা, পৰিচালক নিণ্টু ৰায়। বঙাইগাঁও জিলাৰ মাণিকপুৰৰ শ্ৰীযুত ৰাজকুমাৰ ৰায় আৰু বীণা ৰায়ৰ একমাত্ৰ সুযোগ্য সন্তান নিণ্টু ৰায়ে সৰুৰে পৰা ঘৰুৱা নাটকীয় পৰিৱেশৰ মাজতে ডাঙৰ-দীঘল হয়। তেওঁৰ দেউতাকেও পেচাগতভাৱে ব্যক্তিগত অসুবিধাৰ বাবে ০৫ বছৰ কাল ভ্ৰাম্যমাণ থিয়েটাৰৰ মঞ্চত অভিনয় কৰি সুদীৰ্ঘকাল যাত্ৰা পাৰ্টীৰ মঞ্চত অভিনয় আৰু নাট পৰিচালনা কৰিছিল। সেই সূত্ৰেই নিণ্টু ৰায়েও স্কুলীয়া জীৱনৰ পৰাই নাটকৰ প্ৰতি আগ্ৰহী হৈ পৰে। ছাত্ৰ অৱস্থাতেই নাট্যকাৰ শচীন দাসৰ “ভোক” নামৰ নাটকত অভিনয় কৰি শ্ৰেষ্ঠ শিশু অভিনেতাৰ পুৰস্কাৰ পাবলৈ সক্ষম হৈছিল। প্ৰতিভাসম্পন্ন নাট্য কৰ্মী, অভিনেতা, পৰিচালক নিণ্টু ৰায়ে কলেজীয়া জীৱনতো বহুকেইখন নাট ৰচনা আৰু পৰিচালনা কৰি ৰাইজৰ পৰা সমাদৰ লাভ কৰিছে। ড° সীতানাথ লহকৰ দেৱৰ তত্ত্বাৱধানত সমাহাৰ নাট্য গোষ্ঠীত অভিনয়ৰ আনুষ্ঠানিক শিক্ষা লাভ কৰা ৰায়ে অসমৰ বিভিন্ন ঠাইত হোৱা অভিনয়ৰ কৰ্মশালা বোৰত প্ৰশিক্ষক ৰূপে পোৱা প্ৰয়াত অভিনেতা আব্দুল মজিদ, নাট্যকাৰ জীতেন শৰ্মা, নাট্যকাৰ নৰেন পাটগিৰী, অভিনেতা পৰিচালক ৰণহাং চৌধুৰী, অভিনেত্ৰী জিলমিল হাজৰিকা, অভিনেতা প্ৰাঞ্জল শইকীয়া, অভিনেতা পৰিচালক হিমাংশু প্ৰসাদ দাসৰ দৰে নাট্যৰ্যিবোৰৰ কৰ্মশালাত অংশগ্ৰহণ কৰি অভিনয়ৰ জ্ঞান আহৰণ কৰিছে। অভিনয়ৰ আনুষ্ঠানিক শিক্ষা সাং কৰি তেওঁ ২০১৪ চনত নিজ জন্মভূমিত অঞ্চলটোৰ কেইজনমান উদীয়মান সংস্কৃতিপ্ৰেমী যুৱক-যুৱতী লগ হৈ “আকাশ গোষ্ঠী” নামেৰে এটি অনুষ্ঠানৰ জন্ম দিয়ে আৰু সঞ্চালকৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰি আহিছে। য'ত প্ৰতি শনি আৰু দেওবাৰে উঠি অহা প্ৰজন্মৰ মাজত নাটক, অভিনয় আৰু থলুৱা কৃষ্টি-সংস্কৃতিৰ চৰ্চা কৰা হয়। উল্লেখনীয় যে ২০১৬ চনত ভাৰত চৰকাৰৰ উদ্যোগত ৰাষ্ট্ৰীয় নাট্য বিদ্যালয় (NSD)ত তিনিমহীয়া বিনামূলীয়া নাট কৰ্মশালাত অংশগ্ৰহণ কৰাৰ সুযোগ পায় আৰু ২০১৭ চনত আগ্ৰাৰ অনুষ্ঠিত “নটৰাঞ্জলী থিয়েটাৰ আৰ্টছ”ৰ উদ্যোগত “তাজ ৰঙ্গ মহোৎসৱ-২০১৭” শিশু না- “বোজা”ৰ বাবে শ্ৰেষ্ঠ নাট্যকাৰ, পৰিচালকৰ হেতু “তাজ মহৰ্ষি-২০১৭” বুটলি অসমলৈ গৌৰৱ কঢ়িয়াই আনে। বিশেষকৈ শিশু নাটকৰ সৈতে জড়িত নিণ্টু ৰায়ে অসমৰ লগতে ভাৰতৰ বিভিন্ন ৰাজ্যত শিশু নাট প্ৰদৰ্শন তথা প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি অপেছাদাৰী নাট্য জগতত এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে। অপেছাদাৰী মঞ্চত তেওঁ অভিনয় কৰা বহুকেইখন নাট ক্ৰমান্বয়ে ৰাণ, হেঁপাহ, উৰুখা, কান্ধত মিলাও কান্ধ, নিচা ফাটি যাব, দীনবন্ধু, ভোক, জুই, স্বৰ্গৰ দুৱাৰ, খিৰিকী, বান্দৰ এক ওভতনি যাত্ৰা, ভোগ, পানী, মহাতীৰ্থ মৰিশালী, মা-কচম আদিত অভিনয় কৰাৰ লগতে “হিয়া” নামৰ চুটি ছবি এখনতো অভিনয় কৰিছে।



ইয়াৰোপৰি তেওঁ বহুকেইখন নাট - নিদাৰুণ, মুখা, হত্যা, বাধা, জালাই-জাখাই (ৰাজবংশী ভাষাৰ) অনহাতে যন্ত্ৰ, বোজা, বোজা ২, দৌৰ, আখৰা, চিলনীৰ জীয়েকৰ সাধু, ব'ল নাটক কৰোঁ, আই লাভ মাই ইণ্ডিয়া, লাচিত বৰফুকন, ছেভ দা আৰ্ট শিশু নাট ৰচনা আৰু পৰিচালনাৰে বৰ্তমানৰ অপেছাদাৰী নাট্য জগতৰ এটি চিনাকি নাম নিণ্টু ৰায়।

চলিত নাট্যবৰ্ষত পোনপ্ৰথমবাৰৰ বাবে যাত্ৰা মঞ্চ সৰভোগৰ ৰহাস্থিত সমন্বয় মিনি থিয়েটাৰত পদাৰ্পণ কৰি অভিজিত ভট্টাচাৰ্যৰ “ৰাধা এবাৰ হাঁহি দেয”নাটখনিত খলনায়কৰ চৰিত্ৰত সাৱলীল মনপৰশা অভিনয়ৰে দৰ্শক শ্ৰোতাৰ মাজত জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে।

অসমীয়াত স্নাতকোত্তৰ ডিগ্ৰীধাৰী পেছাগত ভাৱে জুনিয়ৰ কলেজৰ অধ্যাপক নৱাগত নাট্যকৰ্মী, পৰিচালক, অভিনেতা নিণ্টু ৰায়ৰ এই নাট্য যাত্ৰা অব্যাহত থাকক তাৰেই কামনা কৰিলোঁ।

**বৰ্ণালী পূজাৰী**
**বঙাইগাঁও**

# অসমীয়া কথাছবি ৰুদ্ৰৰ নিৰ্মোহ বিশ্লেষণ

শ্যাম প্ৰডাকচনৰ বেনাৰত নিৰ্মিত অসমীয়া ছবি ৰুদ্ৰ যোৱা ১৭ জুলাই ২০২৫ত যোৰহাটৰ ইলি চিনেমা গৃহত চাবলৈ সুবিধা পালো। আঢ়ৈ ঘণ্টা দৈৰ্ঘ্যৰ এই ছবিখনৰ আৰম্ভণিতে কাহিনীটোত কিছু স্থবিৰতা থকা যেন লাগিছিল যদিও বিৰতিৰ পাছৰ দৃশ্যটোৰ পৰাই ছবিখন দ্ৰুতগতিত আগবাঢ়িছে। বিৰতিৰ পাছৰ অংশত ছবিখনৰ পৰা কোনেও দৃষ্টি আতঁৰাব পৰা নাছিল অৰ্থাত ছবিৰ কাহিনী আৰু গতিশীলতাই দৰ্শকক বান্ধি ৰাখিবলৈ সক্ষম হয় বুলি একে আষাৰতে ক'ব পাৰি। ছবিখনৰ পৰিচালক শ্ৰীযুত ৰূপক গগৈয়ে পৰিচালকৰ দায়িত্ব সুন্দৰকৈ পালন কৰিবলৈ সক্ষম হৈছে। কেৱল ঘটনা সংযোজন কৰি চৰিত্ৰবোৰক জীয়াই ৰখাই নহয়, লঘু মনোৰঞ্জনেৰেও দৰ্শকক মানসিক খোৰাক দি ৰাখিছে, যিটো এটা ইতিবাচক দিশ। ছবিখনৰ কাহিনীও ৰূপক গগৈ দেৱৰে যাৰ বাবে ছবিখনৰ গাম্ভীৰ্য অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে পৰিচালক গৰাকী। মুখ্য অভিনেতাৰ ৰূপত অভিনয় কৰা ৰবি শৰ্মা, আদিল হুছেইন, নন্দিনী কাশ্যপ, অৰ্চিতা আগ্ৰৱালে নিজৰ নিজৰ চৰিত্ৰ সমূহ সুন্দৰ তথা জীৱন্ত ৰূপত ফুটাই তুলিবলৈ সক্ষম হৈছে। আদিল হুছেইন এজন যশস্বী অভিনেতা আৰু তেওঁৰ অভিনয়ও তেনেকুৱাই। অসমীয়া চিনেমা হিচাপে ছবিখনৰ সংগীত, সংলাপ আৰু নৃত্য উন্নত মানৰ হৈছে। অনুভৱ কৰিছো ছবিখন নিশ্চয়কৈ টুডি মাধ্যমত চিত্ৰগ্ৰহণ কৰা হৈছে যিহেতু প্ৰতিটো দৃশ্যই স্পষ্ট আৰু সুন্দৰকৈ ৰূপালী পৰ্দাত ফুটি উঠিছে। যাৰ ফলত ছবিখন চাই থাকোঁতে প্ৰভাৱ চকুত নপৰে। ছবিখনত মাত্ৰ এটাই গীত আছে। যিটো গীত অসমৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গে গাইছে আৰু দৰ্শকে ভাল পাইছে।




ছবিখনৰ দৃশ্যবোৰ চাই অনুভৱ কৰিব পাৰিছো ছবিখন নিৰ্মাণ কৰোঁতে সকলোৱে যথেষ্ট কষ্ট কৰিছে আৰু যথেষ্টখিনি অৰ্থৰো প্ৰয়োজন হৈছে। ছবিখনত বিয়াৰ যি দৃশ্য উপস্থাপন কৰা হৈছে সেয়া কিছু দীঘল কৰাৰ সুযোগ আছিল, কিছু দীঘলীয়া হোৱা হলে বিয়াৰ পৰম্পৰাগত নিয়মবোৰো উপস্থাপন কৰিব পৰা গ'লহেঁতেন। গাঁও ফুৰোৱাৰ দৃশ্যটোৰ মাজেৰে গাঁৱৰ পৰিৱেশ, সংস্কৃতি, নামঘৰ আদিৰ উপস্থাপন কৰাৰ যি সুযোগ পৰিচালকে গ্ৰহণ কৰিলে সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। কথাছবিখনৰ প্ৰযোজক গৰাকী মাৰোৱাৰী সমাজৰ ব্যক্তি। তেখেতে বিশেষঃভাবে অসমীয়া ভাষাত, অসমীয়া সমাজলৈ, এখন সুন্দৰ অসমীয়া কথাছবি উপহাৰ দিয়াৰ বাবে তেখেতলৈ অভিনন্দন জনোৱাৰ লগতে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ।

এক কথাত ক'বলৈ গ'লে মুঠৰ ওপৰত ছবিখনত একচন, থ্ৰিলাৰ, মনোৰঞ্জন, ইমোচন, আৰু প্ৰেম ভালপোৱাৰ সমাহাৰ অন্তৰ্ভুক্ত কৰি নিৰ্মাণ কৰা ৰুদ্ৰ এখন সফল অসমীয়া ছবি বুলি ক'ব পাৰি।

**প্ৰদীপ খাদৰীয়া**
**দেৰগাঁও**

# অভিনয়ৰ পৰা নাট্যকাৰলৈ বৰ্ণিল যাত্ৰা শৈলেন দাসৰ

**সাংস্কৃতিক প্ৰতিবেদন ঃ** কামৰূপ জিলাৰ শুৱালকুছিত ১৯৬৯ চনত জন্ম গ্ৰহণ কৰা অভিনেতা নাট্যকাৰ পৰিচালক শৈলেন দাস নাট্যজগতৰ এজন পৰিচিত ব্যক্তি। মাত্ৰ দহ বছৰ বয়সতে মিৰ্জাৰ ৰূপৰেখা মইনা পাৰিজাতৰ বাবে 'আমাৰ ঘৰ' নামেৰে নাটক লিখিছিল শৈলেন দাসে। তদুপৰি শুৱালকুছি গণেশ দাস হাইস্কুলত নিজে লিখা নাটক বিষাক্ত কীটত অভিনয় কৰি 'শ্ৰেষ্ঠ অভিনেতাৰ বঁটা' (১৯৮৪) লাভ কৰিছিল। আনহাতে বি বৰুৱা কলেজত পঢ়ি থকা সময়ত (১৯৮৬) 'শ্ৰেষ্ঠ কবি'ৰ খিতাপো লাভ কৰিবলৈ সক্ষম হৈছিল। তাৰপিছতে আৰম্ভ হৈছিল নাট্য যাত্ৰা। নলবাৰী জিলাৰ চতমাত সদৌ অসম একাংকিকা নাট প্ৰতিযোগিতাত 'শ্ৰেষ্ঠ অভিনেতাৰ বঁটা' (১৯৮৮) লাভ কৰাৰ উপৰিও টো নাটকেৰে কামৰূপৰ বামুণ্দিত 'শ্ৰেষ্ঠ পাণ্ডুলিপি'ৰ খিতাপ (১৯৯০) অৰ্জন কৰে। আনহাতে ছয়গাঁও ৰাস মহোৎসৱত যাত্ৰা নাট প্ৰতিযোগিতাত 'শ্ৰেষ্ঠ পৰিচালক' (১৯৯৭)ৰ সন্মান লাভ কৰে নাট্যকাৰ পৰিচালক শৈলেন দাসে। সেই সময়তে তেখেতৰ ৰচিত প্ৰথম পুৰ্ণাংগ নাটক 'জোনাক নিশাৰ বাঁহী', 'নদীৰ দৰে মন' আৰু 'ডাইনীৰ প্ৰেম' মঞ্চস্থ হৈছিল। নাট্যকাৰ পৰিচালক শৈলেন দাসে বৰ্তমানলৈ ভ্ৰাম্যমাণ থিয়েটাৰৰ বাবে কেইবাখনো গীতি নৃত্য নাটিকা লিখি দৰ্শকক উপহাৰ দিছে। থিয়েটাৰ ভাগ্যদেৱীৰ সোণালী জয়ন্তী বৰ্ষত তেখেতৰ নাটিকা 'শৰতৰ সপোনে' 'ডালমিয়া শ্ৰেষ্ঠ পুৰস্কাৰ' (২০১৭) লাভ কৰিছিল। যাত্ৰা নাট্যদল পিছতে ভ্ৰাম্যমাণ থিয়েটাৰত নাট্যকাৰ ৰূপেৰে প্ৰথম ভূমুকি মাৰিছিল শ্ৰীমন্ত শঙ্কৰদেৱ থিয়েটাৰত। নাটক আছিল “মৰম” চলিত নাট্যবৰ্ষত থিয়েটাৰ অগ্নিৰ মঞ্চত উপহাৰ দিছে তেখেতৰে সৃষ্টি জোনাক নিশাৰ বাঁহী। নাটকৰ উপৰিও চলিত বৰ্ষত থিয়েটাৰ সূৰ্য্য, ৰাজমুকুট, কলাগুৰু, আৰু অগ্নিত শৈলেন দাসৰ গীতি নৃত্য নাটিকা মঞ্চস্থ হ'ব। নাট্য সাধক শৈলেন দাসে বৰ্তমানলৈ বহুকেইটা বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। তাৰে ভিতৰত ব্যতিক্ৰম মাচ্ ডোৰ পৰা “থিয়েটাৰ পাৰ্চনেলিটি তথা গীতিকাৰ” (২০১৯) ৰ সন্মান, অসম ষ্টাৰ এৱাৰ্ডৰ পৰা “কৃষ্টি হিতৈষী বঁটা”(২০২২), আসাম এলৈঞ্চ এৱাৰ্ডৰ পৰা “বিশিষ্ট নাট্যকৰ্মী” (২০২২)ৰ সন্মান, সঙ্গীত গ্ৰুপ অব ক্ৰিয়েচনৰ “সুন্দৰৰ সাধক বঁটা, (২০২৩) ওৱৰ্ড টেলেণ্ট এৱাৰ্ড” (২০২৩) ৰ “Lyricist and Dramatist” ৰ সন্মান (উৰিষ্যা) গোল্ডষ্টাৰ অসম এৱাৰ্ডৰ (২০২৪) ৰ পৰা “নাট্য প্ৰভাকৰ বঁটা” লাভ কৰিবলৈ সক্ষম হৈছে। শেহতীয়াকৈ “নাট্য সাধক বঁটা (২০২৪)” দিশপুৰ প্ৰেছ ক্লাবে অৰ্পণ কৰিছে নাট্যকাৰ পৰিচালক শৈলেন দাসক।



# অসমীয়া চলচিত্ৰ 'ভাইমন দা'

## গৌৰৱ কুমাৰ নাথ

বৰ্তমান সময়ত যদি অসমত কোনো বোলছবি আটাইতকৈ চৰ্চাত আছে, সেইখন হৈছে “ভাইমন দা - অসমীয়া চলচ্চিত্ৰ”। ২০২৫ বৰ্ষৰ ২৩ মে তাৰিখে মুকলি লাভ কৰা এই জীৱনীমূলক চলচ্চিত্ৰখনে আজি দিনটোলৈকে অসমৰ প্ৰতিতো চিনেমা গৃহত দৰ্শকৰ মন জয় কৰিবলৈ সক্ষম হৈছে। বোলছবিখন অসমীয়া চলচ্চিত্ৰ জগতৰ অন্যতম উজ্জ্বল নক্ষত্ৰ, অসমীয়া চিনেমা ইতিহাসত এখনৰ পিছত আনখন জনপ্ৰিয় চিনেমাৰ উপহাৰ দিয়া যশস্বী পৰিচালক মুনীন বৰুৱাৰ জীৱনৰ ওপৰত আধাৰিত। মুনীন বৰুৱা “ভাইমন দা” হিছাপে মানুহৰ মাজত অধিক জনপ্ৰিয়। “প্ৰতিমা” চিনেমাৰ জৰিয়তে নিজকে পৰিচালক হিচাপে আত্মপ্ৰকাশ কৰা মুনীন বৰুৱাই “কন্যাদান”, “বিধাতা”, “বাৰুদ”, “হিয়া দিয়া নিয়া”, “নায়ক”, “ৰং”, “দীনবন্ধু” আদি বোলছবিসমূহৰ জৰিয়তে অসমীয়া চলচ্চিত্ৰ জগতত অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে। তেনে এজন শ্ৰেষ্ঠ পৰিচালকৰ ওপৰতেই এই ছবিখন নিৰ্মাণ কৰা হৈছে।

এই বোলছবিখনৰ পৰিচালক শশাঙ্ক সমীৰ। মুখ্য চৰিত্ৰত অভিনয় কৰিছে বনদ্বীপ শৰ্মাই। এই চিনেমাখনত অভিনয় কৰা আন অভিনেতাসকল হৈছে যসশ্ৰীণী ভূঞা, নীলিম দত্ত, নিৰূপম শইকীয়া, কৌশিক ভৰদ্বাজ। প্ৰত্যেকজন কলা কুশলীৰ সাৱলীল অভিনয়ে চিনেমাখন জীৱন্ত কৰি তুলিছে।

চিনেমাখনৰ সংগীতে চিনেমাখনক অধিক দৃষ্টিনন্দন তথা জনপ্ৰিয় কৰি তুলিছে। চিনেমাখনৰ প্ৰতিটো সংগীতে মানুহৰ অন্তৰত স্থান লাভ কৰিছে। বিশেষকৈ চিনেমাখনৰ একে শেষাংশৰ “জ্যোতিৰ কাৰেং” গীততিয়ে দৰ্শকৰ চকুপানী উলিয়াব পৰাকৈ সক্ষম।

এখন চিনেমাৰ মেৰুদণ্ড হৈছে ইয়াৰ কাহিনী। কাহিনীৰ ক্ষেত্ৰত “ভাইমন দা” চিনেমা খনেও দৰ্শকক নিৰাশ কৰা নাই। ইয়াৰ কাহিনীয়ে অসমীয়া চলচ্চিত্ৰৰ উত্থান - পতনৰ দিশটোক সুন্দৰকৈ উপস্থাপন কৰিছে। ইয়াৰ কাহিনীয়ে দৰ্শকক আঢ়ৈ ঘণ্টাতকৈও অধিক সময় আমনি নলগাকৈ বান্ধি ৰাখিব পৰাটো মন কৰিবলগীয়া। কাহিনীটো কমেডী, ট্ৰেজেদি, আদি সকলোবোৰৰ সংমিশ্ৰণ।




চিনেমাখনৰ ঋণাত্মক দিশটো হৈছে মদ আৰু চিগাৰেটৰ অত্যধিক ব্যৱহাৰ। চিনেমাখনৰ প্ৰায় অধিকাংশ দৃশ্যতে মদ আৰু চিগাৰেটৰ অত্যধিক ব্যৱহাৰে দৰ্শকক, বিশেষকৈ ব্যয়োজ্যেষ্ঠ লোকসকলক অলপ অস্বস্তিত পেলোৱা দেখা গৈছে। ইয়াৰ বাহিৰে আন কোনো দিশতে কোনো ঋণাত্মক দিশ দেখা নাযায়।




শেষত, নিঃসন্দেহে কব পাৰি যে বৰ্তমান সময়ত অসমীয়া চলচ্চিত্ৰৰ যিটো জনপ্ৰিয়তা, সেই জনপ্ৰিয়তাক বোৱাই অনা ব্যক্তি স্বৰ্গীয় মুনীন বৰুৱাদেৱৰ ওপৰত আধাৰিত এই বোলছবিখন এইটো বৰ্ষৰ আটাইতকৈ জনপ্ৰিয় চিনেমা, কাৰণ এই চিনেমাখনে অসমীয়া চলচ্চিত্ৰ জগতৰ সৰ্বকালৰ অভিলেখ ভংগ কৰি আটাইতকৈ বেছি উপাৰ্জন কৰা চিনেমা হিচাপে পৰিগণিত হৈছে। অসমীয়া চলচ্চিত্ৰৰ এই জয় যাত্ৰা অব্যাহত থাকক।

# পূৰ্ণগতিত চলিছে হেঙুল থিয়েটাৰৰ আখৰা

## ২০ আগষ্টত নাট্য যাত্ৰা




**সাংস্কৃতিক প্ৰতিবেদক ঃ** সুস্থ ৰুচিসম্পন্ন নাটক দৰ্শকক উপহাৰ দিয়াৰ প্ৰতিশ্ৰুতিৰে ২৫-২৬ নাট্যবৰ্ষৰ বাবে আখৰাত ব্যস্ত হৈছে হেঙুল থিয়েটাৰ। সংকল্পজিত হাজৰিকাৰ প্ৰযোজনা আৰু পংকজ হাজৰিকাৰ পৰিকল্পনাৰে সাজু হোৱা হেঙুল থিয়েটাৰে চলিত নাট্যবৰ্ষত নিবেদন কৰিব তিনিজন নাট্যকাৰৰ তিনিখন নাটক ক্ৰমে যুৱ নাট্যকাৰ প্ৰনৱ বৰুৱাৰ “পাগল থানা”, নাট্যকাৰ পৰিচালক অভিজিৎ ভট্টাচাৰ্যৰ “এচিড” আৰু নাট্যকাৰ প্ৰনৱ ভড়ালীৰ ৰচিত “ভাইৰেল গান্ধী”। ইতিমধ্যে এচিড আৰু পাগল থানা মঞ্চ আখৰাৰ বাবে সাজু হৈছে। এচিডৰ সংগীত পৰিচালনা অৰূপ জ্যোতি বৰুৱাৰ আৰু পাগল থানাৰ সংগীত পৰিচালনা কৰিছে পলাশ সূৰ্য্য গগৈ। ইতিমধ্যে সামাজিক মাধ্যমৰ হেঙুল থিয়েটাৰৰ প্ৰ'মো ভিডিঅ' আদিয়ে দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰিছে। চলিত নাট্যবৰ্ষত হেঙুল থিয়েটাৰৰ মঞ্চত অভিনয় কৰিছে জনপ্ৰিয় অভিনেতা প্ৰসেজিত বৰা, মহেশ বৰা, দেবজিত বৰা, কমেডি কিং অৰুণ বৰা, মঞ্জিল বৰুৱা, অলকেশ হাজৰিকা, ধ্ৰুৱজ্যোতি ঢেকিয়াল ফুকন, জয়ন্ত বৰ্মন, ৰঞ্জিত বৰ্মন, মোহময়ী অভিনেত্ৰী স্নিগ্ধা গগৈ, ননী দেৱীৰ লগতে নতুনক প্ৰাধান্য দি অহা হেঙুলৰ মঞ্চত আগন্তুক বৰ্ষৰ বাবে অভিনয়ৰ কৰিবলৈ চুক্তিবদ্ধ হৈছে নৱাগত অভিনেতা ৰোহিত চৌধুৰী আৰু নবাগতা অংকিতা ৰিয়া কাশ্যপে। আনহাতে হেঙুল থিয়েটাৰৰ সম্পাদকৰ দায়িত্বত আছে পল্লৱ চুতীয়া। অহা ২০ আগষ্টত হেঙুল থিয়েটাৰে চলিত নাট্যবৰ্ষৰ নাট্য যাত্ৰা আৰম্ভ কৰিব বুলি প্ৰযোজকে জানিব দিয়ে।

# লুইতপৰীয়াৰ মঞ্চত প্ৰদীপ শৰ্মাৰ বা মই নষ্ট ছোৱালী



বৰ্তমান সময়ত আমি নিজৰ সন্তানক কিমান ডাঙৰ স্কুল কলেজত পঢুৱাব পাৰো কিমান ডাঙৰ হোষ্টেলত ৰাখিব পাৰো তাক লৈ চিন্তা, কিন্তু আমি কিমান সতৰ্ক সেই হোষ্টেলত থকা সন্তানৰ প্ৰতি, নে হোষ্টেলত ৰাখিয়ে দায়িত্ব শেষ, সন্তানক ভাল মানুহ কৰাৰ দায়িত্ব নে প্ৰতিযোগিতা। তদুপৰি ড্ৰাগছৰ গোপন বেহা আৰু আমাৰ সন্তানৰ ওপৰত প্ৰভাৱ। এনে এক সুন্দৰ বিশে-যণেৰে লুইতপৰীয়া থিয়েটাৰৰ মঞ্চত এইবাৰ দেখিবলৈ পাব নাট্যকাৰ পৰিচালক প্ৰদীপ শৰ্মাৰ ৰচনা পৰিচালনাৰে “বা মই নষ্ট ছোৱালী” তদুপৰি লুইতপৰীয়া থিয়েটাৰৰ মঞ্চত দেখিবলৈ পাব নাট্যকাৰ পৰিচালক অভিজিৎ ভট্টাচাৰ্যৰ “মাতৃৰ অভিশাপ”, আৰু জনপ্ৰিয় যুৱ নাট্যকাৰ অভিনেতা প্ৰনৱ বৰুৱাৰ “ৰাকা”। য'ত অভিনয় কৰিছে সুদৰ্শন জনপ্ৰিয় অভিনেতা অৰূপ বৈশ্য, বলিষ্ঠ অভিনেতা তাৰক দাস, গুনীন শৰ্মা, সীমান্ত কাশ্যপ, মুন শইকীয়া, হৰজিত তালুকদাৰ সুদক্ষ অভিনেত্ৰী সুৰভী কটকী, মোহময়ী অভিনেত্ৰী বাবলী বৰা, চুমি দাস আৰু বহুতো ন পুৰনি অভিনেতা অভিনেত্ৰীয়ে। ইতিমধ্যে আখৰাৰ ব্যস্ত থকা লুইতপৰীয়া থিয়েটাৰৰ মঞ্চ আখৰাৰ বাবে সাজু হৈছে ৰাকা আৰু বা মই নষ্ট ছোৱালী নাটক দুখন। নাটকৰ সংগীত পৰিচালনা মণ্টু মৃনালৰ। লুইতপৰীয়া থিয়েটাৰৰ মুখ্য পৃষ্ঠপোষক ডাঃ সানসোৱাং বসুমতাৰী আৰু প্ৰযোজক পুতুপ্ৰভা বসুমতাৰীয়ে জনোৱা অনুসৰি আগষ্ট মাহত নাট্য যাত্ৰা আৰম্ভ কৰিব লুইতপৰীয়া থিয়েটাৰে। নাট্যদলটোৰ সম্পাদকৰ দায়িত্বত আছে ভবেশ দাস।






## পাগ্‌লাদিয়াৰ পাৰ উকা কৰি

১৯৫৫ চনত গৰ্ডন হাইস্কুলত সপ্তম শ্ৰেণীত নামভৰ্তি কৰে। ১৯৫৯ চনত গৰ্ডন হাইস্কুলৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত প্ৰবেশিকা পৰীক্ষাত সংস্কৃত বিষয়ত লেটাৰ নম্বৰৰ সৈতে প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ১৯৬১ চনত গুৱাহাটীৰ কটন কলেজৰ পৰা দ্বিতীয় বিভাগত আই এছ ছি পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত তেওঁ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত নামভৰ্তি কৰে। কিন্তু শাৰীৰিক অসুস্থতাৰ কাৰণে ১৯৬২ চনত তেওঁৰ চিকিৎসা বিজ্ঞানৰ শিক্ষা অধৰা হৈ পৰে। তাৰ পিছত ১৯৬৪ চনত নলবাৰী মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী আৰু ১৯৬৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰে। ড° ভট্টাচাৰ্যৰ বিয়োগৰ খবৰে নলবাৰীৰ সাহিত্য সমাজক শোকস্তব্ধ কৰি তুলিছে। খবৰ পোৱাৰ লগে লগে সাহিত্যানুৰাগীসকল তেওঁৰ বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধা নিবেদন কৰে। ৰাজ্য চৰকাৰে এই বিশিষ্ট সাহিত্যিকক ৰাজ্যিক মৰ্যাদাৰে শেষ শ্ৰদ্ধা জ্ঞাপনৰ কৰে। অতি সাধাৰণ জীৱনশৈলীৰে জীৱন নিৰ্বাহ কৰা এইগৰাকী সাহিত্যিকৰ নশ্বৰদেহক নলবাৰী মহাবিদ্যালয়, নলবাৰী সাহিত্য সভা আৰু শ্বহীদ ভৱনলৈ শেষ শ্ৰদ্ধা জ্ঞাপনৰ বাবে নিয়া হয়। তেওঁৰ এই বিদায়ে অসমীয়া সাহিত্যৰ ক্ষেত্ৰত এক অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰিছে, যিটো ভৰোৱা কঠিন হ'ব।

## ৰাজ্যৰ শিক্ষাখণ্ডৰ বাবে

পৰ্যালোচনাৰ বাবে এখন সভাত অংশগ্ৰহণ কৰে। ইয়াৰ পিছতে তেওঁৰ অধ্যক্ষতাত ডিব্ৰুগড়ৰ সচিবালয়ত অসম চৰকাৰৰ কেবিনেটৰ এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই কেবিনেট বৈঠকত ৰাজ্য চৰকাৰৰ ছয়জন মন্ত্ৰী ডিব্ৰুগড়ৰ সচিবালয়ত উপস্থিত থকাৰ লগতে অন্যান্য মন্ত্ৰীসকলে ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে অংশগ্ৰহণ কৰে। বৈঠকৰ পিছত মুখ্যমন্ত্ৰীয়ে এক সংবাদমেলত কেবিনেটৰ বিভিন্ন সিদ্ধান্তৰ বিষয়ে বিশদভাৱে সদৰি কৰে। তেওঁ জনোৱা মতে, ১২ আগষ্টত ৰাজ্যত নতুন দহখন সমজিলাৰ উদ্বোধন কৰা হ'ব। এই নতুন জিলাসমূহৰ বাবে আৰক্ষী অধীক্ষকৰ দহটা পদৰ সৃষ্টিৰ অনুমোদন কেবিনেটে প্ৰদান কৰিছে। লগতে, এই জিলাসমূহৰ উদ্বোধনৰ দায়িত্ব পালনৰ বাবে দহজন মন্ত্ৰীক নিযুক্তি দিয়া হৈছে। শিক্ষাখণ্ডৰ উন্নয়নৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে, অসমৰ শিক্ষা ব্যৱস্থাৰ উন্নতিৰ বাবে বিশ্ববেংকৰ পৰা ২,৭৫০ কোটি টকাৰ ঋণ গ্ৰহণ কৰা হ'ব। এই ঋণৰ ৯০ শতাংশ ভাৰত চৰকাৰে পৰিশোধ কৰিব। এই পুঁজিৰ জৰিয়তে শিক্ষকসকলৰ বাবে বিজ্ঞান আৰু গণিতৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব, লগতে প্ৰধান শিক্ষক আৰু অধ্যক্ষসকলৰ বাবে ব্যৱস্থাপনাৰ প্ৰশিক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। এই পুঁজিৰ জৰিয়তে বিজ্ঞান আৰু প্ৰযুক্তি শিক্ষাৰ প্ৰসাৰ, বিদ্যালয়ৰ পৰা শিক্ষাৰ্থীৰ ঝৰি পৰা ৰোধ, ৪০০খন বিদ্যালয়ৰ পুনৰ্নিৰ্মাণৰ বাবে ৩ৰ পৰা ৫ কোটি টকা আৰু ১,৭৩৩খন অংগনবাড়ী কেন্দ্ৰৰ উন্নয়নৰ বাবে প্ৰতিটো কেন্দ্ৰলৈ ২৫ লাখ টকা প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে আৰু জানোৱা মতে, অসমৰ শিক্ষিত যুৱক-যুৱতীৰ বাবে জাপানত কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টিৰ বাবে ৰাজ্য চৰকাৰে এক বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। জাপানী ভাষাৰ প্ৰশিক্ষণৰ জৰিয়তে প্ৰথম পৰ্যায়ত ৩,০০০ যুৱক-যুৱতীক জাপানৰ তিনিটা কোম্পানীৰ সহযোগত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। এই প্ৰশিক্ষণৰ বাবে প্ৰতিজনৰ খৰচ ৩ৰ পৰা ৪ লাখ টকা হ'ব, যাৰ ভিতৰত ১.৫ লাখ টকা ৰাজ্য চৰকাৰে ৰাজসাহায্য হিচাপে প্ৰদান কৰিব। জাপানত তিনিমাহ কাম কৰাৰ পিছত এই ধন পৰিশোধ কৰাৰ সুবিধা থাকিব। এই কাৰ্যক্ৰম চিএমফ্লাইট আঁচনিৰ জৰিয়তে বাস্তৱায়িত হ'ব। প্ৰাথমিক পৰ্যায়ত ড্ৰাইভাৰ, আই টি আই, আৰু নাৰ্চিং খণ্ডৰ শিক্ষাৰ্থীসকলে এই প্ৰশিক্ষণৰ সুবিধা লাভ কৰিব পাৰিব। ইয়াৰ উপৰি, মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে ছ'চাইটীৰ অধীনত থকা ফ্লেটৰ সামূহিক কামৰ বাবে এতিয়াৰ পৰা ৰাজ্য চৰকাৰে পুঁজি আৱণ্টন কৰিব। এই সুবিধা বিধায়কৰ লগতে ৰাজ্যৰ বিভিন্ন বিভাগে আগবঢ়াব পাৰিব। বিল্ডাৰৰ অধীনত থকা এপাৰ্টমেণ্টৰ ক্ষেত্ৰত এই সুবিধা প্ৰযোজ্য নহ'ব। এই সকলো সিদ্ধান্তই ৰাজ্যৰ উন্নয়নৰ ক্ষেত্ৰত এক নতুন গতি প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰিছে।

## এতিয়াও বেদখলৰ কবলত

ব্যক্ত কৰিছে। তিনিচুকীয়াৰ শদিয়াত ঐতিহাসিক বুঢ়া-বুঢ়ী শালৰ আন্তঃগাঁথনি উন্নয়ন প্ৰকল্পৰ ভূমি পূজন অনুষ্ঠানত অংশগ্ৰহণ কৰি তেওঁ কয় যে গোলাঘাটৰ পৰা আৰম্ভ হোৱা এই অভিযান তিনিচুকীয়াৰ মাৰ্ঘেৰিটাৰ দৰে অঞ্চললৈও সম্প্ৰসাৰিত হ'ব। সাংবাদিকৰ সৈতে মতবিনিময়ৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয়, "আমি গোলাঘাটৰ পৰা উচ্ছেদ অভিযানৰ সূচনা কৰিছো। মাৰ্ঘেৰিটাতো বহু মাটি অবৈধভাৱে দখল হৈ আছে। এই কামবোৰ একেলগে সম্পন্ন কৰাটো সম্ভৱ নহয়। প্ৰতিটো অভিযানৰ বাবে তিনিৰ পৰা চাৰি মাহ সময়ৰ প্ৰয়োজন। [illegible] বেদখলমুক্ত কৰিম।" তেওঁ [illegible] ২৯ হাজাৰ বিঘা মাটি অবৈধ দখলদাৰীৰ হাতৰ পৰা মুক্ত কৰিছে, কিন্তু এতিয়াও ২৯ লাখ বিঘা মাটি বেদখলৰ কবলত আছে। "এইটো এক বিশাল সংখ্যা। ধীৰে ধীৰে, পৰিকল্পনাৰে আমি এই সমস্যাৰ সমাধান কৰিব লাগিব" তেওঁ কয়। শদিয়াৰ ঐতিহাসিক বুঢ়া-বুঢ়ী শালৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে ৮.৭২ কোটি টকাৰ এক প্ৰকল্প হাতত লৈছে। মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে যে এই প্ৰকল্পৰ অধীনত ২১ বিঘা মাটিত নিৰ্মাণ কাৰ্য সম্পন্ন হ'ব। প্ৰকল্পৰ মূল উপাদানসমূহ হ'ল: ১ কোটি টকাৰ ব্যয়েৰে মূল মন্দিৰৰ উন্নয়ন, ৪০ লাখ টকাৰ ব্যয়েৰে পূজাৰীসকলৰ বাবে জিৰণি গৃহ নিৰ্মাণ, ৩ কোটি টকাৰ ব্যয়েৰে অতিথিশালা নিৰ্মাণ, ২ কোটি টকাৰ ব্যয়েৰে নতুন তোৰণ নিৰ্মাণ, শালৰ মূল ভাগৰ মেৰামতি আৰু অত্যাধুনিক সভাগৃহ নিৰ্মাণ। ইয়াৰ উপৰি, শালৰ চৌহদত ৮০.৯২ লাখ টকাৰ ব্যয়েৰে এটা খোৱাপানীৰ প্ৰকল্পৰো উদ্বোধন কৰা হৈছে, যিটো স্থানীয় লোকৰ সুবিধাৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ। মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰিছে যে উচ্ছেদ অভিযান ধাপে ধাপে অব্যাহত থাকিব। "আমি একেলগে সকলো অঞ্চলত কাম কৰিব নোৱাৰো। প্ৰতিটো অভিযানৰ বাবে পৰিকল্পনা আৰু সময়ৰ প্ৰয়োজন। আমাৰ লক্ষ্য হৈছে ৰাজ্যৰ সকলো মাটি আইনীভাৱে সুৰক্ষিত কৰা", তেওঁ কয়। তেওঁ ইংগিত দিয়ে যে তিনিচুকীয়াৰ মাৰ্ঘেৰিটাৰ দৰে অঞ্চলতো অবৈধ দখলৰ সমস্যাৰ সমাধানৰ বাবে অভিযান চলোৱা হ'ব। বুঢ়া-বুঢ়ী শালৰ উন্নয়ন প্ৰকল্পৰ ভূমি পূজন অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ সৈতে উপস্থিত আছিল শদিয়াৰ বিধায়ক বলীন চেতিয়া, মন্ত্ৰী বিমল বৰা, মন্ত্ৰী ৰূপেশ গোৱালা, ডিগবৈৰ বিধায়ক সুৰেণ ফুকন, তিনিচুকীয়াৰ বিধায়ক সঞ্জয় কিষাণ, আৰু নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈ। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ মাটি অবৈধ দখলৰ পৰা মুক্ত কৰাৰ প্ৰতিশ্ৰুতিৰ লগতে ঐতিহাসিক আৰু সাংস্কৃতিক স্থানৰ উন্নয়নৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে। বুঢ়া-বুঢ়ী শালৰ উন্নয়ন প্ৰকল্পৰ জৰিয়তে শদিয়াৰ এই পবিত্ৰ স্থানৰ গুৰুত্ব বৃদ্ধিৰ লগতে স্থানীয় লোকৰ জীৱনযাত্ৰাৰ মান উন্নত কৰাৰ প্ৰচেষ্টা অব্যাহত থাকিব। উচ্ছেদ অভিযানৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ মাটিৰ আইনী অধিকাৰ পুনৰুদ্ধাৰৰ এই পদক্ষেপ অসমৰ উন্নয়নৰ এক গুৰুত্বপূৰ্ণ দিশ হিচাপে পৰিগণিত হৈছে।

## মৃত ব্যক্তিৰ নামত ভুৱা

পাছপোৰ্ট প্ৰদানৰ চেষ্টা চলাই থকাৰ সময়তে আৰক্ষীয়ে দুজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। গ্ৰেপ্তাৰকৃত দুজন হৈছে বুৰহান উদ্দিন (৩৮) আৰু ফৈজুৰ ৰহমান (প্ৰায় একে বয়সৰ), দুয়োজনেই পাথাৰকান্দি থানাৰ অন্তৰ্গত। আৰক্ষীৰ তথ্য অনুসৰি, চলিত বছৰৰ জুলাই মাহত 'ফাৰুক আহমেদ' নামৰ এজন ব্যক্তিৰ নামত পাছপোৰ্টৰ বাবে আবেদন জমা পৰিছিল। কিন্তু তদন্তৰ সময়ত আৰক্ষীয়ে জানিব পাৰে যে আবেদনৰ সৈতে জমা দিয়া জন্মৰ প্ৰমাণপত্ৰ, আধাৰ কাৰ্ড, পেন কাৰ্ড আদি নথিপত্ৰ এজন মৃত ব্যক্তিৰ। এই নথিপত্ৰসমূহ ব্যৱহাৰ কৰি জালিয়াতিৰ জৰিয়তে এজন বাংলাদেশী ব্যক্তিক ভাৰতীয় নাগৰিক হিচাপে পাছপোৰ্ট প্ৰদানৰ পৰিকল্পনা কৰা হৈছিল। এই তথ্য পোহৰলৈ অহাৰ পিছত আৰক্ষীয়ে তৎক্ষণাৎ অভিযান চলাই বুৰহান উদ্দিন আৰু ফৈজুৰ ৰহমানক গ্ৰেপ্তাৰ কৰে। অভিযানৰ সময়ত তেওঁলোকৰ পৰা বহুসংখ্যক ভুৱা নথিপত্ৰ জব্দ কৰা হয়। বুধবাৰে গ্ৰেপ্তাৰকৃত দুজনক মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱাৰ পিছত কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছে। জিলাখনৰ অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰণৱজ্যোতি কলিতাই এই সন্দৰ্ভত কয়, "জুলাই মাহত পাছপোৰ্টৰ বাবে আবেদন জমা পৰাৰ পিছত ভেৰিফিকেচনৰ বাবে থানালৈ তথ্য প্ৰেৰণ কৰা হৈছিল। কিন্তু ভেৰিফিকেচনৰ সময়ত নথিপত্ৰত বিসংগতি ধৰা পৰে। তদন্তত গম পাওঁ যে 'ফাৰুক আহমেদ' নামৰ ব্যক্তিজনৰ সকলো নথিপত্ৰ ভুৱা আৰু ইতিমধ্যে মৃত্যু হোৱা এজন ব্যক্তিৰ তথ্য ব্যৱহাৰ কৰি এই জালিয়াতি কৰা হৈছে।" তেওঁ আৰু কয়, "অধিক তদন্তৰ জৰিয়তে আমি এই জালিয়াতিৰ সৈতে জড়িত দুজন ব্যক্তি, বুৰহান উদ্দিন আৰু ফৈজুৰ ৰহমানক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছোঁ। তেওঁলোকে এই ভুৱা নথিপত্ৰ তৈয়াৰ কৰিছিল। আমাৰ তদন্ত এতিয়াও অব্যাহত আছে আৰু এই কাণ্ডৰ সৈতে জড়িত অন্য সম্ভাব্য অভিযুক্তৰ সন্ধান চলি আছে।" এই ঘটনাই পাথাৰকান্দি অঞ্চলত জালিয়াতিৰ এক গুৰুতৰ পৰিকল্পনা উদঘাটন কৰিছে, য'ত মৃত ব্যক্তিৰ পৰিচয় ব্যৱহাৰ কৰি অবৈধভাৱে পাছপোৰ্ট তৈয়াৰৰ চেষ্টা চলিছিল। আৰক্ষীৰ তৎপৰতাৰ ফলত এই কাণ্ডৰ মূল অভিযুক্ত দুজনক গ্ৰেপ্তাৰ কৰাৰ লগতে এই ধৰণৰ অপৰাধ প্ৰতিৰোধৰ বাবে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে।

## জ্যেষ্ঠ অভিযন্তাসহ উপ-

বঙাইগাঁৱৰ ভাড়াঘৰত লোক নিৰ্মাণ বিভাগৰ সহকাৰী অভিযন্তা যোষিতা দাসৰ আত্মহননৰ ঘটনাই ৰাজ্যত তীব্ৰ চৰ্চাৰ সৃষ্টি কৰিছে। এই ঘটনাৰ সৈতে জড়িত বৰ্ষণগাঁও ষ্টেডিয়াম প্ৰকল্পৰ বিষয়ে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয় যে ঘটনাৰ তদন্ত চলি আছে আৰু পৰিস্থিতিৰ বিশদভাৱে পৰীক্ষা কৰা হৈছে। তেওঁ জানিবলৈ দিয়ে যে ষ্টেডিয়াম প্ৰকল্পৰ কামৰ সত্যতা যাচাইৰ বাবে ইতিমধ্যে এটা অভিযন্তাৰ দল পঠোৱা হৈছে। মুখ্যমন্ত্ৰীয়ে কয়, "আমি বিল্ডিংটোৰ কাম পৰীক্ষা কৰিবলৈ অভিযন্তা পঠিয়াইছো। আমি চাম যে বিল্ডিংটোত কাম হৈছিল নে নাই। কামৰ বিল জমা দিয়া হৈছিল নে কাম নকৰাকৈ বিল জমা কৰা হৈছিল, সেয়াও পৰীক্ষা কৰা হ'ব। বিল্ডিংটোৰ কামৰ সমানুপাতিকভাৱেহে পেমেণ্ট কৰা হ'ব।" তেওঁ আৰু জানিবলৈ দিয়ে যে বিল্ডিং পৰ্যবেক্ষণৰ পিছত এই বিষয়ে প্ৰমাণ উপস্থাপন কৰা হ'ব। ইতিমধ্যে এই ঘটনাৰ সৈতে জড়িত অভিযোগৰ ভিত্তিত এজন জ্যেষ্ঠ অভিযন্তা (Executive Engineer) আৰু এজন উপ-বিভাগীয় বিষয়া (SDO)ক আটক কৰা হৈছে। যোষিতা দাসৰ আত্মহননৰ ঘটনাই ৰাজ্যৰ লোক নিৰ্মাণ বিভাগৰ কৰ্মপদ্ধতি আৰু স্বচ্ছতাৰ বিষয়ে গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। যোষিতাৰ আত্মহত্যাৰ টোকাত উল্লেখিত জ্যেষ্ঠ বিষয়াৰ নিৰ্যাতনৰ অভিযোগে এই বিষয়ক আৰু জটিল কৰি তুলিছে। তেওঁৰ মাতৃয়ে অভিযোগ কৰিছে যে অত্যধিক কৰ্মচাপ আৰু নিৰ্যাতনৰ বাবে তেওঁৰ মানসিক স্বাস্থ্যৰ অৱনতি ঘটিছিল, যাৰ ফলত তেওঁ এই চৰম সিদ্ধান্ত ল'বলৈ বাধ্য হৈছিল। এই ঘটনাই ৰাজ্যৰ বিভিন্ন স্থানত থকা জুনিয়ৰ অভিযন্তা আৰু চৰকাৰী কৰ্মচাৰীৰ মাজত উদ্বেগৰ সৃষ্টি কৰিছে আৰু নিৰপেক্ষ তদন্তৰ দাবী উত্থাপিত হৈছে।

## বিদ্যালয়ৰ গ্ৰীষ্ম বন্ধত ব্যস্ততাৰ

একোচাম ল'ৰা-ছোৱালী পুৱা-গধূলি টিউচন ক্লাছত নিতৌ ব্যস্ত থাকে। অভিভাৱক অথবা মাক-দেউতাকসকলৰ নিতে নিতে চিন্তা যে কেনেকৈ নিজৰ ল'ৰা-ছোৱালীক প্ৰতিটো বিষয়ত শতকৰা ৮০/৯০ শতাংশ লাভ কৰাই কৃতীমান ছাত্ৰ-ছাত্ৰী কৰিব পৰা যায়। এয়া ছাত্ৰ-ছাত্ৰীসকলৰ একো-একোটা সংকল্প আৰু পিতৃ-মাতৃ তথা অভিভাৱকসকলৰো সপোন। বহু অভিভাৱকে ল'ৰা-ছোৱালীসকলৰ পঢ়া পিছ পৰি যায় বুলি নিৰ্দ্ধাৰিত ৰুটিনত চলি থকা টিউচন খটি হয় বুলি প্ৰয়োজনীয় ঠাইত সম্পৰ্কীয় মানুহৰ ঘৰত অথবা নিজৰ আপোন মানুহৰ ঘৰত ফুৰা-চকা কাৰ্যসূচীও বাতিল কৰে। ফলস্বৰূপে ল'ৰা-ছোৱালীবোৰে পঢ়া-লিখাৰ নামত একোখন ব্যস্ততাৰে ভৰা কাৰ্যসূচীত লাগি থাকোঁতে নিজৰ আত্মীয়সম্বন্ধ সম্পৰ্কীয় ঘৰো পাহৰি যাব লগা হয়। একালত বহুবোৰ ওচৰ সম্পৰ্কীয় লোকো বহু বহু দূৰৰ যেন হৈ পৰে, চিনি পাবলৈকে টান হৈ পৰে। এনেকৈয়ে তলৰ শ্ৰেণীৰ পৰা অহৰহভাৱে পঢ়া কাৰ্য মনোনিৱেশ কৰি থাকোঁতে থাকোঁতে বহু সময়ত নিজৰ তেজ-মঙহৰ মানুহৰ লগতো আলহী সদৃশ হৈ পৰিব লগা হয়।

এতিয়া কথাটো হ'ল লিখা-পঢ়া বা অধ্যয়নৰ কামত লাগি থকাটো যথাৰ্থতেই ভাল কথা, শোভনীয় আৰু শলাগনীয় কথা। কিন্তু এনেকুৱা একাকীত্বভাৱে মাথোঁ লিখা-পঢ়া কৰি নিজৰ আপোন মানুহ, বংশ-পৰিয়াল, আত্মীয়-স্বজনকে আদি কৰি বহুবোৰ তেজ-মঙহৰ সম্বন্ধৰ কথাও একেবাৰে পাহৰি যোৱাটো অৱশ্যে মুঠেই ভাল কথা নহয়। বিদ্যা শিক্ষাৰ দৌৰ লগতে ভাল ফলাফলৰ পিছত লাগি থকা - এনেবোৰ বিষয়ে আমাৰ অভিভাৱকৰ মাজত দিনক দিনে বেছিকৈ প্ৰাধান্য পোৱা পৰিলক্ষিত হৈছে। আপোন কৃতিত্ব আৰু অধ্যাৱসায়ৰ জোৰত সমাজত ভাল নাম অৰ্জন কৰাটো যথাৰ্থতেই অতি শুভ বতৰা। এয়া স্বৰূপতে শিক্ষাৰ্থীসকলক নিৰন্তৰ যান্ত্ৰিকতাৰ মাজত চলাই থকা এটা বৰ আমনিদায়ক প্ৰক্ৰিয়া। আমি অভিভাৱকসকলে, আমাৰ ছাত্ৰ-ছাত্ৰীসকলে আৰু বহুত কিবা-কিবি বিচাৰোঁ। ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্তপ্ৰায় অৱস্থাত থকা আন আন কেতবোৰ প্ৰতিভাৰিকাশক মঞ্চ যেনে ছবি আঁকা বিদ্যালয়, সঙ্গীত শিল্পৰ বিদ্যালয়, অভিনয়, কলা-শিক্ষা বিদ্যালয়, কবিতা আবৃত্তিৰ কৰ্মশালা, নৃত্য-গীত বাদ্য আদিৰ বিদ্যালয় এইবোৰলৈও আমি সচৰাচৰ পঠাইয়ে থাকোঁ। একে সময়তে আকৌ আমি আমাৰ ল'ৰা-ছোৱালীবোৰক সৰ্ববিষয়ৰ বিশাৰদ কৰিব খোজোঁ, মেধা বিদ্যাৰে পৰিপক্ক কৰিব বিচাৰোঁ। অৱশ্যে আমাৰ ল'ৰা-ছোৱালীবোৰে এনেবোৰ বিষয়ত ব্যুৎপত্তি নেদেখুওৱাকৈ থকা নাই। বহু বিজ্ঞ বা দক্ষ নহ'লেও এনেবোৰ বিদ্যা শিক্ষাতো আমাৰ ল'ৰা-ছোৱালী নাম কৰিছে, ভাল ফল দেখুৱাইছে।

কিন্তু, এটা কথা আমি অনুভৱ কৰিছোঁ এনেধৰণৰ হৰেক ৰকমৰ বিষয় জ্ঞানত লাগি থাকিবলগীয়া হোৱাত বহু সময়ত ল'ৰা-ছোৱালীবোৰে মূল বাধ্যতামূলক বিষয়জ্ঞানত যথেষ্ট পাৰদৰ্শী হ'বগৈ নোৱাৰে। নানানটা বিষয় একে সময়তে সাঙুৰি লোৱাৰ বাবে কেতিয়াবা বিমূৰ-বিভুৰ অৱস্থাত পৰিবগৈ লগাও হৈছে।

সম্প্ৰতি এতিয়া বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ যুগ। চৌদিশে বিজ্ঞানৰ জয় জয়কাৰ। আজিকালি বহুবোৰ বিদ্যালয়ত কম্পিউটাৰ বিদ্যা শিক্ষাৰো প্ৰচলন হৈছে। বিদ্যালয়তে হ'লেও এই বিদ্যাৰ লগতো জড়িত হ'ব লাগে, সময় দিব লাগে। এইক্ষেত্ৰত আমি দেখা পাইছোঁ যে অ'ত-ত'ত টিউচন কৰাৰ নামত আমাৰ পিতৃ-মাতৃ বা অভিভাৱকসকলেও কম বাটকুৰি নোবোৱাকৈ থকা নাই। মাক-দেউতাকসকলে স্কুটি, মটৰ চাইকেল বা ঘৰৰ গাড়ীখনলৈও তাঁত-বাতি কৰি থাকিব লগা হয়। টিউচন কৰা শিক্ষকসকলেও বেটচৰ উপৰি বেটচ পঢ়াবলগীয়া হোৱাত বহুসময়ত গা-ধুবলৈ বা খাবলৈ শুবলৈও সময় নোপোৱা হয়। এয়াই আমাৰ সমাজৰ আজি অন্তহীন ব্যস্ততা, ব্যৱহাৰিকতা।

## ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা

নিধি (আই এম এফ)ৰ পৰা ধাৰাবাহিকভাৱে ঋণ লৈ আছে। পি হৰিশে লগতে কয় যে, আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তাৰ প্ৰসাৰৰ ওপৰত বিতৰ্ক কৰি থাকোঁতে এইটো বুজাটো গুৰুত্বপূৰ্ণ যে, কিছুমান মৌলিক নীতি আছে, যিবোৰক সৰ্বজনীনভাৱে সন্মান কৰিব লাগিব, তাৰ ভিতৰত এটা হ'ল সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতা। আন্তঃৰাষ্ট্ৰীয় সমাজৰ বাবে একেবাৰেই অগ্ৰাহ্যযোগ্য আচৰণত লিপ্ত হৈ পৰিষদৰ কোনো সদস্যই প্ৰচাৰ কৰাটো উপযুক্ত নহয়। যুদ্ধবিৰতি সন্দৰ্ভত পি হৰিছে কয় যে, অপাৰেচন সেন্দূৰৰ প্ৰাথমিক লক্ষ্যত উপনীত হোৱাৰ পিছত পাকিস্তানৰ আবেদনত পোনপটীয়াকৈ সামৰিক কাৰ্যকলাপ বন্ধ কৰা হয়। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা বজাই ৰখাৰ ওপৰত মুকলি বিতৰ্কৰ সময়ত পাকিস্তানৰ বৈদেশিক মন্ত্ৰী ইছাক দাৰে কাশ্মীৰৰ বিষয়টো উত্থাপন কৰিছিল। ইছহাক দাৰৰ প্ৰশ্নত ৰাষ্ট্ৰদূত পি হৰিশে পুনৰবাৰ স্পষ্ট কৰি দিয়ে যে, জম্মু-কাশ্মীৰ ভাৰতৰ এক অবিচ্ছেদ্য অংগ। তেওঁ পাকিস্তানক উত্তৰ দি কয় যে, দেশৰ সাৰ্বভৌমত্বক লৈ প্ৰশ্ন উত্থাপন কৰা যিকোনো প্ৰচেষ্টা ভাৰতে কেতিয়াও মানি নলয়। কাশ্মীৰ বিষয়টোক পাকিস্তানে আন্তৰ্জাতিককৰণৰ তীব্ৰ বিৰোধিতা প্ৰকাশ কৰি আৰু ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত সিন্ধু জল সন্ধিৰ কথা উল্লেখ কৰি পি হৰিছে কয় যে, সন্ত্ৰাসবাদ আৰু আন্তঃৰাষ্ট্ৰীয় শান্তিৰ বিষয়ত পাকিস্তানৰ দ্বৈত চৰিত্ৰ নিন্দনীয়।

## কেন্দ্ৰীয় চৰকাৰলৈ ২০ দিনৰ

আৰু নাগা পিপলছ মুভমেণ্ট ফৰ হিউমেন ৰাইটছ - চাউথ (এন পি এম এইচ আৰ -এছ)-এ ভাৰত চৰকাৰৰ বিদেশ মন্ত্ৰণালয়ক ২০ দিনৰ সময়সীমা জাৰি কৰি ভাৰত-ম্যানমাৰ সীমান্তত ফ্ৰী মুভমেণ্ট ৰিজিম (এফ এম আৰ) বাতিল আৰু নাগা পূৰ্বপুৰুষৰ ভূমিত সীমান্তৰ বেৰা নিৰ্মাণৰ কামৰ বিৰোধিতা কৰিছে। মণিপুৰৰ ৰাজ্যপালৰ জৰিয়তে বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰলৈ প্ৰেৰণ কৰা এই আলটিমেটামত কেন্দ্ৰীয় চৰকাৰৰ এই "একতৰফা আৰু জোৰ-জবৰদস্তিৰ" সিদ্ধান্তৰ বিৰুদ্ধে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰা হৈছে। সংগঠনসমূহে অভিযোগ কৰিছে যে এই পদক্ষেপ স্থানীয় আদিবাসী সম্প্ৰদায়ৰ সৈতে কোনো পৰামৰ্শ নকৰাকৈ গ্ৰহণ কৰা হৈছে। ইউনাইটেড নেচনছ ডিক্লেৰেচন অন দ্য ৰাইটছ অৱ ইণ্ডিজেনাছ পিপলছ (ইউ এন ডি আৰ আই পি)-ৰ অনুচ্ছেদ ৮, ২৬ আৰু ৩৬-ৰ লঙ্ঘনৰ অভিযোগও এই বিবৃতিত উত্থাপন কৰা হৈছে, যি ভাৰতে সমৰ্থন কৰিছে। সংগঠনসমূহে কেন্দ্ৰীয় চৰকাৰক স্মৰণ কৰাইছে যে ২০২৫ৰ জানুৱাৰীৰ পৰা জুলাইলৈকে চেনাপতি, চান্দেল, উখৰুল আৰু কামজং জিলাত বিক্ষোভ সমাবেশ আৰু প্ৰধানমন্ত্ৰী তথা কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ ওচৰত জ্ঞাপন পত্ৰ প্ৰদান কৰা হৈছিল। সংগঠনসমূহে সতৰ্ক কৰিছে যে আলটিমেটামৰ ২০ দিনৰ ভিতৰত এই দাবী পূৰণ নকৰিলে মণিপুৰৰ সকলো নাগা পাৰ্বত্য জিলাত তীব্ৰতৰ বিক্ষোভ পুনৰ আৰম্ভ হ'ব।

## এখন অনুষ্ঠান অভিজ্ঞ ব্যক্তি

অভিজ্ঞ ব্যক্তিৰ ভূমিকা অপৰিহাৰ্য। মুখ্যমন্ত্ৰীয়ে কয়, "মই এই সিদ্ধান্তক সম্পূৰ্ণ সমৰ্থন কৰোঁ। প্ৰেছাৰ দি মোক ৰখাব নোৱাৰে। কোনো এটা অনুষ্ঠান অভিজ্ঞতা অবিহনে চলিব নোৱাৰে।" তেওঁ আৰু জোৰ দি কয়, "অভিজ্ঞতাক যদি কোনোবাই নস্যাত কৰে, তেন্তে এই পৃথিৱী আগবাঢ়িব নোৱাৰে। ঘৰখনো দেউতাৰ অবিহনে চলে নেকি? অভিজ্ঞতাৰ প্ৰয়োজনীয়তা সদায় থাকিব।" তেওঁৰ এই মন্তব্যৰ জৰিয়তে তেওঁ স্পষ্ট কৰিছে যে, এই নীতি অপৰিৱৰ্তিতভাৱে বাহাল থাকিব। ড০ শৰ্মাইও এই সিদ্ধান্তৰ প্ৰতি সমৰ্থন জনাই কয় যে, অভিজ্ঞ ব্যক্তিৰ অৱদান অতুলনীয়। এই ঘোষণাৰ পিছতো বিতৰ্ক কিমানদূৰ শান্ত হ'ব, সেয়া এতিয়াও পৰিষ্কাৰ নহয়।

## অগপৰ তৃণমূল কৰ্মী

তেওঁলোকৰ মনত কেতিয়াবা নোপোৱাৰ বেদনা থাকিব পাৰে। দিল্লীত ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যৰ শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণৰ পিছত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তেওঁ এই মন্তব্য কৰে। দলৰ ভিতৰত সম্প্ৰতি দেখা দিয়া বিদ্ৰোহৰ উকমুকনিৰ বিষয়ে সোধাৰ প্ৰত্যুত্তৰত অতুল বৰাই কয়, "নিৰ্বাচনৰ বাবে এতিয়াও যথেষ্ট সময় বাকী আছে। আমি উজনি অসমৰ বিভিন্ন জিলালৈ গৈ কৰ্মীসকলৰ সৈতে মতবিনিময় কৰিছো। মিত্ৰতাৰ ক্ষেত্ৰত কেতিয়াবা কিছুমান সমষ্টি এৰিবলৈ বা দিবলৈ হ'ব পাৰে। তেনে ক্ষেত্ৰত কৰ্মীসকলৰ আবেগ থাকিলেও তেওঁলোকে শৃংখলা ভংগ নকৰে।" অতুল বৰাই জোৰ দি কয় যে মিত্ৰতাৰ ধৰ্ম সকলোৰে পালন কৰা উচিত। তেওঁ কয়, "বিজেপিৰ লগতে আমিও মিত্ৰতাৰ নীতি মানি চলিব লাগিব। ঠাই বিশেষে কিছু ঘটনা ঘটিব পাৰে, কিন্তু অগপ এটা শৃংখলাবদ্ধ দল। গত ১১ বছৰত মই কাৰো সৈতে আপোচ কৰা নাই আৰু দলীয় শৃংখলা ৰক্ষাৰ বাবে যিমান কঠোৰ হ'ব লাগে, আমি সিমানেই কঠোৰ হ'ম।" তেওঁ আৰু কয়, "আমাৰ তৃণমূল কৰ্মীসকল আমাৰ সম্পদ। তেওঁলোকৰ আবেগ আৰু বেদনাক আমি সন্মান কৰো। কিন্তু কাৰো উচটনিৰ কাৰণে শৃংখলা ভংগ কৰাটো গ্ৰহণযোগ্য নহয়।" তেওঁ স্পষ্ট কৰে যে অগপ কেৱল ক্ষমতাৰ ৰাজনীতিৰ বাবে গঠিত দল নহয়। "অগপ ৰাইজৰ তেজেৰে গঢ়া দল। ইয়াত মানুহৰ আবেগ জড়িত। আমি এই দলক সেৱাৰ মাধ্যম হিচাপে গণ্য কৰো, কাৰো পৈতৃক সম্পত্তি হিচাপে নহয়," তেওঁ কয়। দিল্লী ভ্ৰমণৰ সময়ত অতুল বৰাই কেন্দ্ৰীয় কৃষি মন্ত্ৰীৰ সৈতে সাক্ষাৎ কৰি অসমৰ কৃষি খণ্ডৰ সমস্যাৰ বিষয়ে আলোচনা কৰে। তেওঁ কয়, "ৰাজ্যত কিছুদিন পূৰ্বে বানপানীৰ পিছত এতিয়া খৰাংৰ দৰে পৰিস্থিতিৰ সৃষ্টি হৈছে। এই বিষয়ে কেন্দ্ৰীয় কৃষি মন্ত্ৰী আৰু জ্যেষ্ঠ বিষয়াসকলৰ সৈতে বিশদ আলোচনা হৈছে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশ অনুসৰি আমি ভাৰত চৰকাৰক ৰাজ্যৰ সমস্যাসমূহৰ বিষয়ে অৱগত কৰিছো। কেন্দ্ৰীয় মন্ত্ৰীয়ে অসমলৈ অহাৰ প্ৰতিশ্ৰুতি দিছে, আৰু আমি আশাবাদী যে এই সমস্যাসমূহৰ সমাধান পোৱা যাব।" অগপৰ এটা প্ৰতিনিধি দলে দিল্লীত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাৰ সৈতে এক সৌজন্যমূলক সাক্ষাৎ কৰে। এই সাক্ষাতত অতুল বৰাৰ সৈতে কাৰ্যকৰী সভাপতি তথা মন্ত্ৰী কেশৱ মহন্ত, সাধাৰণ সম্পাদক তথা ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য, আৰু লোকসভাৰ সাংসদ ফণীভূষণ চৌধুৰী উপস্থিত আছিল। অতুল বৰাই কয়, "এন ডি এ-ৰ দীৰ্ঘদিনীয়া মিত্ৰ হিচাপে অগপে অসমৰ উন্নয়ন আৰু জনসাধাৰণৰ কল্যাণৰ বাবে অহৰহ কাম কৰি আহিছে। এই সাক্ষাৎ মিত্ৰতাৰ সম্পৰ্কক আৰু শক্তিশালী কৰিব।" অতুল বৰাৰ মন্তব্যই স্পষ্ট কৰিছে যে অগপৰ তৃণমূল কৰ্মীসকল দলীয় শৃংখলাৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ আৰু মিত্ৰতাৰ ধৰ্ম পালনৰ ক্ষেত্ৰত দলটো অটল। অসমৰ কৃষি খণ্ডৰ সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সৈতে সহযোগিতাৰ প্ৰতিশ্ৰুতিৰ লগতে বিজেপিৰ সৈতে মিত্ৰতাৰ সম্পৰ্ক জোৰদাৰ কৰাৰ প্ৰচেষ্টাই অগপৰ ৰাজনৈতিক দায়বদ্ধতাৰ প্ৰতিফলন ঘটায়।

## জাল নোটৰ ৰেকেট চলোৱা

চেফুল্লাহ কুৰেছি, আৰু জীছান আলীয়ে ছ'চিয়েল মিডিয়া প্লেটফৰ্ম আৰু সন্দেহজনক এপ ব্যৱহাৰ কৰি আল কায়দাৰ মতাদৰ্শ বিয়পাইছিল। সূত্ৰই জনোৱা মতে, তেওঁলোকে সামাজিক মাধ্যমৰ যোগাযোগৰ তথ্য নাইকিয়া কৰি ৰাখিবলৈ অটো-ডিলিট এপ ব্যৱহাৰ কৰিছিল। বৰ্তমান চাৰিওজনকে জেৰা অব্যাহত ৰাখিছে বুলি জানিবলৈ দিয়ে। গুজৰাটৰ এ টি এছৰ বিষয়াসকলে কয় যে অভিযুক্তসকল দীৰ্ঘদিন ধৰি সন্ত্ৰাসবাদী সংগঠনটোৰ সৈতে জড়িত হৈ আছে। তেওঁলোকে ছ'চিয়েল মিডিয়া প্লেটফৰ্মত আল কায়দাৰ সৈতে যোগাযোগ কৰিছিল। ৰাজ্যত সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বিষয়ে আলোচনা কৰি থকা অৱস্থাত ধৰা পৰাৰ পিছতে এই চাৰিওজন আহিছিল এ টি এছৰ ৰাডাৰত। গুজৰাটৰ এ টি এছে কয় যে তেওঁলোকে আড্ডা আৰু ছ'চিয়েল মিডিয়া হেণ্ডেল বিশ্লেষণ কৰা হৈ আছে। আল কায়দা আফগানিস্তানত সন্ত্ৰাসবাদীক পুঁজিৰ যোগান ধৰা সংস্থা হিচাপে ওছামা বিন লাডেনৰ গুৰু শ্বেইখ আব্দুল্লা আজ্জামে সৃষ্টি কৰা মাখতাব আল-খিদামতৰ পৰাই গঢ় লৈ উঠিছিল। আল-কায়েদা, ইয়াৰ সংযুক্ত প্ৰতিষ্ঠান আৰু গোটটোৰ পৰা অনুপ্ৰাণিতসকলে আফ্ৰিকা, এছিয়া, ইউৰোপ আৰু উত্তৰ আমেৰিকাত আক্ৰমণৰ পৰিকল্পনা আৰু কাৰ্যকৰীকৰণৰ সৈতে জড়িত হৈ আছে। আৰম্ভণিৰে পৰা ১৯৯১ চনলৈকে আল কায়দা আফগানিস্তানত আৰু পাকিস্তানৰ পেছাৱাৰত অৱস্থিত আছিল। ১৯৯৬ চনৰ পৰা ২০০১ চনৰ শেষলৈকে বিন লাডেন আৰু আফগানিস্তানৰ সন্ত্ৰাসবাদী সহযোগীসকলে তালিবানৰ সুৰক্ষাত ইয়াক পৰিচালনা কৰিছিল।

## মাচুল বৃদ্ধিৰ প্ৰতিবাদত

শিক্ষাৰ্থীসকলৰ মাজত অসন্তোষৰ সৃষ্টি হৈছে, আৰু বিগত দুদিন ধৰি প্ৰায় ৩০০ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিষ্ঠানৰ চৌহদত শ্লগানেৰে প্ৰতিবাদ জনাইছে। হঠকাৰী মাচুল বৃদ্ধিৰ উপৰিও হোষ্টেলৰ অপৰ্যাপ্ত সুবিধাৰ সমস্যাই শিক্ষাৰ্থীসকলৰ ক্ষোভৰ অন্যতম কাৰণ হৈ পৰিছে। প্ৰতিষ্ঠানখনৰ কৰ্তৃপক্ষই এই সিদ্ধান্ত বাতিল নকৰিলে আন্দোলন অব্যাহত ৰাখিব বুলি শিক্ষাৰ্থীসকলে হুংকাৰ দিছে। ১৭ জুলাইত এই বিষয়ে আলোচনাৰ বাবে এখন মুকলি সভাৰ আয়োজন কৰা হৈছিল, য'ত আই আই টি গুৱাহাটীৰ সঞ্চালক, ছাত্ৰ পৰিক্ৰমা ডীন, শৈক্ষিক পৰিক্ৰমা ডীনৰ দৰে জ্যেষ্ঠ বিষয়াসকল উপস্থিত আছিল। আলোচনাত কৰ্তৃপক্ষই শিক্ষাৰ্থীৰ পৰামৰ্শৰ ভিত্তিত মাচুল হ্ৰাসৰ প্ৰতিশ্ৰুতি দিছিল যদিও সেই প্ৰতিশ্ৰুতি পূৰণ নোহোৱাত শিক্ষাৰ্থীসকলৰ মাজত হতাশাৰ সৃষ্টি হৈছে। ফলস্বৰূপে প্ৰতিষ্ঠানৰ চৌহদ প্ৰতিবাদমুখৰ হৈ পৰিছে। জুলাইৰ পৰা নৱেম্বৰলৈকে পৰৱৰ্তী ছেমিষ্টাৰৰ পঞ্জীয়নৰ সময় নিৰ্ধাৰণ কৰা হৈছে। কিন্তু পি এইচ ডি ছাত্ৰ-ছাত্ৰীসকলে অভিযোগ কৰিছে যে কৰ্তৃপক্ষই সংশোধিত মাচুল পৰিশোধ নকৰিলে পঞ্জীয়নত বাধা আৰোপ কৰিছে। গৱেষক ছাত্ৰ-ছাত্ৰীসকলৰ মতে, তেওঁলোকৰ আৰ্থিক অৱস্থা স্নাতক ছাত্ৰ-ছাত্ৰীৰ তুলনাত সম্পূৰ্ণৰূপে পৃথক। বহু গৱেষক বিবাহিত, পৰিয়াল পোহপালৰ দায়িত্ব বহন কৰাৰ লগতে শিক্ষা ঋণৰ বোজা কঢ়িয়াই ফুৰিছে। ইয়াৰ মাজতে শিক্ষক সহায়ক হিচাপে সামান্য পাৰিশ্ৰমিকত কাম কৰি জীৱিকা নিৰ্বাহ কৰা গৱেষকসকলৰ বাবে এই মাচুল বৃদ্ধি অতিৰিক্ত বোজা হৈ পৰিছে। মাচুল বৃদ্ধিৰ বিষয়ে বিশদভাৱে জানিব পৰা গৈছে যে, পি এইচ ডিৰ প্ৰতি ষাণ্মাসিক মাচুল ৩৪, ৮০০ টকাৰ পৰা ৪৫, ৭০০ টকালৈ বৃদ্ধি পাইছে। নতুনকৈ প্ৰৱেশ কৰা ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত প্ৰথম অৱস্থাত ৯২, ০০০ টকা পৰিশোধ কৰিবলৈ হ'ব। অংশকালীন পি এইচ ডি বৃত্তিৰ মাচুল ২, ৫০০ টকাৰ পৰা ২৫, ০০০ টকালৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ উপৰি জিমখানাৰ চাৰ্জ ১, ০০০ টকাৰ পৰা ২, ০০০ টকা, চিকিৎসা মাচুল ১০০ টকাৰ পৰা ৫০০ টকা, হোষ্টেলৰ ভাড়া, মেছ, বিদ্যুৎ, পানীৰ চাৰ্জৰ লগতে প্ৰতি ষাণ্মাসিকত ১, ৩০০ টকাৰ ফেষ্ট মাচুলো আৰোপ কৰা হৈছে। আই আই টি গুৱাহাটীৰ বাৰ্ষিক অনুষ্ঠান উত্তৰ-পূব ভাৰতৰ অন্যতম জনপ্ৰিয় অনুষ্ঠান হৈ পৰিছে। কিন্তু প্ৰতিবাদকাৰী ছাত্ৰ-ছাত্ৰীসকলে ফেষ্টৰ মাচুল অযুক্তিকৰ বুলি দাবী কৰিছে। তেওঁলোকৰ মতে, কেন্দ্ৰীয় চৰকাৰৰ পৰা হাউচ ৰেণ্ট এলাৱেন্স (এইচ আৰ এ) লাভ কৰাৰ পিছতো প্ৰতিষ্ঠানে হোষ্টেলৰ বাবে অতিৰিক্ত ভাড়া আৰোপ কৰি দুগুণ মাচুলৰ বোজা দিছে। শিক্ষাৰ্থীসকলৰ একাংশই জানিবলৈ দিছে যে, শৈক্ষিক প্ৰয়োজনীয়তা পূৰণৰ বাবে মাচুল পৰিশোধৰ বাহিৰে তেওঁলোকৰ আন কোনো বিকল্প নাছিল। কিন্তু বহুতেই এই বৰ্ধিত মাচুল পৰিশোধ কৰাত অস্বীকাৰ কৰিছে। প্ৰতিবাদকাৰীসকলে অভিযোগ কৰিছে যে, প্ৰতিষ্ঠানে ছাত্ৰ-ছাত্ৰীৰ অসুবিধাৰ প্ৰতি উপেক্ষা কৰি একপক্ষীয়ভাৱে মাচুল বৃদ্ধিৰ সিদ্ধান্ত লৈছে। এই পৰিস্থিতিৰ ফলত গৱেষক ছাত্ৰ-ছাত্ৰীৰ গৱেষণা কাৰ্য স্থবিৰ হৈ পৰাৰ লগতে তেওঁলোকৰ ভৱিষ্যত অনিশ্চিত হৈ পৰিছে। কৰ্তৃপক্ষৰ এই সিদ্ধান্তৰ বিৰুদ্ধে শিক্ষাৰ্থীসকলে তীব্ৰ প্ৰতিবাদ অব্যাহত ৰাখিছে আৰু মাচুল হ্ৰাসৰ দাবীত স্থিৰ আছে। প্ৰতিষ্ঠানৰ কৰ্তৃপক্ষই এই বিষয়ে কি সিদ্ধান্ত লয়, তাৰ ওপৰত সকলোৰ দৃষ্টি নিবদ্ধ হৈ আছে।

## চামগুৰিত উচ্ছেদস্থলীৰ পৰা

হোৱা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। নগাঁও - মৰিগাঁও জিলাৰ পৰা গৈ গোলাঘাট জিলাৰ উৰিয়ামঘাটত অবৈধভাৱে ভূমি দখল কৰি দীৰ্ঘদিন ধৰি বসবাস কৰি থকা এক ঘটনা আজি পোহৰলৈ আহে। নগাঁও জিলাৰ চামগুৰি ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত পথ দুৰ্ঘটনাৰ জৰিয়তেই এই ঘটনাৰ সত্যাসত্য প্ৰমাণিত হয়। ৰাজ্য চৰকাৰে উৰিয়ামঘাটত বেদখল কৰি থকা ভূমি উচ্ছেদৰ বাবে জাননী জাৰি কৰাৰ পাছতেই অবৈধ ভাৱে দখল কৰা সন্দেহজনক দখলদাৰীয়ে ঘৰ-বাৰী এৰি পলায়ন কৰাৰ ঘটনা সংঘটিত হৈছে। আজি নগাঁও জিলাৰ চামগুৰি থানাৰ সমীপৰ বৰালীগাঁৱৰ ১২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত উচ্ছেদস্থলীৰ পৰা সামগ্ৰী কঢ়িয়াই অনা এখন বাহন দুৰ্ঘটনাত পতিত হয়। এ- এছ- ০১- পি- চি- ১২৪৫ নম্বৰৰ বাহনখন যান্ত্ৰিক বিজুতি ঘটি বৰালীগাঁৱৰ ৰাজপথত বাগৰি পৰে। উৰিয়ামঘাটত উচ্ছেদৰ জাননী পোৱাৰ পাছতেই উৰিয়ামঘাট উচ্ছেদস্থলীৰ পৰা বাসগৃহ ভাঙি টালি-টোপোলা সহ বাসগৃহৰ সামগ্ৰী সমূহ ধিং মৈৰাবাৰীলৈ কঢ়িয়াই আনিছিল। হায়াতুল্লা নামৰ লোকজনে উৰিয়ামঘাটৰ পৰা এই সামগ্ৰী সমূহ বাহনখনত কঢ়িয়াই আনিছিল। দীৰ্ঘদিন ধৰি উৰিয়ামঘাটতে ভূমি দখল কৰি অবৈধভাৱে লোকজনে বসবাস কৰি আছিল বুলি জানিব পৰা গৈছে। চৰকাৰীভাৱে অহা উচ্ছেদৰ জাননী পোৱাৰ পাছতেই সুবিধাজনক আশ্ৰয়ৰ স্থান বিচাৰি হায়াতুল্লাই আহি থকাৰ পথতে আজি চামগুৰিত দুৰ্ঘটনাত পতিত হয়।

# তিনিচুকীয়া মহাবিদ্যালয়ত আৱাসিক সংস্কৃত প্ৰবোধন শিবিৰৰ সফল সামৰণি

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২৩ জুলাই ঃ** সংস্কৃত ভাৰতী, অসমে তিনিচুকীয়া মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষ( IQAC)ৰ সহযোগত যোৱা ১৩ জুলাইৰ পৰা অনুষ্ঠিত কৰা সংস্কৃত ভাষাৰ প্ৰবোধন শিবিৰৰ সোমবাৰে সফল সামৰণি পৰে। শিবিৰৰ সামৰণি অনুষ্ঠানটি কালি মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায়। এই উপলক্ষে আয়োজিত গাম্ভীৰ্যপূৰ্ণ সভাৰ আৰম্ভণিতে তিনিচুকীয়া মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড: জীৱন চাংমায়ে দ্বীপ প্ৰজ্বলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰাৰ লগে লগে শিবিৰৰ শিক্ষাৰ্থীসকলে দ্বীপ মন্ত্ৰ উচ্চাৰণ কৰাৰ লগতে শদিয়াৰ চুণপোৰাস্থিত ৰাধা-কৃষ্ণ মন্দিৰ বেদ গুৰুকুলৰ পৰা অহা শিক্ষাৰ্থীসকলে বৈদিক মংগলাচৰণ কৰে। নলবাৰী জিলাৰ পৰা অহা সংস্কৃত ভাষা শিক্ষক কনক দেৱনাথৰ সঞ্চালনাৰে আৰু আৱাসীয় বিভাগীয় সংস্কৃত ভাষাৰ প্ৰবোধন শিবিৰৰ আয়োজক সমিতিৰ সভাপতি দুৰ্গা উপাধ্যায়ৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আয়োজক সমিতিৰ সম্পাদক তথা সংস্কৃত ভাৰতী, অসমৰ বিভাগ সংযোজক অনন্ত চেতিয়াই। শিবিৰৰ শিক্ষাৰ্থী ৰোহিত শৰ্মা, শানবীৰ মাৰ্ডি, বিদিশা ভূঞা আৰু মনোৰঞ্জন শৰ্মাই সংস্কৃত ভাষাত নিজ অনুভৱৰ বিৱৰণ আগবঢ়োৱাৰ বিপৰীতে ৰোহিত, শুভম, আয়ুস, সন্দীপ, অনামিকা, চয়নিকা আৰু বিদিশা - এইসকল শিক্ষাৰ্থীয়ে এখনি নাট মঞ্চস্থ কৰে। শিবিৰৰ অন্য এগৰাকী শিক্ষাৰ্থী অনামিকা শইকীয়াই সংস্কৃত গীতত এটি নৃত্য পৰিৱেশন কৰে। সংস্কৃত ভাষাৰ বিকাশ সাধনৰ কাৰণে সংস্কৃত ভাৰতীৰ কৰ্মসূচীৰ বিষয়ে নিৰ্দিষ্ট ভাষণ আগবঢ়ায় সংস্কৃত ভাৰতীৰ পূৰ্বোত্তৰ প্ৰান্তৰ সংযোজক ড: ৰঞ্জিত তিৱাৰীয়ে। তিনিচুকীয়া মহাবিদ্যালয়ৰ প্ৰতিনিধি হিচাপে মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ড: জীৱন চাংমায়ে উজনি অসমৰ বিভিন্ন জিলাৰ পৰা অহা সংস্কৃত ভাষাৰ শিক্ষাৰ্থীসকলৰ প্ৰতি শুভেচ্ছা প্ৰদান কৰি সাৰগৰ্ভ অভিমত আগবঢ়ায়। তিনিচুকীয়া জিলাৰ শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যাপক চন্দ্ৰ কুমাৰ দাহাল, সংস্কৃত ভাৰতী, অসমৰ তিনিচুকীয়া নগৰ সমিতিৰ সভাপতি অতুলচন্দ্ৰ শৰ্মা আদি বিশিষ্ট ব্যক্তিসকলে সংস্কৃত ভাষাৰ প্ৰবোধন শিবিৰৰ আয়োজক তথা সমূহ উদ্যোক্তালৈ ধন্যবাদ জ্ঞাপন কৰে। তদুপৰি অতুল চন্দ্ৰ শৰ্মাই তেখেতৰ স্বঅনূদিত গ্ৰন্থ "ভৰ্তৃহৰিৰ নীতিশতকম্ - অসমীয়া কাব্যিক অনুবাদ" গ্ৰন্থখনি শিবিৰৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মকতাসকললৈ উপহাৰস্বৰূপে আগবঢ়ায়। উল্লেখযোগ্য যে, সংস্কৃত ভাৰতীয়ে প্ৰতিবছৰে সংস্কৃত ভাষাৰ আৱাসিক শিবিৰৰ ব্যৱস্থা কৰি আহিছে। এইবাৰ তিনিচুকীয়া নগৰৰ মাজমজিয়াত থকা তিনিচুকীয়া মহাবিদ্যালয়ত আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত এই শিবিৰৰ আয়োজন কৰা হৈছিল। এই শিবিৰত মুঠ ১০২জন শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছিল। বৰপেটাৰ সংস্কৃত শিক্ষক ধৰ্মেন্দ্ৰ উপাধ্যায়দেৱৰ নেতৃত্বত আঠজনীয়া শিক্ষকৰ দলে উক্ত সংস্কৃত ভাষাৰ প্ৰবোধন শিবিৰত সেৱা আগবঢ়ায়। এই দলটোত নলবাৰীৰ কনক দেৱনাথ, তপন ৰাজবংশী, তিনিচুকীয়াৰ অনন্ত চেতিয়া, চুমী দাস, যোগমায়া চেতিয়া, কাকপথাৰ মৈত্ৰী সোণোৱাল, নাহৰকটীয়াৰ শাৰদা হাজৰীকা ভূঞা, শদিয়াৰ সোমনাথ আচাৰ্য উপস্থিত থাকি বিভিন্ন দায়িত্বৰে সেৱা আগবঢ়ায়।

### পৰিচিত লোকক আৰক্ষীৰে যোগাযোগৰ আহ্বান

## মৰিয়নী ৰে'লৱে ষ্টেচনত অচিনাক্ত ব্যক্তিৰ দুৰ্ঘটনাত মৃত্যু

**অসম বাৰ্তা, আমগুৰি, ২২ জুলাই ঃ** যোৰহাট জিলাৰ মৰিয়নি ৰে'লৱে প্লেটফৰ্মত আজি ২২ জুলাই তাৰিখে সংঘটিত হোৱা এক দুৰ্ঘটনাত এজন অচিনাক্ত লোক নিহত হয়। ঘটনাৰ বিবৰণ মতে মৰিয়নি জংচনৰ ২ নং প্লেটফৰ্মত এজন অচিনাক্ত ব্যক্তিয়ে ৭৮৬০২ ডিএন ডেম' চলন্ত ৰেলখনত উঠিবলৈ চেষ্টা কৰাৰ সময়ত হঠাতে পিছলি পৰি যায়। ফলস্বৰূপে তেওঁৰ সোঁ ভৰিটো ৰেলৰ চকাৰ তলত পৰি কটা যায় আৰু লগতে মূৰত গুৰুতৰ আঘাতপ্ৰাপ্ত হয়। ঘটনাৰ লগে লগে উপস্থিত ৰেল আৰক্ষী আৰু জিআৰপি বিষয়াসকলে ব্যক্তিজনক তাৎক্ষণিকভাৱে উদ্ধাৰ কৰি ১০৮ এম্বুলেন্সযোগে যোৰহাট চিকিৎসা মহাবিদ্যালয় লৈ প্ৰেৰণ কৰে। চিকিৎসালয়ত ভৰ্তি কৰাৰ পিছতেই কৰ্তব্যৰত চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। মৃত ব্যক্তিজনৰ পৰিচয় এতিয়ালৈকে নিশ্চিত কৰিব পৰা নাই। তেওঁৰ বয়স অনুমাণিক ৪৫ বছৰৰ পৰা ৫০ বছৰৰ ভিতৰত হ'ব বুলি ধাৰণা কৰা হৈছে। বৰ্তমান মৃতদেহটো JMCHৰ মৰ্গত সংৰক্ষণ কৰি ৰখা হৈছে পৰিচয় উন্মোচনৰ বাবে। এই সম্পৰ্কত মৰিয়নী জিআৰপি থানাত ইউডি কেছ নং ২০/২৫ ৰুজু কৰি তদন্ত চলাই আছে। সদাশয় কোনো লোকে মৃত ব্যক্তিজনৰ পৰিচয় পালে স্থানীয় আৰক্ষী বা জিআৰপি বিভাগক যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হৈছে।

## বিজেপি নেতাসহ চাৰিজনক

জড়িত থকাৰ অভিযোগত নলবাৰীৰ এজন বিজেপি নেতাসহ চাৰিজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। চাকৰিৰ প্ৰতিশ্ৰুতি দি ধন সংগ্ৰহৰ অভিযোগত এই গ্ৰেপ্তাৰৰ ঘটনা সংঘটিত হৈছে, যিয়ে চৰকাৰৰ নিযুক্তি প্ৰক্ৰিয়াৰ স্বচ্ছতাৰ দাবীৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছে। আৰক্ষীৰ হাতত ধৰা পৰা বিজেপি নেতাজন হৈছে নুৰ হুছেইন। তেওঁৰ সৈতে সংশ্লিষ্ট তিনিজন অভিযুক্ত হৈছে শশাংক দাস, অমূল্য বসুমতাৰী, আৰু লংকেশ্বৰ দাস। এই চাৰিজনৰ বিৰুদ্ধে বি টি আৰৰ বন বিভাগত ভুৱা নিযুক্তি পত্ৰ বিতৰণৰ অভিযোগ উত্থাপিত হৈছে। নলবাৰী সদৰ থানাত ৰুজু হোৱা ২২৩/২৫ নম্বৰ গোচৰৰ ভিত্তিত আৰক্ষীয়ে গুৱাহাটীৰ বেলতলাৰ পৰা শশাংক দাসক গ্ৰেপ্তাৰ কৰে, যাক এই কেলেংকাৰীৰ মাষ্টৰমাইণ্ড বুলি গণ্য কৰা হৈছে। শশাংকৰ ঘৰ নলবাৰীৰ মাষ্টাৰপাৰাত অৱস্থিত। শশাংক দাসৰ স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে নুৰ হুছেইনকো গ্ৰেপ্তাৰ কৰে। বৰ্তমান ধৃত অভিযুক্তসকলৰ বিৰুদ্ধে নলবাৰী আৰক্ষীয়ে মাৰাথন জেৰা অব্যাহত ৰাখিছে। নলবাৰী জিলা আৰক্ষী অধীক্ষক সুপ্ৰিয়া দাসে জানিবলৈ দিয়া মতে, এই চক্ৰটোৱে মুঠ ১৮জন লোকক ভুৱা নিযুক্তি পত্ৰ প্ৰদান কৰিছিল। ঘটনাৰ সূত্ৰপাত হৈছিল চিৰাং জিলাৰ খণ্ড বন বিষয়াৰ কাৰ্যালয়ত। ১৮জন লোকে নিযুক্তি পত্ৰ লৈ কামত যোগদানৰ বাবে উপস্থিত হোৱাৰ পিছত কাৰ্যালয়ৰ বিষয়াসকলে এই নিযুক্তি পত্ৰসমূহৰ সত্যতাৰ ওপৰত সন্দেহ প্ৰকাশ কৰে। পৰীক্ষাৰ পিছত এই পত্ৰসমূহ ভুৱা বুলি নিশ্চিত হয়। খণ্ড বন বিষয়াই এই বিষয়ে কাজলগাঁও আৰক্ষী থানাত অৱগত কৰে। প্ৰাথমিক তদন্তত আৰক্ষীয়ে জানিব পাৰে যে নলবাৰীৰ এজন ব্যক্তিয়ে এই ভুৱা নিযুক্তি পত্ৰসমূহ বিতৰণ কৰিছিল। ইয়াৰ পিছতে গোচৰটো নলবাৰী সদৰ থানালৈ প্ৰেৰণ কৰা হয়। নলবাৰী আৰক্ষীয়ে তাৰ পিছত গুৱাহাটীৰ বেলতলাৰ পৰা শশাংক দাসক গ্ৰেপ্তাৰ কৰে। তেওঁৰ স্বীকাৰোক্তিৰ ভিত্তিত অন্য তিনিজন অভিযুক্তকো গ্ৰেপ্তাৰ কৰা হয়। আৰক্ষী অধীক্ষক সুপ্ৰিয়া দাসে কয়, "এই কেলেংকাৰীৰ তদন্তত আমি গভীৰভাৱে জড়িত হৈ আছো। ধৃত ব্যক্তিসকলৰ পৰা প্ৰাপ্ত তথ্যৰ ভিত্তিত আমি আৰু তথ্য সংগ্ৰহ কৰি আছো।" আৰক্ষীয়ে এই কেলেংকাৰীৰ সৈতে জড়িত অন্য সম্ভাব্য অভিযুক্তসকলৰ বিষয়ে তথ্য সংগ্ৰহৰ বাবে তদন্ত অব্যাহত ৰাখিছে। এই ঘটনাই নলবাৰীৰ লগতে সমগ্ৰ বি টি আৰ অঞ্চলত ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে। চাকৰি প্ৰাৰ্থীসকলৰ মাজত সৃষ্টি হোৱা এই ভুৱা নিযুক্তি পত্ৰৰ কেলেংকাৰীয়ে সৰকাৰী নিযুক্তি প্ৰক্ৰিয়াৰ স্বচ্ছতাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছে। আৰক্ষীয়ে জনোৱা মতে, এই ধৰণৰ কেলেংকাৰীৰ পুনৰাবৃত্তি ৰোধ কৰিবলৈ তেওঁলোকে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব।

# মায়ঙত যাদু প্ৰশিক্ষণ কৰ্মশালাৰ শুভাৰম্ভণি

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৩ জুলাই ঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু মৰিগাঁও জিলা প্ৰশাসনৰ সহযোগত সমষ্টিয়ে সমষ্টিয়ে ছাত্ৰ-ছাত্ৰী সকলৰ বাবে আয়োজিত হৈ থকা 'গ্ৰীষ্মকালীন কৰ্মশালা' ২০২৫ৰ অংশ হিচাপে মৰিগাঁও জিলাৰ নৱনিযুক্ত জিলা আয়ুক্ত অনামিকা তেৱাৰীৰ পৰিকল্পনা অনুসৰি জাগীৰোড বিধানসভা সমষ্টিৰ অন্তৰ্গত ঐতিহ্যমণ্ডিত মায়ঙতো আজিৰে পৰা যাদু কলা বিষয়ত এটি সাত দিনীয়া প্ৰশিক্ষণ কৰ্মশালাৰ শুভাৰম্ভণি হৈ যায়। মায়ং ইন্দ্ৰজাল যাদু মহোৎসৱ উদযাপন সমিতি আৰু মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ সৌজন্যত আয়োজিত হোৱা এই কৰ্মশালা খনিৰ শুভাৰম্ভণি অনুষ্ঠানত মৰিগাঁও জিলা প্ৰশাসনৰ হৈ উপস্থিত থাকে অতিৰিক্ত জিলা আয়ুক্ত সুলক্ষণা বৰপাত্ৰগোঁহাই। উদ্বোধনী ভাষণ প্ৰসঙ্গত অতিৰিক্ত জিলা আয়ুক্ত গৰাকীয়ে কয় যে এই কৰ্মশালাখনিৰ সফলতাই অনাগত সময়ত মায়ঙৰ সাংস্কৃতিক পৰ্যটন ক্ষেত্ৰখনৰ উত্তৰণত এক সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাব। মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জিত কুমাৰ কলিতাই বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা আজিৰ অনুষ্ঠানত কৰ্মশালা খনিৰ আঁৰৰ উদ্দেশ্য ব্যাখ্যা কৰে আয়োজক বৃন্দৰ হৈ সাংস্কৃতিক সংগঠক ড° উৎপল নাথে। উদ্দেশ্য ব্যাখ্যা প্ৰসঙ্গত তেওঁ কয় যে এই প্ৰশিক্ষণ কৰ্মশালা খনি দুটা ভাগত বিভক্ত কৰা হৈছে। কৰ্মশালাৰ প্ৰথম তিনিটা দিনত মন্ত্ৰ প্ৰসিদ্ধ মায়ঙৰ পৰম্পৰাগত মন্ত্ৰ সংস্কৃতিৰ লগতে প্ৰাচীন বনৌষধী সাধনাৰ ইতিহাস-ঐতিহ্য সম্পৰ্কে প্ৰশিক্ষাৰ্থী সকলক এটা সম্যক আভাস প্ৰদান কৰা হ'ব। আনহাতে কৰ্মশালাৰ শেষৰ চাৰিটা দিনত প্ৰশিক্ষাৰ্থী সকলক বিজ্ঞান-প্ৰযুক্তি আধাৰিত আধুনিক যাদু কলাৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব য'ত যাদু সম্ৰাট বিক্ৰম মুখ্য প্ৰশিক্ষক হিচাপে উপস্থিত থাকিব। মুলতঃ পৰ্যটন উন্নয়নমূলক কৰ্মসূচীৰ অংশ হিচাপে মায়ঙৰ পুৰাতনীয়া মন্ত্ৰ সংস্কৃতিৰ ঐতিহ্য সংৰক্ষণ আৰু আধুনিক যাদু কলাক পৰ্যটনৰ এক আকৰ্ষণীয় সমল হিচাপে উপস্থাপন কৰাৰ লক্ষ্য আগত ৰাখিয়েই কৰ্মশালা খনিৰ আয়োজন কৰা হৈছে বুলি তেওঁ দোহাৰে। আজিৰ অনুষ্ঠানত সমল ব্যক্তি হিচাবে উপস্থিত থাকি বিশিষ্ট লোক গৱেষক লোকেন্দ্ৰ হাজৰিকাই মায়ঙত তন্ত্ৰ- মন্ত্ৰ সাধনাৰ অতীত ঐতিহ্য সম্পৰ্কে বিষদ ভাৱে প্ৰশিক্ষাৰ্থী সকলক অৱগত কৰে। সমল ব্যক্তি হিচাবে উপস্থিত থাকি মায়ঙৰ বিশিষ্ট মন্ত্ৰ সাধক তিলক হাজৰিকাই প্ৰশিক্ষাৰ্থী সকলৰ আগত মন্ত্ৰ সাধনাৰ ক্ষেত্ৰখনত তেখেতৰ বিগত প্ৰায় চল্লিশ বছৰীয়া অভিজ্ঞতাৰ বিষয়ে আলোকপাত কৰাৰ লগতে ভিন ভিন মন্ত্ৰৰ ভিন ভিন সাধনা পদ্ধতি সম্পৰ্কেও অৱগত কৰে।




আজিৰ অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ঐতিহাসিক মায়ং ৰাজ্যৰ পৰম্পৰাগত ৰজা তৰণী কান্ত সিংহ, পবিতৰা অভয়াৰণ্যৰ প্ৰাক্তন বনাঞ্চলিক বিষয়া মুকুল তামোলী, বৰ্তমানৰ বনাঞ্চলিক বিষয়া প্ৰাঞ্জল বৰুৱা আৰু মায়ং গাওঁ পঞ্চায়তৰ সভাপতি দিপাংকৰ কলিতায়ো প্ৰশিক্ষাৰ্থী সকলক উদ্দেশ্যি শুভেচ্ছা মূলক ব্যক্তব্য আগবঢ়োৱাৰ লগতে মায়ঙৰ ঐতিহ্য-পৰম্পৰা সংৰক্ষণৰ বাবে লোৱা এনে প্ৰচেষ্টাৰ বাবে উদ্যোক্তা সকলৰো শলাগ লয়। উল্লেখ্য যে ভাষণ প্ৰসঙ্গত মায়ঙীয়া লোক সংস্কৃতিৰ গৱেষক দ্বয় যথাক্ৰমে লোকেন্দ্ৰ হাজৰিকা আৰু ড০ উৎপল নাথ উভয়ে মায়ঙৰ তন্ত্ৰ-মন্ত্ৰৰ নামত এচাম ব্যক্তিয়ে ব্যৱসায় আৰম্ভ কৰিব খুজা বিষয়টোৰ তীব্ৰ বিৰোধিতা কৰে আৰু মায়ঙৰ এই পুৰাতনীয়া সাংস্কৃতিক ঐতিহ্যত যাতে কোনেও কোনো কাৰণতে কালিমা সানি মায়ঙৰ বদনাম কৰিব নোৱাৰে তাৰ বাবে সকলোকে সজাগ হ'বলৈ বিনম্ৰ আহ্বান জনায়। মুঠতে ৫০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা আজিৰ এই কৰ্মশালাখনিৰ শুভাৰম্ভণি অনুষ্ঠানত মুকুট বিষয়া, মনোজ কুমাৰ নাথ, ৰেণু প্ৰভা লস্কৰ মেধি, ভুপেন কুমাৰ নাথ, দিলীপ কুমাৰ নাথ, কবিতা মেধি, ৰবিন কুমাৰ কলিতা, অতুল চন্দ্ৰ নাথ, পুলেন ৰহাং, বীৰেশ্বৰ কেলেং, চন্দ্ৰ বড়া, বিপুল ডেকা, হৰিপ্ৰসাদ মল্লিক, নজৰুল ইছলাম, বীৰেণ কোৰঁৰ, মহেন্দ্ৰ নাথ, দুলেন নাথ, দুৰ্গেশ্বৰ নাথ, ৰূপম নাথকে ধৰি অঞ্চলটোৰ ভালে সংখ্যক বিশিষ্ট ব্যক্তি আৰু নতুন প্ৰজন্মৰ যুৱক-যুৱতী উপস্থিত থাকে।

## অসম গণ পৰিষদৰ বৰতলা-কালদি আঞ্চলিক সমিতি গঠন

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২৩ জুলাই ঃ** বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত মুকালমুৱাৰ সমীপৱৰ্তী চান্দা গাঁৱত অলপতে দিনজোৰা কাৰ্যসূচীৰে অসম গণ পৰিষদৰ বৰতলা-কালদি আঞ্চলিক সমিতিখন গঠন কৰা হয়। সভাত বৰক্ষেত্ৰী সমষ্টি কমিটীৰ সাধাৰণ সম্পাদক জাহিৰ আবাল চৌধুৰীয়ে ভাষণত কয় যে বৰক্ষেত্ৰী বিধানসভা সমষ্টি পুনৰ্গঠন হোৱাৰ পিছত অসম গণ পৰিষদৰ আঞ্চলিক কমিটী সমূহ নতুনকৈ গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। বৰক্ষেত্ৰী সমষ্টিৰ মুঠ ২৪খন আঞ্চলিক কমিটী গঠন হোৱাৰ পিছত সমষ্টি কমিটীখন পুনৰ গঠন কৰা হ'ব বুলি সাধাৰণ সম্পাদক গৰাকীয়ে ভাষণত উল্লেখ কৰে। সভাত কাৰ্যকৰী সভাপতি হৃষিকেশ শৰ্মাই ভাষণত কয় যে তৃণমুল পৰ্যায়ৰ কৰ্মীসকল সক্ৰিয় হ'লেহে কমিটীসমূহ মজবুত হ'ব। বৰক্ষেত্ৰীৰ প্ৰাক্তন ছাত্ৰনেতা মনোৰঞ্জন মেধি আৰু গৌতম বৰ্মনে আঁতধৰা সভাখনত অৱসৰপ্ৰাপ্ত শিক্ষক হৰেন্দ্ৰ নাথ তালুকদাৰক সভাপতি, কবি প্ৰসাদ বৰ্মন আৰু অচ্যুত হালৈক উপ-সভাপতি আৰু মনোৰঞ্জন মেধিক সম্পাদক হিচাপে লৈ এখন ৩১ জনীয়া বৰতলা-কালদি আঞ্চলিক কমিটীখন পুনৰ গঠন কৰা হয়। আনহাতে, এই সাধাৰণ সভাখনতে অজয় বৰ্মনক সভাপতি হিচাপে লৈ দলৰ যুৱ পৰিষদ আৰু অনামিকা বৈশ্যক সভানেত্ৰী হিচাপে লৈ দলৰ

## উত্তৰ গুৱাহাটীত সাঁতোৰ প্ৰতিযোগিতাৰ প্ৰস্তুতি

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৩ জুলাই ঃ** কামৰূপ জিলা ক্ৰীড়া সন্থা আৰু উত্তৰ গুৱাহাটী সাঁতোৰ প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত প্ৰথম বাৰ্ষিক কামৰূপ জিলা আন্ত বিদ্যালয় সাঁতোৰ প্ৰতিযোগিতাৰ প্ৰয়োজন কৰা হৈছে। মুঠ ৭টা গ্ৰুপত ৪৮ ইভেণ্ট অনুষ্ঠিত হ'ব। এগৰাকী খেলুৱৈয়ে মুঠ তিনিটা ইভেণ্ট অংশগ্ৰহণ কৰিব পাৰিব। ১০ আগষ্ট দেওবাৰে ৰাতিপুৱা ৮ বজাৰ পৰা অনুষ্ঠিত হ'ব লগীয়া প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী সকলে ৭: ৩০ বজাৰ পূৰ্বে উত্তৰ গুৱাহাটী শিলসাঁকোস্থিত সাঁতোৰ প্ৰশিক্ষণ কেন্দ্ৰত উপস্থিত হ'ব লাগিব। যোগদানৰ শেষ দিন ৩ আগষ্ট। ইচ্ছুক খেলুৱৈ সকলক ৯৮৬৪০৫২১৪৬, ৯৮৬৪০৭২০৭০ নম্বৰত আয়োজক সমিতিৰ শচিন্দ্ৰ দাস অথবা প্ৰশান্ত দাসৰ সৈতে যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

## ভষ্মীভূত তিনিখনকৈ ব্যৱসায়িক প্ৰতিষ্ঠান

# জনীয়াৰ মেধিৰটাৰীত ভয়ংকৰ অগ্নিকাণ্ড; চল্লিশ লক্ষাধিক টকাৰ ক্ষতি

**অসম বাৰ্তা, জনীয়া, ২৩ জুলাই ঃ** বৰপেটা জিলাৰ বৰপেটা থানাৰ অন্তৰ্গত মেধিৰটাৰীত যোৱা নিশা আনুমানিক ২ বজাত সংগঠিত হয় এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা। অগ্নিকাণ্ড ইমানেই ভয়ংকৰ আছিল যে মুহূৰ্ততে জুইৰ লেলিহান শিখাত সম্পূৰ্ণৰূপে ভষ্মীভূত হয় তিনিখনকৈ ব্যৱসায়িক প্ৰতিষ্ঠান। অগ্নিকাণ্ডত প্ৰায় ৪০ লক্ষাধিক টকাৰ সামগ্ৰী জুইত ভস্মিভূত হোৱাৰ সন্দেহ। বৈদ্যুতিক চৰ্ট ছাৰ্কিটৰ ফলতেই এই অগ্নিকাণ্ড সংঘটিত হৈছে বুলি ধাৰণা কৰা হৈছে। স্থানীয় ৰাইজৰ সহযোগত অগ্নিনিৰ্বাপক বাহিনীৰ তৎপৰতাত জুই নুমাবলৈ সক্ষম হয় যদিও সম্পূৰ্ণৰূপে ভষ্মীভূত হয় তিনিখন



ব্যৱসায়িক প্ৰতিষ্ঠান। সদাগৰ আলী, ছবেদ আলী আৰু ছবুৰ উদ্দিন আহমেদ নামৰ ব্যক্তি তিনিজনৰ ব্যৱসায়িক প্ৰতিষ্ঠান জুইত সম্পূৰ্ণ জাহ যায়। বেংকৰ পৰা ঋণ লৈ ব্যৱসায় চলোৱা ব্যৱসায়ী সকলৰ উক্ত দোকান জুইত ভস্মীভূত হোৱাত মূৰত সৰগ ভাগি পৰিছে। উপায়ান্তৰ হৈ চৰকাৰৰ ওচৰত সাহায্যৰ দাবী জনাইছে ভুক্তভোগী দোকানী আৰু স্থানীয় ৰাইজে।

# দুধনৈস্থিত 'নৃতাংগন এক নৃত্য অধ্যয়ন কেন্দ্ৰ'ৰ দহদিনীয়া সত্ৰীয়া নৃত্য কৰ্মশালাৰ সামৰণি

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ২৩ জুলাই ঃ** দুধনৈস্থিত "নৃতাংগন এক নৃত্য অধ্যয়ন কেন্দ্ৰ"ই সংগীত নাটক অকাডেমীৰ সহযোগত যোৱা ১২ জুলাইৰ পৰা ২১ তাৰিখলৈ আয়োজন কৰা দহদিনীয়া সত্ৰীয়া নৃত্যৰ কৰ্মশালাৰ সোমবাৰে সামৰণি পৰে। ২০০০ চনত দুধনৈৰ কেইগৰাকীমান সংস্কৃতিবান ব্যক্তিৰ প্ৰচেষ্টাত দুধনৈ নৈৰ পাৰত এক প্ৰাকৃতিক সৌন্দৰ্য্যৰ মাজত গঢ় লৈ উঠিছিল "নৃত্যাংগন এক নৃত্য অধ্যয়ন কেন্দ্ৰ"। তেতিয়াৰ পৰাই আজিলৈ ২৫ বছৰে সত্ৰীয়া নৃত্যৰ উত্তোৰণৰ লগতে মহাপুৰুষ জনাৰ সৃষ্টি সত্ৰীয়া নৃত্যশৈলীৰ প্ৰচাৰ প্ৰসাৰৰ আৰু প্ৰশিক্ষণৰ বাবে কাম কৰি আহিছে। প্ৰতিবছৰে এই অনুষ্ঠানটোৱে কৰ্মশালাৰ আয়োজন কৰি সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ প্ৰদান কৰি আহিছে। ছয় বছৰৰ পৰা এই অনুষ্ঠানত সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ দিয়ি হয়। গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা এই অনুষ্ঠানলৈ সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ লবলৈ আহে। এই অনুষ্ঠানটোৰ পৰাই বহু শিক্ষাৰ্থীয়ে দুৰদৰ্শনৰ শিল্পীৰ মৰ্যাদা লাভ কৰা লগতে বিভিন্ন ক্ষেত্ৰত সুনাম অৰ্জন কৰি আহিছে। এই অনুষ্ঠানটো গঢ়লৈ উঠাৰ পিচতে গোৱালপাৰা জিলাত কেবাখনো সত্ৰীয়া নৃত্য অকাডেমি গঢ়লৈ উঠিছে। সংগীত সত্ৰ পৰীক্ষা পৰিষদৰ অধীনত শিক্ষাৰ্থী সকলে পৰীক্ষাত উত্তীৰ্ণ হব লাগে। আজি ৰূপালী জয়ন্তী বৰ্ষৰ শুভক্ষণত অনুষ্ঠানটোৰ অধ্যক্ষ তৰালী দাসে সংবাদ মাধ্যমক জনোৱা মতে দহদিনীয়া সত্ৰীয়া নৃত্যৰ কৰ্মশালাৰ সামৰণি অনুষ্ঠানত মুখ্য প্ৰশিক্ষক হিচাবে আছিল হৰিপ্ৰসাদ শইকীয়া বৰবায়ন (ভোগপুৰ সত্ৰ, মাজুলী), অনুষ্ঠানটোৰ অধ্যক্ষ তথা দুৰদৰ্শন কেন্দ্ৰৰ গ্ৰেড ওৱান শিল্পী তৰালী দাস, অনুষ্ঠানটোৰ নিয়মীয়া প্ৰশিক্ষক ক্ৰমে নিকিতা দে, বিমল সূত্ৰধৰ, অনিন্দিতা ঠাকুৰীয়া, কৰণ দাস আৰু শিক্ষাৰ্থী সকল উপস্থিত থাকে। অনুষ্ঠানটোত দুধনৈ ভাৰতী সংগীত বিদ্যালয়ৰ অধ্যক্ষ সুকুমাৰ ৰায়ৰ লগতে কেবাগৰাকী ব্যক্তিক সম্বৰ্ধনা জনায়।

## সংস্থাপনৰ ব্যৱস্থা গ্ৰহণ নকৰিলে তীব্ৰ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ

# বাঘজানত নিৰ্মিত এফজিজিএছত স্থানীয় যুৱক-যুৱতীৰ সংস্থাপনৰ দাবীত প্ৰতিবাদী কাৰ্যসূচী

**অসম বাৰ্তা, বাঘজান, ২৩ জুলাই ঃ** ভাৰতৰ্বৰ এক মহাৰত্ন কোম্পানী অইল ইণ্ডিয়া লিমিটেডৰ তত্বাৱধানত বাঘজান ইপিএছ সমীপত নিৰ্মাণ হৈ থকা ফিল্ড গেছ গেডাৰিং ষ্টেশ্যন (এফজিজিএছ) তথা গেছ সংৰক্ষণ কেন্দ্ৰত স্থানীয় নিবনুৱাসকলক সংস্থাপন দিয়াৰ বিপৰীতে বহিৰাগত বণিয়াক সংস্থাপন দিছে। অস্থায়ীভাৱে বাঘজান অঞ্চলৰ যিসকলক সংস্থাপন দিছে তেওঁলোকক ৩০০ টকা হাজিৰা দি প্ৰয়োজনতকৈ বেছি কাম কৰাই আহিছে। সমান্তৰালকৈ স্থানীয় অস্থায়ী শ্ৰমিকসকলৰ সুৰক্ষাৰ ক্ষেত্ৰত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাকৈয়ে ওপৰলৈ ৰ'ড উঠোৱা, কেবুল টনা আদি কামত নিয়োজিত কৰিছে। উল্লেখ্য যে কোনোবা শ্ৰমিকক যদি জোতা দিছে, কাৰোবাক আকৌ হেলমেট, আন কাৰোবাক পি পি কিট, কাৰোবাক চেফটি বেল্ট। কিন্তু কোনো এজন শ্ৰমিকক সুৰক্ষাৰ ক্ষেত্ৰত সম্পূৰ্ণ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা নাই উক্ত প্ৰতিষ্ঠানটোৱে। আজি গেছ সংৰক্ষণ কেন্দ্ৰৰ সন্মুখত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি এই অভিযোগ উত্থাপন কৰে স্থানীয় দল-সংগঠন আৰু কৰ্মৰত শ্ৰমিকসকলে। অসম মৰাণ সভা, সদৌ মৰাণ ছাত্ৰ সন্থা, বাঘজান শাখা সমিতি, বাঘজান গাঁও মিলনজ্যোতি যুৱ সংঘৰ যৌথ উদ্যোগত আৰু স্থানীয় দল-সংগঠনৰ সহযোগত ৰূপায়ণ কৰা প্ৰতিবাদী কাৰ্যসূচীত অসম মৰাণ সভাৰ ডুমডুমা আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক বিশ্বজিত




হাজৰিকাই উপস্থিত থাকি বাঘজান অঞ্চলৰ নিবনুৱা যুৱক-যুৱতীসকলক দক্ষতাৰ ভিত্তিত কাৰিকৰী হওক নতুবা অকাৰিকৰী; যিকোনো বিভাগত বাঘজান গাঁৱত স্থাপন হোৱা গেছ সংৰক্ষণ কেন্দ্ৰত স্থায়ী সংস্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ অইল ইণ্ডিয়া লিমিটেড, চৰকাৰ-প্ৰশাসন আৰু এফজিজিএছ কৰ্তৃপক্ষক দাবী জনায়। মৰাণ সভাৰ বাঘজান শাখাৰ সভাপতি ৰূপম মৰাণে ইতিমধ্যে সংস্থাপিত হৈ থকা শ্ৰমিকসকলৰ সুৰক্ষাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা, শ্ৰমিকসকলৰ হাজিৰা ৩০০ টকাৰ পৰা ৫০০ টকালৈ বৃদ্ধি কৰা, প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰা শ্ৰমিকসকলক দোষাৰূপ নকৰি আৰু হাজিৰা কৰ্তন নকৰি উচিত মূল্য দিবলৈ দাবী জনায়। বাঘজান গাঁও মিলনজ্যোতি যুৱ সংঘৰ সাধাৰণ সম্পাদক জিণ্টু হাজৰিকাই দল-সংগঠনৰ দাবীৰ প্ৰতি যদি কোনো ধৰণৰ সঁহাৰি নজনাই তেন্তে আগন্তুক দিনত তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰে। প্ৰতিবাদী কাৰ্যসূচীত বাঘজান আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ উপস্থিতিত এফজিজিএছৰ কৰ্তৃপক্ষ আৰু অইল ইণ্ডিয়ালৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে। সংশি-ষ্ট কৰ্তৃপক্ষৰ তৰফৰ পৰা এসপ্তাহৰ ভিতৰত এক আলোচনাত মিলিত হৈ দাবীসমূহৰ ওপৰত এক সঠিক সিদ্ধান্তত উপনীত হ'ব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে। এসপ্তাহৰ ভিতৰত স্থানীয় দল-সংগঠনৰ দাবী পূৰণৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰে ই পৰৱৰ্তী সময়ত লক্ষণীয় হ'ব।

## নলবাৰী কাৰাগাৰত আইন সজাগতা সভা সম্পন্ন

**অসম বাৰ্তা, ঘগ্ৰাপাৰ, ২৩ জুলাই ঃ** নলবাৰী কাৰাগাৰত নলবাৰী জিলা আইন প্ৰাধিকাৰীৰ উদ্যোগত আৰু স্বেচ্ছাসেৱী সংগঠন ব্লু স্কাইৰ সহযোগত মহিলা চেলত এখন আইন সজাগতা সভা অনুষ্ঠিত হয়। উক্ত সভাত নলবাৰী জিলাৰ জিলা আৰু সত্ৰ ন্যায়াধীশ তথা নলবাৰী জিলা আইন সেৱা প্ৰাধিকাৰীৰ অধ্যক্ষ মল্লিকা দত্তৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশ ফৰহান উদ্দিন চৌধুৰী, জিলা আইন সেৱাৰ সচিব জুৰি দত্ত, ব্লু স্কাইৰ প্ৰতিষ্ঠাপক সভাপতি ডঃ অমলেশ অধিকাৰী আৰু আইন উপদেষ্টা চন্দন মালাকৰ উপস্থিত থাকে। উয়স্থিত ব্যক্তি সকলে মহিলা কয়দী সকলে পাব পৰা বিনামুলীয়া আইন সম্পৰ্কে ভাষণ দিয়ে। লগতে মহিলা কয়দী সকলৰ উপকাৰ হোৱাকৈ পানীৰ ফিল্টাৰ আৰু চেনিটাৰী নেপকিন বিতৰন কৰে। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়ায় নলবাৰী জিলা আইন সেৱা প্ৰাধিকাৰীৰ সচিব জুৰি দত্তই। সভাত জিলা আৰু সত্ৰ ন্যায়াধীশৰ লগতে মুখ্য ন্যায়াধীশ দণ্ডাধীশে ব্লু স্কাইৰ এনেকুৱা জনহিতকৰ কৰ্মৰ বাবে শলাগ লয়।

# ডিব্ৰুগড়ত ৰাজ্য চৰকাৰৰ উদ্যোগত গ্ৰীষ্মকালীন ১৫ দিনীয়া সত্ৰীয়া সাংস্কৃতিক কৰ্মশালাৰ সামৰণি




**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৩ জুলাই ঃ** গ্ৰীষ্ম বন্ধৰ সময়চোৱাত ছাত্ৰ ছাত্ৰীক সুকুমাৰ কলাৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ লগতে তেওঁলোকৰ মানসিক উৎকৰ্ষ সাধনৰ লক্ষ্যৰে ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত সমগ্ৰ ৰাজ্যৰ লগতে ডিব্ৰুগড়টো অনুষ্ঠিত গ্ৰীষ্মকালীন কৰ্মশালাৰ ২০ জুলাইত সফল সামৰণি পৰে। ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত বিধানসভা সমষ্টি ভিত্তিত অনুষ্ঠিত গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণি অনুষ্ঠানটি জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত সম্পন্ন হয়। ডিব্ৰুগড়ৰ সত্ৰীয়া সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত আয়োজিত অনুষ্ঠানৰ কৰ্মশালাত বিশেষকৈ বৰগীত, সত্ৰীয়া নৃত্য আৰু অভিনয় শিতানত প্ৰশিক্ষণ প্ৰদান কৰা হয়। সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে অনুষ্ঠিত কৰা এই গ্ৰীষ্মকালীন কৰ্মশালাত মুখ্য প্ৰশিক্ষক হিচাপে থাকে সত্ৰীয়া সংস্কৃতিৰ পণ্ডিত যোগেন দত্ত বৰবায়ন। ১৫ দিনীয়া এই কৰ্মশালাত প্ৰশিক্ষাৰ্থীসকলে প্ৰশিক্ষণ কৰি সামৰণিৰ দিনা নিজ নিজ পাৰদৰ্শিতা প্ৰদৰ্শন কৰি সকলোকে আপ্লুত কৰে। সামৰণি অনুষ্ঠানত শক্তি মন্ত্ৰী তথা ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য কন্দৰ্প কুমাৰ ডেকা, ডিব্ৰুগড় জিলাৰ সহকাৰী আয়ুক্ত জুৰী দলে, সাংস্কৃতিক উন্নয়ন বিষয়া সুদৰ্শন বৰাসহ বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকাই আৰু সমূহীয়া প্ৰাৰ্থনাৰে আৰম্ভ কৰা হয় মূল কাৰ্যসূচী।

## শালৰ পানী যোগান প্ৰকল্প উদ্বোধন

# শদিয়াত মুখ্যমন্ত্ৰী; বুঢ়া-বুঢ়ী শালৰ আন্তঃগাঁথনি উন্নয়ন প্ৰকল্পৰ ভূমি পূজনত অংশগ্ৰহণ

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৩ জুলাই ঃ** এক চাৰিদিনীয়া তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলা ভ্ৰমণসূচী লৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আজি বিয়লি আহি ডিব্ৰুগড়ৰ মোহনবাৰী বিমান বন্দৰত উপস্থিত হয়। তাৰপৰা তেওঁ পোনে পোনে তিনিচুকীয়া জিলাৰ শদিয়া সম-জিলাৰ সদৰ চাপাখোৱালৈ যায় আৰু তাত ঐতিহাসিক বুঢ়া-বুঢ়ী শালৰ আন্তঃগাঁথনি উন্নয়ন প্ৰকল্পৰ ভূমি পূজন কাৰ্যসূচীত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে প্ৰায় ৮.৭২ কোটি টকা ব্যয় সাপেক্ষে ঐতিহাসিক বুঢ়া-বুঢ়ী শালৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে এটি প্ৰকল্প হাতত লৈছে। এই প্ৰকল্পৰ অধীনত শালখনৰ চৌহদত এটা অত্যাধুনিক সভা-গৃহ, এটা অতিথিশালা, পুৰোহিতসকলৰ বাবে এটা নিবাস, শালৰ মূল তোৰণখন নতুনকৈ নিৰ্মাণ কৰাৰ লগতে মূল শালখনৰ মেৰামতি কৰা হ'ব। তদুপৰি আজি মুখ্যমন্ত্ৰী শৰ্মাই শালৰ চৌহদত ৮০.৯২ লাখ টকা ব্যয় সাপেক্ষে নতুনকৈ নিৰ্মাণ কৰি উলিওৱা এটি খোৱা পানীৰ প্ৰকল্প আনুষ্ঠানিকভাৱে উদ্বোধন কৰি ধৰ্মপ্ৰাণ ৰাইজলৈ উছৰ্গা কৰে। এই অনুষ্ঠানত তিনিচুকীয়া জিলাৰ অভিভাৱক মন্ত্ৰী বিমল বড়া, শ্ৰমিক কল্যাণ চাহ, জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালা, শদিয়াৰ বিধায়ক বলিন চেতিয়া, তিনিচুকীয়াৰ বিধায়ক সঞ্জয় কিষান, ডিগবৈৰ বিধায়ক সুৰেন ফুকন, নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈ, তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পাল, প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।



অনুষ্ঠানৰ শেষত সাংবাদিকেৰে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰী শৰ্মাই কয় যে এই শালৰ এক মাহাত্ম্য আছে আৰু আধ্যাত্মিক প্ৰশান্তি লাভ কৰিবলৈ ৰাইজক এই শাললৈ আহিবলৈ তেওঁ আহ্বান জনায়। অসমৰ অন্যান্য স্থানত সম্প্ৰতি চলি থকা উচ্ছেদ তিনিচুকীয়া জিলাতো চলিব পাৰে নেকি বুলি সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী শৰ্মাই কয় যে অসমৰ সকলো বেদখলকৃত ভূমি পৰ্যায়ক্ৰমে বেদখলমুক্ত কৰা হ'ব।

# ৰূপ বৰণ চিত্ৰ কলা বিদ্যালয়ৰ উদ্যোগত চিত্ৰ কলা আৰু মুখা নিৰ্মাণ কৰ্মশালা আৰম্ভ

**অসম বাৰ্তা, উজনী মাজুলী, ২৩ জুলাই ঃ** মাজুলীৰ প্ৰথমখন পদ্ধতিগত কলা আৰু ভাস্কৰ্যৰ শিক্ষানুষ্ঠান ৰূপ বৰণ চিত্ৰ কলা বিদ্যালয়ৰ উদ্যোগত আজিৰে পৰা সাতদিনীয়া "চিত্ৰ কলা আৰু মুখা নিৰ্মাণ কৰ্মশালা আৰম্ভ কৰে। সেই উপলক্ষে আজি পুৱা ১১ বজাৰ পৰা ৰূপ বৰণ চিত্ৰকলা বিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজন কৰা কৰ্মশালাৰ শুভাৰম্ভণি অনুষ্ঠানত সঞ্চালনা কৰে বিদ্যালয়ৰ অধ্যক্ষ দীপু বৰাই। সভাত মাজুলী উন্নয়ন খণ্ডৰ বিষয়া অঞ্জিতা পলে সাৰগৰ্ভ ভাষণ প্ৰদান কৰি কৰ্মশালাখনি উদ্বোধন কৰে। সভাত আদৰণি ভাষণ আগবঢ়ায় মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ আনন্দ হাজৰিকাই। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি মাজুলী জিলা যুৱ ছাত্ৰ পৰিষদৰ সভাপতি মুনিন্দ্ৰ ভূএল, জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰাঞ্জল শইকীয়া, বিশিষ্ট শিল্পী তথা জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰণজিৎ কুমাৰ ভূএল, প্ৰকৃতিপ্ৰেমী অতুল চন্দ্ৰ হাজৰিকা, চামগুৰি সত্ৰৰ মুখা শিল্পী ধীৰেন গোস্বামী, সাংবাদিক বিপুল শ ইকীয়া, চিত্ৰ শিল্পী ত্ৰিনয়ন নেওগ উপস্থিত থাকি শুভেচ্ছা মূলক ভাষণ দিয়ে। উদ্বোধনী অনুষ্ঠানত ৰূপ বৰণ চিত্ৰ কলা বিদ্যালয়ৰ শিক্ষক, কৰ্মচাৰী আৰু অভিভাৱক সকল উপস্থিত থাকে। উল্লেখযোগ্য যে ২০০০ চনতে প্ৰতিষ্ঠা লাভ কৰা মাজুলীৰ প্ৰথমখন পদ্ধতিগত কলা আৰু ভাস্কৰ্যৰ শিক্ষানুষ্ঠান ৰূপ বৰণ চিত্ৰ কলা বিদ্যালয়ে প্ৰতি বছৰে কৰ্মশালা, চিত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত কৰি ছাত্ৰ ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ বাবে পদক্ষেপ গ্ৰহণ কৰি আহিছে। কৰ্মশালাত মাজুলীৰ বিভিন্ন প্ৰান্তৰ ৫৫গৰাকী ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

## মথনগুৰি সমষ্টিত BPFৰ বৃহৎ যোগদান কাৰ্যসূচী

**অসম বাৰ্তা, বৰপেটাৰোড, ২৩ জুলাই ঃ** মথনগুৰি পৰিষদীয় সমষ্টিৰ বাৰাপেটাত BPF দলৰ বৃহৎ যোগদান কাৰ্যসুচী। যোগদান কাৰ্যসুচীত বিজেপি, এ আই ইউ ডি এফ আৰু ইউ পি পি এলৰ ৮০ গৰাকী কৰ্মীৰ BPFত যোগদান। BPFৰ যোগদান কাৰ্যসুচীত BPFত যোগদান কৰা বিভিন্ন দলৰ ভিতৰত সৰহ সংখ্যকে মহিলা কৰ্মী। UPPLৰ ভ্ৰষ্টাচাৰী, স্বজন তোষন আৰু দুৰ্নীতিৰ বাবে ৰাইজ বিতুষ্ট হৈছে বুলি BPFৰ মুখপাত্ৰ বেগম আকতাৰা আহমেদৰ মন্তব্য। সমাগত পৰিষদীয় নিৰ্বাচনত BPFয়েই কৰিব চৰকাৰ। UPPL য়ে কোনো উন্নয়নমুলক কাম কৰিব পৰা নাই। মথনগুৰি সমষ্টিৰ যোগদান কাৰ্যসুচীত BPFৰ বহু দলীয় নেতা কৰ্মীৰ উপস্থিত থাকি বক্তব্য প্ৰদান কৰে।

### উচ্ছেদৰ জাননী পোৱাৰ পিছতে সীমান্ত অঞ্চল ত্যাগ বেদখলকাৰীৰ

# উৰিয়ামঘাটত লানি নিচিগা গাড়ীৰ দীঘল শাৰী

**অসম বাৰ্তা, ধনশিৰি, ২৩ জুলাই ঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই বেদখলকাৰীৰ ওপৰত সপ্তম ৰূপত থিয় দিয়াৰ পিছতেই উৰিয়ামঘাট সীমান্তত গোলাঘাট জিলা প্ৰশাসন, সৰুপথাৰ সমজিলা প্ৰশাসন আৰু বন বিভাগে ড্ৰোন কেমেৰাৰে এক দীঘলীয়া জৰীপ সম্পন্ন কৰে। পিছত গোলাঘাট জিলাৰ বন বিভাগে ২১ জুলাই তাৰিখে ৰেংমা বনাঞ্চলত বাস কৰা সকলো বেদখলকাৰীক সেই স্থান খালী কৰিবলৈ এসপ্তাহৰ সময়সীমা বান্ধি দি জাননী প্ৰেৰণ কৰে। আনহাতে মঙ্গলবাৰে সৰুপথাৰ আবৰ্ত ভৱনত অসম আৰু নাগালেণ্ড প্ৰশাসনে এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত গোলাঘাট জিলা আয়ুক্ত পুলক মহন্ত, নগালেণ্ডৰ উখা আৰু নিউলেণ্ডৰ উপায়ুক্ত, গোলাঘাট জিলাৰ আৰক্ষী অধীক্ষক ৰাজেন সিং, সীমান্ত দণ্ডাধীশ, চিআৰপিএফ বাহিনী আৰু বন বিভাগৰ উচ্চ পদস্থ বিষয়া সকল উপস্থিত থাকে। বৈঠকৰ পিছত গোলাঘাটৰ জিলা আয়ুক্ত পুলক মহন্তই অসম চৰকাৰে ৰেংমা বনাঞ্চলত কৰিবলগীয়া উচ্ছেদ অভিযানত নগালেণ্ড চৰকাৰৰ সমৰ্থন থাকিব বুলি সংবাদ মাধ্যমৰ আগত সদৰি কৰে। অসম নগালেণ্ড সীমান্তৰ পৰা এতিয়া দৈনিক শ' শ' লোকে টালি টোপোলা বান্ধি সেই স্থান ত্যাগ কৰিছে। ইফালে উৰিয়ামঘাট সীমান্তৰ ১২টিকৈ পৰিয়ালে টালি টোপোলা বান্ধি সৰুপথাৰ সমজিলাৰ নাওজান অঞ্চলৰ কৈৰী গাঁৱত আশ্ৰয় লবলৈ যাওঁতেই পৰিয়াল কেইটাক নাওজান আৰক্ষীয়ে আটক কৰিছে। ইতিমধ্যে সৰুপথাৰৰ উৰিয়ামঘাট সীমন্তলৈ নগাওঁ, ধিং, হোজাই, ৰূপহী, মৈৰাবাৰী ইত্যাদি স্থানৰ পৰা অহা বিভিন্ন সামগ্ৰী কঢ়িওৱা বাহনৰ সোঁত বৈছে। উৰিয়ামঘাট আৰক্ষীয়ে প্ৰতিখন গাড়ীৰ ওপৰত চোকা নজৰ ৰাখিছে আৰু বাহিৰৰ পৰা অহা খালী গাড়ী আৰু ওলাই অহা সকলোবোৰ মালভৰ্তি গাড়ী তন্ন তন্নকৈ পৰীক্ষা কৰিছে। আনহাতে উৰিয়ামঘাট সীমান্তৰ বিভিন্ন প্ৰান্তত অবৈধভাৱে বেদখল কৰি থকা বহুসংখ্যক লোক সৰুপথাৰ ৰেল'ৱে ষ্টেচনত ভীৰ কৰিছে আৰু বিভিন্ন ৰে'লযোগে নিজৰ ঠাইলৈ ৰাওনা হোৱা দেখিবলৈ পোৱা গৈছে। অসম চৰকাৰৰ এই উচ্ছেদ অভিযানক সৰুপথাৰ অঞ্চলৰ প্ৰায় বিলাক দলঞ্চসংগঠনেও সমৰ্থন আগবঢ়াইছে আৰু কোনো কাৰণত এই লোকসকল যাতে ওচৰৰে বেলেগ গাঁৱত প্ৰৱেশ নকৰে তাৰপ্ৰতি চকু ৰাখিছে। আনহাতে সৰুপথাৰ পদুমনি মছজিদ কমিটিয়েও তেওঁলোকৰ গাঁৱত উচ্ছেদিত লোকৰ প্ৰৱেশ নিষিদ্ধ কৰি গাঁৱলৈ সোমোৱা প্ৰৱেশ পথত বেনাৰ লগোৱা পৰিলক্ষিত হৈছে। সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে ৰেংমা বনাঞ্চলত বাস কৰা প্ৰতিজন ব্যক্তিক জাননীত উল্লেখ কৰা নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সেই স্থান খালী কৰি আঁতৰি যাবলৈ আহ্বান কৰিছে। আনহাতে চৰকাৰৰ পৰা জাননী লাভ কৰাৰ পিছতেই উৰিয়ামঘাট সীমান্তৰ বহু সংখ্যক অনুপ্ৰৱেশকাৰীয়ে টালিঞ্চটোপোলা বান্ধি সেই স্থান ত্যাগ কৰিছে। ৰেংমা বনাঞ্চলত অবৈধভাৱে বসবাস কৰি থকা লোকসকলৰ ঘৰুৱা বয় বস্তু নিবলৈ বিভিন্ন গাড়ীয়ে লানি নিচিগাকৈ এক দীঘলীয়া শাৰী পাতিছে। বিদ্যাপুৰ অঞ্চলত অবৈধভাৱে দখল কৰি বিভিন্ন মিঞাসকলৰ লগতে বিভিন্ন ব্যৱসায় প্ৰতিষ্ঠানেও গঢ় লৈ উঠিছিল। সেই দোকানসমূহো ইতিমধ্যে খালী কৰিবলৈ নিৰ্দেশ লাভ কৰিছে আৰু বহু সংখ্যক দোকান বজাৰ ইতিমধ্যেই খালী কৰিছে। খিলঞ্জীয়া লোকসকলৰ অভিযোগ মতে ৰেংমা বনাঞ্চল ধ্বংস কৰি এইসকল মিঞা লোকে বহু বছৰ ধৰি উৰিয়ামঘাট সীমান্তৰ বিভিন্ন প্ৰান্তত হাজাৰ হাজাৰ বিঘা ভূমি বেদখল কৰি তামোলঞ্চপানৰ বাৰী পতাৰ উপৰিও শীলৰ ৰমৰমীয়া ব্যৱসায় চলাই গৈছিল। লগতে প্ৰতি বছৰে সেই স্থান সমূহত মিঞাসকলৰ অঙহী-বঙহী লোকৰ আগমন ঘটি ঘটি এখন মিঞা সাম্ৰাজ্য গঢ়ি তুলিছিল। ইফালে বন বিভাগৰ পৰা উচ্ছেদ অভিযানৰ জাননী প্ৰেৰণ কৰাৰ পিছতেই উৰিয়ামঘাট বজাৰ আৰু সৰুপথাৰ বজাৰৰ বিভিন্ন ব্যৱসায়ী সকলৰ নিদ্ৰা হৰিছে। দোকান পোহাৰ সমূহত গ্ৰাহকৰ সংখ্যা যথেষ্ট হ্ৰাস পাইছে। দোকান বজাৰৰ আকস্মিক পতনে চিন্তিত কৰি তুলিছে ক্ষুদ্ৰ ব্যৱসায়ী সকলক।





## মাকুমত অসম গেছ কোম্পানী লিমিটেডৰ অধীনৰ প্ৰথমটো সংহত শক্তি কেন্দ্ৰত উপস্থিত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা

**অসম বাৰ্তা, মাকুম, ২৩ জুলাই ঃ** অসম চৰকাৰৰ অসম গেছ কোম্পানী লিমিটেডে মাকুম নাহৰণী বাইপাছস্থিত প্ৰথমটো সংহত শক্তি কেন্দ্ৰত মঙ্গলবাৰে নিশা উপস্থিত হয় ৰাজ্যৰ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা। যোৱা ১ মে'ত পি এচ কে অ' ফুয়েল চাৰ্ভিছ চেণ্টাৰ নামৰ ফাৰ্মৰ উদ্যোগত গঢ় লৈ উঠা কেন্দ্ৰটো অসম গেছ কোম্পানী লিমিটেডৰ অধ্যক্ষ তথা শদিয়া সমষ্টিৰ বিধায়ক বলীন চেতিয়াই মাংগলিক কাৰ্যসূচীৰে উদ্বোধন কৰিছিল। উক্ত সংহত শক্তি কেন্দ্ৰত উপস্থিত হৈ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰটোৰ নিৰীক্ষণ কৰি শলাগ লোৱাৰ লগতে কেন্দ্ৰটোৰ কৰ্তৃপক্ষলৈ শুভেচ্ছা জ্ঞাপণ কৰি তেল দিয়া নলী মুখ্যমন্ত্ৰী গৰাকীৰ হাতত দেখা গল। আধুনিক সংহত শক্তি কেন্দ্ৰটোত পেট্ৰ'ল, ডিজেল, চি এন জি আৰু ই ভি চাৰ্জিঙৰ সুবিধা থকাৰ লগতে খোৱা বোৱা নৈশ যাপনৰ ব্যৱস্থাও উপলব্ধ আছে বুলি পি এচ কে অ' ফুয়েল চাৰ্ভিছ চেণ্টাৰৰ কৰ্তৃপক্ষই সংবাদ মাধ্যমৰ জৰিয়তে অৱগত কৰে লগতে গ্ৰাহক ৰাইজক কেন্দ্ৰটোত পেট্ৰল ভৰাই সহযোগিতা প্ৰদান কৰিবলৈ আহ্বান জনাইছে।

## মৰিগাঁও জিলা সাহিত্য সভাৰ সাংস্কৃতিক উপ-সমিতিৰ উদ্যোগত বৰগীতৰ কৰ্মশালা

**ষ্টাফ ৰিপ'ৰ্টাৰষ মৰিগাওঁ, ২৩ জুলাই ঃ** মৰিগাঁও জিলা সাহিত্য সভাৰ সাংস্কৃতিক উপ-সমিতিৰ সৌজন্যত আজিৰ পৰা পাঁচ দিনীয়াকৈ জিলা সাহিত্য সভাৰ শশীকান্ত হাজৰিকা ভৱনত তথা জিলা সভাৰ কাৰ্যালয়ত বৰগীতৰ কৰ্মশালা অনুষ্ঠিত হয়। সংগতি ৰাখি দিনৰ দুই বজাত কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠান আয়োজন কৰা হয়। জিলা সাহিত্য সভাৰ সভাপতি ডং হৰমোহন কলিতাই বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচী শুভাৰম্ভণি কৰে। জিলা সাহিত্য সভাৰ সম্পাদক কুশল কুমাৰ বৰাই আঁতধৰা উদ্বোধনী অনুষ্ঠানত জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মহেন্দ্ৰ শইকীয়া উপস্থিত থাকি কৰ্মশালাৰ শুভ উদ্বোধন কৰে। উদ্বোধনী ভাষণত তেখেতে অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাপক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টি বৰগীত প্ৰশিক্ষণৰ কৰ্মশালাৰ আয়োজন কৰি জিলা সাহিত্য সভাই এক প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰে। উদ্বোধনী অনুষ্ঠানত জিলা সাহিত্য সভাৰ উপ-সভাপতি লক্ষেশ্বৰ বৰদলৈ, সাংগঠনিক সম্পাদক প্ৰাঞ্জল বৰা, কাৰ্যালয় সম্পাদক যশোৱন্ত নাথ, পুঁথিভঁৰাল সচিব খগেন বৰা উপস্থিত থাকে। সাংস্কৃতিক উপ-সমিতিৰ আহ্বায়ক তপন শৰায়ে আদৰণি অনুষ্ঠানৰ আঁত ধৰে। কৰ্মশালাত প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰে ক্ৰমে গিতালী মহন্ত, প্ৰদীপ পাতৰ আৰু ৰামাজিৎ বৰদলৈয়ে। পুৱাৰ ভাগত গুৰুআসন প্ৰতিষ্ঠা কৰে বিশিষ্ট সংস্কৃতিক কৰ্মী বাবুলি কলিতাই। অনুষ্ঠানত জাগী ভকতগাঁও শাখাৰ সম্পাদক হিমু বৰা, সাংস্কৃতিক উপ-সমিতিৰ বিষয়ববীয়া ক্ৰমে সুৰেন মহন্ত, ভৱজ্যোতি নাথ, পুৰালী দেৱী, বন্দীতা বৰদলৈ, জিলা কাৰ্যনিৰ্বাহক ললিতা দেৱী, যুৱ সাংসদ শাখা সমিতিৰ আহ্বায়ক দিগন্ত মহন্ত প্ৰমুখ্যে বিষয়ববীয়া সকল উপস্থিত থাকে। কৰ্মশালাত প্ৰায় চল্লিশ গৰাকী প্ৰশিক্ষাৰ্থীয়ে বৰগীতৰ প্ৰশিক্ষণ গ্ৰহণ কৰে। প্ৰশিক্ষণৰ আৰম্ভণিতে নিতিশা বৰাই এটি বৰগীত পৰিবেশন কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰি তোলে।




## তিনিচুকীয়াত তিনিদিনীয়া বনগীতৰ কৰ্মশালাৰ সামৰণি অনুষ্ঠান সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২৩ জুলাই ঃ** বিহু সুৰক্ষা সমিতি, অসমৰ তিনিচুকীয়া আঞ্চলিক সমিতিৰ উদ্যোগত তিনিচুকীয়াৰ বৰদলৈ নগৰ মধ্য ইংৰাজী বিদ্যালয়ত যোৱা ১৮, ১৯ আৰু ২০ জুলাই তাৰিখে অনুষ্ঠিত হৈ যোৱা তিনিদিনীয়া "বনগীতৰ কৰ্মশালা"ৰ সামৰণি অনুষ্ঠানটি দেওবাৰে অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া কৃষ্ণকান্ত বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হৈ যায়। অনুষ্ঠানত কৰ্মশালাৰ প্ৰশিক্ষক আৰু সমল ব্যক্তি বনগীতৰ বিশেষজ্ঞ তথা অঁনাতাৰ শিল্পী লুইত দাস আৰু বিশিষ্ট অতিথি তিনিচুকীয়াৰ "সপ্ৰেম" (সঙ্গীতপ্ৰেমী মঞ্চ)ৰ সভাপতি অতুল চন্দ্ৰ শৰ্মাই বনগীত সম্পৰ্কে বিশেষ বক্তব্য আগবঢ়ায়। বিকাশ হাজৰিকাৰ সহযোগত শিল্পী চন্দ্ৰমা দিহিঙ্গীয়াই আঁত ধৰা অনুষ্ঠানটিত আমন্ত্ৰিত অতিথিৰূপে তিনিচুকীয়াৰ বিষ্ণুজ্যোতি সাংস্কৃতি সমাজৰ সম্পাদক পূৰ্ণ কাকতি, সংগীতশিল্পী কামিনী কুমাৰ গোহাঁই, সংগীত শিক্ষক পিনাকি বালা, সমাজকৰ্মী শৰৎ দাস, বিকাশ কেজৰিৱাল, সুদীপ সিং, তৰুণ হাজৰিকা, তুলন মেচ উপস্থিত থাকে। অনুষ্ঠানত কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলে সমদলীয় বনগীত পৰিৱেশন কৰে।

## বাইহাটা চাৰিআলি সাংবাদিক সন্থাৰ সমিতি

**অসম বাৰ্তা, কমলপুৰ, ২৩ জুলাই ঃ** কামৰূপ জিলাৰ বাইহাটা চাৰিআলিৰ ৰুৰেল লাইব্ৰেৰী সভাগৃহত আজি বাইহাটা চাৰিআলি অঞ্চলৰ সংবাদসেৱীসকলক লৈ এখন সভা অনুষ্ঠিত হয়। বাইহাটা চাৰিআলিৰ সু-কবি তথা জেষ্ঠ সাংবাদিক সাৰদা প্ৰসাদ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত আজিৰ এই সভাত বৃহত্তৰ বাইহাটা চাৰিআলি অঞ্চলৰ শৈক্ষিক, সামাজিক, আৰ্থিক, সাংস্কৃতিকৰ লগতে সৰ্বদিশতে সততা আৰু নিষ্ঠা সহকাৰে সংবাদ কৰ্ম-দায়িত্ব একত্ৰিত হৈ পালন কৰি যোৱাৰ্থে আলোচনা কৰা হয়। আজিৰ এই সভাত বিগত ২৫মেত ৰুৰেল লাইব্ৰেৰীত জেষ্ঠ অধিবক্তা তথা বিশিষ্ট সমাজকৰ্মী মদন চন্দ্ৰ ডেকাৰ সভাপতিত্ব অঞ্চলটোৰ সংবাদসেৱীসকল আৰু অঞ্চলটোৰ সমাজ জীৱনৰ লগত সংপৃক্ত ব্যক্তিসকলৰ উপস্থিতিত অনুষ্ঠিত হৈ যোৱা সাধাৰণ সভাত লোৱা এক প্ৰস্তাৱ কাৰ্যকৰী কৰণ কৰি ৰাইজৰ মাৰ্গদৰ্শনেৰে আজি অঞ্চলটোৰ সংবাদসেৱী সকলক লৈ বাইহাটা চাৰিআলি সাংবাদিক সন্থা নামেৰে এই নৱগঠিত অনুষ্ঠানটোৰ শুভাৰম্ভণি কৰা হয়। এই সভাত মানৱ ডেকাক সভাপতি, দীপক কুমাৰ কলিতাক উপ-সভাপতি, জিয়াউল হকক সাধাৰণ সম্পাদক, চালেহ চৌধুৰীক সহকাৰী সম্পাদক, আৰু পুলক চমুৱাক সাহিত্য আৰু সাংস্কৃতিক সম্পাদক হিচাপে নিৰ্বাচিত কৰি বাইহাটা চাৰিআলি সাংবাদিক সন্থাটোৰ এখন শক্তিশালী সমিতি গঠন কৰা হয়। এই সমিতি খনে আগন্তুক দিনত সংবাদক্ষেত্ৰ খনত সততা আৰু নিষ্ঠাৰে আগুৱাই যোৱাৰ ক্ষেত্ৰত শুভকাংশী ৰাইজৰ সু-দিহা, পৰামৰ্শ, সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে। তদুপৰি সাংবাদিক সন্থাটোৰ উদ্যোগত অহা ৮ ছেপ্টেম্বৰত সুধাকণ্ঠ ভূপেন হাজৰিকাৰ জন্মদিন উদ্‌যাপন কৰিব বুলি জানিব পৰা গৈছে।

## জ্যেষ্ঠ সাংবাদিক মনজিৎ বৰালৈ শৈক্ষিক বঁটা আদিবাসী ছাত্ৰ সন্থাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৩ জুলাই ঃ** আদিবাসী জনগোষ্ঠীৰ সংগ্ৰামী নেতা, আদিবাসী জাতীয় নায়ক সদ্য প্ৰয়াত কেন্দ্ৰীয় সমিতিৰ সভাপতি প্ৰদীপ নাগৰ সোঁৱৰণত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাই প্ৰথমবাৰ বাবে বঁটা এইবাৰ প্ৰদান কৰা হ'ব অসম আদিত্য কাকতৰ সম্পাদক তথা বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাৱৰ সভাপতি- জ্যেষ্ঠ সাংবাদিক মনজিৎ বৰাক। ২৭ জুলাইত কছাৰীবাৰী আউনিআটী শাখাসত্ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগীয়া আছা জিলা পৰ্যায়ৰ সভাত এই বঁটা প্ৰদান কৰিব বৰাক। অনুষ্ঠানত সকলোৰে উপস্থিতি কামনা কৰিছে আছা ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি গৌতম চাংগা, সম্পাদক ৰাজেশ লাৰকীন, উপ- সভাপতি সঞ্জু হৰ, অজয় দাস, যুটীয়া সম্পাদক দেৱেন মুণ্ডা, শিক্ষা সম্পাদক দিনেশ বেদীয়া, মুখ্য উপদেষ্টা ৰমেশ গড় আৰু অৰুণ বাউৰী।

### আমগুৰি কেন্দ্ৰীয় পুথিভঁৰালৰ সমিতি পুনৰ্গঠন

## "গীত-কথা-কবিতাৰে এসন্ধ্যা" শীৰ্ষক মনোজ্ঞ অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, আমগুৰি, ২৩ জুলাই ঃ** আমগুৰিৰ ঐতিহ্যমণ্ডিত কেন্দ্ৰীয় পুথিভঁৰালত যোৱা ১৯ জুলাই তাৰিখে "গীত-কথা-কবিতাৰে এসন্ধ্যা" শীৰ্ষক এক সাহিত্য-সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। বিশিষ্ট সাহিত্যিক তথা সাংবাদিক চন্দ্ৰপ্ৰসাদ শইকীয়াৰ সোঁৱৰণত প্ৰতিষ্ঠা কৰা এই পুথিভঁৰালত অনুষ্ঠিত মনোজ্ঞ অনুষ্ঠানটোৰ অনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে কবি অশ্ৰুমণি দত্ত ঘোষে। ডাঃ ৰুবুল চন্দ্ৰ বৰুৱাৰ সঞ্চালনাত আৰু যোগেশ কিশোৰ ফুকন, প্ৰাঞ্জল প্ৰতিম বড়াৰ তত্বাৱধানত অনুষ্ঠিত এই সভাত জাঁজী হেমনাথ শৰ্মা কলেজৰ সহযোগী অধ্যাপক জীৱমণি নাথে অসমীয়া সাহিত্যৰ ওপৰত মননশীল বক্তৃতা প্ৰদান কৰে। শিল্পী পেঞ্চনপ্ৰাপ্ত নলীনি দত্ত মহন্তৰ স্বৰচিত কবিতাৰে আৰম্ভ হোৱা এই অনুষ্ঠানত দীপালি শইকীয়া গগৈ, অঞ্জনা গগৈ, বিজু বৰঠাকুৰ, অনাতাঁৰ শিল্পী পৰিণীতা বৰুৱা নেওগ, হেমন্ত শইকীয়া, পংকজ কুমাৰ কলিতা, কুন্তলা কল্যাণী সন্দিকৈ, মিনু বৰা দত্ত, দুলুমণি খাৰঘৰীয়া, গীতৰাজ, বিদ্যুত বৰুৱা, অবিনাশ বাস্তৱ আদি বহুকেইজন সাহিত্যিক আৰু শিল্পীয়ে কবিতা, গীত, ভাওনাৰ সংলাপ আদি পৰিবেশন কৰে। অনুষ্ঠানত পুলিন বৰঠাকুৰ, কাশীনাথ পাত্ৰ, নৱনীতা গগৈ, গংগাধৰ দেউৰী, প্ৰমোদ বৰুৱা, বাবুল কুমাৰ বৰুৱা, অনুপম অনুভূতি বৰা, বনশ্ৰী গগৈ, মিতালী দুৱৰা ফুকন, দীপক গগৈ, মৃদুল খাৰঘৰীয়া আদি গণ্যমান্য ব্যক্তিসকলে অংশগ্ৰহণ কৰে। ইয়াৰ পূৰ্বে, সভাপতি যোগেশ কিশোৰ ফুকনৰ সভাপতিত্বত পুথিভঁৰালৰ সাধাৰণ সভা অনুষ্ঠিত হয়। সম্পাদক প্ৰাঞ্জল প্ৰতীম বড়াই আঁত ধৰা সভাত সদ্যঃপ্ৰয়াত সমাজসেৱিকা নিৰ্মলা বৰুৱাৰ মৃত্যুত শোক প্ৰকাশ কৰা হয়। সভাত আগন্তুক কাৰ্যকালৰ বাবে নতুন সমিতি গঠন কৰা হয়। নতুন সমিতিত বিনোদ শইকীয়াক সভাপতি, দিপালী শইকীয়া বৰুৱাক উপ-সভাপতি, প্ৰকাশ বৰুৱাক সম্পাদক, অনুপম অনুভূতি বৰাক সহকাৰী সম্পাদক আৰু হেমন্ত কুমাৰ বৰা, অভিস্পিত শইকীয়া, অনুপম দত্ত, ৰাতুল শইকীয়া, সঞ্জীৱ কুমাৰ শইকীয়া, ৰঞ্জন বৰুৱাক সদস্য হিচাপে মনোনীত কৰা হয়। তদুপৰি, সভাৰ পৰামৰ্শ অনুসৰি পুলিন বৰঠাকুৰ, নলীনি দত্ত মহন্ত, দিগন্ত বৰুৱা, উদয় দত্ত, ৰঞ্জিত শৰ্মা, দীপালি শইকীয়া গগৈ, ৰজিতা বড়া, ৰাতুল মহন্ত আৰু প্ৰাঞ্জল প্ৰতিম বড়া সদস্য হিচাপে "চন্দ্ৰপ্ৰসাদ শইকীয়া আমগুৰি কেন্দ্ৰীয় পুথিভঁৰাল কৰ্ণধাৰ সমিতি" গঠন কৰা হয়।

### ভাগ ল'লে ১৮ দিনীয়া ইণ্টাৰ্ণশ্বিপ কাৰ্যসূচীত

## জ্ঞানৰ সন্ধানত গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ এজাক তৰুণ তৰুণী

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৩ জুলাই ঃ** ঐতিহ্যমণ্ডিত গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ স্নাতক বৰ্ষৰ পঞ্চম ষাণ্মাসিকৰ তেইশজন ছাত্ৰ-ছাত্ৰীৰ এটি দলৰ ইণ্টাৰ্ণশ্বিপ প্ৰগ্ৰেম অলপতে ২-২০ জুলাইলৈ পৰা অনুষ্ঠিত হৈ যায়। ১২০ ঘণ্টাৰ এই ইণ্টাৰ্ণশ্বিপ পাঠ্যক্ৰম মহাবিদ্যালয়খনৰ অধ্যক্ষ ডং জয়ন্ত বাৰুকিয়াল আৰু ন'ডেল অফিচাৰ ডং মৃদুল চেতিয়াৰ আহ্বান মৰ্মে বিবেকানন্দ কেন্দ্ৰ কন্যাকুমাৰী, গোলাঘাট আৰু পদ্মশ্ৰী ডং ৰবীন বেনাৰ্জী নেচাৰেল হিষ্ট্ৰী মিউজিয়ামে যুটীয়াভাৱে দুয়োটা প্ৰতিষ্ঠানে দায়িত্ব গ্ৰহণ কৰে। শিবিৰ অধিকাৰী বিবেকানন্দ কেন্দ্ৰ কন্যাকুমাৰী, অসম প্ৰান্ত প্ৰমুখ ডং শোভাৰাণী বৰকটকী শৰ্মা, শিবিৰ প্ৰমুখ অঞ্জলি বাইলুং বুঢ়াগোহাঁইক লৈ এখনি কাৰ্যকৰী কমিটি গঠন কৰা হয়। ২ জুলাইৰ দিনা এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে ডং শোভাৰাণী বৰকটকী শৰ্মাই। বৌদ্ধিক, শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক দিশ সামৰি ছাত্ৰ-ছাত্ৰীসকলৰ বিষয়ৰ প্ৰতি লক্ষ্য ৰাখি সত্ৰসমূহ নিৰ্দ্ধাৰণ কৰা হয়। ভাৰতবৰ্ষ আৰু অসমৰ গৌৰৱময় তথা ভাষা সংস্কৃতিৰ ইতিহাস, শ্ৰীমন্ত শঙ্কৰদেৱ, স্বামী বিবেকানন্দ, একনাথজী ৰানাডে, কেপ্টেইন জিণ্টু গগৈ, বীৰ লাচিত বৰফুকন, পদ্মশ্ৰী ডং ৰবীন বেনাৰ্জীৰ সমাজ তথা দেশলৈ অৱদান, নাৰী, শিশু সুৰক্ষা, পকচ আইন, ভাৰতীয় সংবিধান আৰু কৰণীয় আদি আইনী বিষয়, প্ৰকৃতি সংৰক্ষণ, সজাগতা, ঔষধি গুণ যুক্ত উদ্ভিদৰ ব্যৱহাৰ, প্ৰকৃতিৰ ঐতিহাসিক সংগ্ৰহালয় এই দিশ সমূহৰ মাৰ্গ দৰ্শন কৰা হয়। এই ক্ষেত্ৰত সমল ব্যক্তি হিচাপে মানসী গোস্বামী, ৰাতুল কলিতা, লক্ষ্মী নাৰায়ণ গোস্বামী, ছবি বৰুৱা, লক্ষ্মীধৰ শইকীয়া, গীতা মেদক, অঞ্জলি বাইলুং বুঢ়াগোহাঁই, ডং বন্তিৰাণী গগৈ ফুকন, ডং বিজুলী বৰচেতীয়া, বাণী হাজৰিকা, ডং অপূৰ্ব শইকীয়া, ডং পৰিস্মিতা হাজৰিকা, সুষময় পুৰকায়স্থ, মৌচুমী হাজৰিকা, আৰু অনু তামোলীয়ে মাৰ্গ দৰ্শন কৰে। মন্থন সত্ৰত জীৱনৰ লক্ষ্য সাধন, মূল্যবোধ, সাধনা, সেৱামূলক সংগঠনৰ কাৰ্য, অষ্টাংগ যোগ, শিলা স্মাৰক, বেংকিং আৰু চাইবাৰ ক্ৰাইম আদি বিষয়ৰ চৰ্চা কৰা হয়। সমল ব্যক্তি সকলৰ উপৰিও মন্থনত ভাগ লয় বেবী চাংমাই, ৰতন দাস, ভাৰতী বৰুৱা, অনিমা দত্ত শইকীয়া আদি কাৰ্যকৰ্তা সকলে। সৃজনীশীলতাৰ দিশত ভূমিকম্পৰ পৰা ৰক্ষা, ৰেগিং এক ব্যাধি, মোবাইলৰ ব্যৱহাৰ, নিজক জানিবৰ উপায়, কুইজ গোলাঘাট, অখ্যাত বীৰ-বীৰাংগনা, ৰচী- লাঠিৰে অভিনয়, ব্লগ বনোৱা কৌশল, মুক অভিনয় এইসমূহ বিষয় আলোচনা, অভিজ্ঞতা ৰূপে শিকোৱা আৰু কৰি দেখুওৱা হয়। সংস্কাৰ বৰ্গ আৰু কেন্দ্ৰ বৰ্গৰ যোগেদি ছাত্ৰ ছাত্ৰীসকলক আজ্ঞা অভ্যাস, খেল, গীত, কাহিনী, চৰ্চা আদিৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এইক্ষেত্ৰত ৰূপালীম গগৈৰ লগতে নিৱাসী কাৰ্যকৰ্তা বাছাও মাম (গুৱাহাটী), হৃষীকেশ বৰদলৈ, কৌস্তভ শইকীয়াই (যোৰহাট) সম্পূৰ্ণ সহযোগিতা আগবঢ়ায়। যোগাসনৰ শিথিলীকৰণ, সূৰ্য নমস্কাৰ, আসন আৰু প্ৰাণায়ামৰ লগতে মন্ত্ৰ, গীতৰ অভ্যাস কৰোৱা হয়। ছাত্ৰ-ছাত্ৰী সকলৰ শাৰীৰিক আৰু মানসিক দুয়োটা দিশতেই খেল ধেমালিয়ে সামৰি লয়। কেন্দ্ৰৰ কিছুমান খেল আনন্দ উপভোগৰ বাবে খেলিবলৈ দিয়া হৈছিল যেনে ফুল-ফল-চবজি, আকাশ- ধৰিত্ৰী - পাতাল, কেন্দ্ৰলৈ বলক, সুৰংগ, সাপ - নেউল, হাতী- ঘোঁৰা - পাল্কী, মুদ্ৰা পাৰ কৰা, বন্দুক -সিংহ- মানুহ, চৰণ স্পৰ্শ, বিশ্বৰ পৰা বাচক, অংগদৰ ভৰি আদি। এইক্ষেত্ৰত তেওঁলোকৰ সহযোগিতা আৰু আনন্দ উপভোগ দৰ্শনীয় আছিল। ছাত্ৰ-ছাত্ৰী সকলক ডং ৰবীন বেনাৰ্জীৰ দ্বাৰা নিৰ্মিত সাতত্ৰিশখন তথ্যচিত্ৰৰ পৰা তিনিখন তথ্যচিত্ৰ প্ৰদৰ্শন কৰা হয়। ২০ জুলাইৰ সামৰণি অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে অভিজ্ঞতা সমূহ ব্যক্ত কৰে। লগতে নেচাৰেল হিষ্ট্ৰী মিউজিয়াম আৰু বিবেকানন্দ কেন্দ্ৰ বিদ্যালয় দৰ্শন কৰোৱা হয়। অনুষ্ঠানত ইণ্টাৰ্ণশ্বিপ প্ৰগ্ৰেমৰ ছাত্ৰ ছাত্ৰীসকলক প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। সামৰণি অনুষ্ঠানত আজুৰি দেৱী, গীতা মেদক, ডং দিলিপ গোস্বামী আৰু বিভিন্ন গণ্যমান্য ব্যক্তি তথা কাৰ্যকৰ্তা সকল উপস্থিত থাকে। বিবেকানন্দ কেন্দ্ৰ, গোলাঘাট শাখা আৰু মিউজিয়াম কৰ্তৃপক্ষৰ পৰিশীলিত আৰু নীতিবাচক শিক্ষাৰ দ্বাৰা ছাত্ৰ ছাত্ৰীসকলৰ ইণ্টাৰ্ণশ্বিপ প্ৰগ্ৰেমৰ সফল সমাপ্তি আৰু এই পদক্ষেপৰ বাবে উপস্থিত ব্যক্তিসকলে ভূয়সী প্ৰশংসা কৰে।



### তিনি শতাধিক পুৰুষ-মহিলাৰ BPF দলত যোগদান

## ২ নং গুমা সমষ্টিত কংগ্ৰেছৰ বৃহৎ খহনীয়া

**অসম বাৰ্তা, গোসাঁইগাঁও, ২৩ জুলাই ঃ** গোসাঁইগাঁও মহাবিদ্যালয়ৰ কাষৰীয়া বিপিএফৰ গুমা ব্লক কাৰ্যালয়ত আজি বি.পি.এফ. দলৰ এখন বৃহৎ যোগদান কাৰ্য্যসূচী সভা অনুষ্ঠিত হয়। সভাত প্ৰায় তিনি শতাধিক পুৰুষ আৰু মহিলাসহ বিপিএফ দলত আনুষ্ঠানিকভাৱে যোগদান কৰে। এই অনুষ্ঠানত সভাপতিত্ব কৰে গুমা ব্লক বিপিএফৰ কাৰ্য্যকৰী সভাপতি তথা সমষ্টিখনৰ প্ৰত্যাশিত প্ৰাৰ্থী এন্তাজ আলীয়ে। সভাৰ আৰম্ভণিতে গোসাইগাঁও জিলা বিপিএফৰ সাধাৰণ সম্পাদক বিল্লা কুমাৰ ব্ৰহ্মে বিজেপি আৰু ইউপিপিএল চৰকাৰৰ বিগত পাঁচ বছৰৰ শাসনক লৈ কঠোৰ সমালোচনা কৰে। তেওঁ সকলো জাতি-ধৰ্মৰ লোকক বিপিএফক সমৰ্থন দি উন্নয়নশীল পৰিষদ গঠন কৰিবলৈ আহ্বান জনায়। আনহাতে প্ৰত্যাশিত প্ৰাৰ্থী এন্তাজ আলীয়ে কংগ্ৰেছ দলক সমালোচনা কৰি কয় বিটিআৰত মুছলমান ৰাইজৰ মাটিৰ সমস্যাৰ মূল কাৰণ কংগ্ৰেছৰ দীৰ্ঘকালীন উপেক্ষা। তেওঁ কয়, এই দলটোৱে মুছলমানক মাত্ৰ ভোট বেংকৰ ৰূপত ব্যৱহাৰ কৰিছে, সমাধানৰ কোনো পদক্ষেপ লোৱা নাই। এন্তাজৰ মতে কংগ্ৰেছলৈ ভোট দিয়া মানে বিজেপিক সহায় কৰা। ইয়াৰ উপৰিও তেওঁ ইউপিপিএল দলক "ঠগবাজৰ দল" বুলি অভিহিত কৰি কয় বিগত পাঁচ বছৰত একো গুৰুত্বপূৰ্ণ উন্নয়নমূলক কাম কৰা হোৱা নাই; ইয়াৰ বিপৰীতে প্ৰতিটো ৰাস্তাৰ কাষত ফলক লগাই ৰাইজৰ উন্নয়নৰ নামত সাধাৰণ জনতাৰ পইচা আত্মসাৎ কৰিছে। এন্তাজে লগতে কয় আৰুনোদয় আঁচনিৰ নামত চৰকাৰখনে দুখীয়া লোকৰ পৰা অবৈধভাৱে পইচা সংগ্ৰহ কৰাৰ অভিযোগ তোলে। সভাত এন্তাজে ঘোষণা কৰে যে তেওঁ জয়যুক্ত হ'লে ২ নং গুমা সমষ্টিত চৰকাৰী মাটিত বসবাস কৰা লোকক মাটিৰ পট্টা প্ৰদানৰ ব্যৱস্থা কৰিব। লগতে কয় এই প্ৰতিশ্ৰুতি পূৰণ নহলে তেওঁ পাৰিষদ পদৰ পৰা পদত্যাগ কৰিব বুলি স্পষ্ট কৰে। যোগদান কাৰ্য্যসূচীত গোসাইগাঁও জিলা বিপিএফৰ সাধাৰণ সম্পাদক বিল্লা কুমাৰ ব্ৰহ্ম, ২ নং গুমা সমষ্টিৰ প্ৰত্যাশিত প্ৰাৰ্থী অন্তাজ আলী, গুমা ব্লক কমিটিৰ সাধাৰণ সম্পাদক মকেন্দ্ৰ নাৰ্জাৰী, গুমা ব্লক যুৱ শাখাৰ সভাপতি মোন্নাব আহমেদ উপস্থিত থাকে।

## চাইবাৰ অপৰাধীৰ বিৰুদ্ধে চিৰাং আৰক্ষীৰ বৃহৎ অভিযান

**অসম বাৰ্তা, বিজনী, ২৩ জুলাই ঃ** চিৰাং জিলাত যোৱা শনিবাৰৰ পৰা চলোৱা এই অভিযানত বিজনী থানাৰ অন্তৰ্গত মুঠ ১১ জনকৈ চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ কৰে চিৰাং আৰক্ষী। ধৃত ১১জন চাইবাৰ অপৰাধী বিজনীৰ কাৱাটিকাৰ আফছাৰ উদ্দিন (৩৪), ১ নং দংশীয়াপাৰাৰ মতলেব আলী(৩৭), আব্দুল আৱাল (২৭), আখেৰ আলী(২৯), ছাদ্দাম হুছেইন (২২), গোলাপ হুছেইন আৰু ফৰমাইছালীৰ মিৰ কাচেম(২২), বল্লমগুৰীৰ আনোৱাৰ হুছেইন(২৫), ফৰমাইছালীৰ জিয়াৰুল হুছেইন(২৩), ১ নং দংশীয়াপাৰাৰ মজনু আলী(২৫) আৰু ছুৰমান আলীক(২৬) গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে AS 19W 2199 নম্বৰৰ এখন টাটা টিয়া'গ, AS 26E 8471 নম্বৰৰ টাটা পাঞ্চ, AS 01QC 0737 নম্বৰৰ এখন এল্টো কেৰ 10 আৰু নম্বৰ প্লেট বিহীন এখন হুণ্ডাই আই 20 বাহন জব্দ কৰাৰ লগতে এটিএম/ডেবিট কাৰ্ড ৩২ খন, চিম কাৰ্ড ২৬ খন, মোৱাইফোন ২৩ টা, ছেমছাং টেবলেট ১ টা, নদধ ধন ৩৫, ২০০/- টকা, চেক বুক ৯ খন, বেংক পাছবুক ১২ খন, আধাৰ কাৰ্ড ৬ খন, পান কাৰ্ড ৩ খন, ভোটাৰ আইডি কাৰ্ড ১ খন, চাবি ৭ টা, ছোৱাইব মেচিন ৪ টা, কিউ-আৰ স্কেনাৰ ২টা জব্দ কৰে। এই সংক্ৰান্তত সোমবাৰে সন্ধিয়া চিৰাং আৰক্ষী অধীক্ষক অক্ষত গাৰ্গে বিজনী থানাৰ এখন সংবাদমেল সংবোধন কৰে। আৰক্ষীয়ে ঘটনা সংক্ৰান্তত তদন্ত অব্যাহত ৰাখিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন